# বাজেট অধিবেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

## কাৰ্যবিৱৰণী

## তাৰিখ ঃ ০৪/০৩/২০২০ বুধবাৰ

**আজি ইংৰাজী ০৪-০৩-২০১৯ তাৰিখে মাননীয় অধ্যক্ষ মহোদয়ৰ অধ্যক্ষতাত পূৰ্ব নিৰ্দ্ধাৰিত কাৰ্য্যসূচী মতে অসম বিধান সভাৰ বাজেট অধিৱেশন ৰাতিপুৱা ৯.৩০ বজাত অনুষ্ঠিত হয়।**

**মাননীয় অধ্যক্ষ ঃ** এতিয়া প্ৰশ্নোত্তৰকাল। তৰা চিহ্নিত প্ৰশ্ন নং-৪১, শ্ৰী ৰাজদ্বীপ গোৱালা ডাঙৰীয়াৰ। মাননীয় মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিয়ক।

**শ্ৰী সঞ্জয় কিষাণ, ৰাজ্যিক মন্ত্ৰী, (স্বতন্ত্ৰ) শ্ৰমিক কল্যাণ ইত্যাদি ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দাখিল কৰা হৈছে।

**শ্ৰী ৰাজদ্বীপ গোৱালা, (লক্ষীপুৰ) ঃ** Hon'ble Speaker Sir, can I ask my Question in Hindi?

**মাননীয় অধ্যক্ষ ঃ** No problem. আমাৰ ৰেকৰ্ডিঙৰ এটা সুবিধা আছে। পাৰিব।

**শ্ৰী ৰাজদ্বীপ গোৱালা (লক্ষীপুৰ) ঃ** মাননীয় অধ্যক্ষ মহাশয়, আপকে দ্বাৰা মাননীয় মন্ত্ৰী মহোদয়সে জান্না চাহুঙ্গা জো reply দিয়া গয়া হ্যায়, ইচ্‌কে ওপৰ এক Government Notification হোৰা হ্যায় জিচমে কোচ সৱাল পুছা গ্যায়া হ্যায়, ঔৰ Government Notification মে ভি কোচ সৱাল পুছা গ্যায়া হ্যায়। মে বোলনা চাহুঙ্গা কি পাঁচ মহিনে সে ভি জ্যাদা হু গ্যায়া হ্যায় কি হাতীখিৰা Tea Esate জো কৰিমগঞ্জ জিলা মে হ্যায় ৰ' বন্ধ হ্যায় ঔৰ ৩০০০ জ্যাদা শ্ৰমিক অপনে ৰেচন ঔৰ ৰেজেচ সে বঞ্চিত হোৰা হ্যায়। য়ে জো ৫ মহীনে সে ৰেচন ঔৰ ৰেজেচ নেহী মিল ৰহা হ্যায়, ইচকে লিয়ে চৰকাৰ নে ক্যা ষ্টেপ লিয়া হ্যায়।

**শ্ৰী সঞ্জয় কিষাণ, ৰাজ্যিক মন্ত্ৰী, (স্বতন্ত্ৰ) শ্ৰমিক কল্যাণ ইত্যাদি ঃ** মাননীয় অধ্যক্ষ মহোদয়, হাতীখিৰা চাহ বাগিচা খন মাননীয় সদস্য জনে কোৱাৰ দৰে Lock out হৈ আছে। ইতিমধ্যে এই বাগানখন আপোচ-মীমাংসাৰ জৰিয়তে খুলিবৰ বাবে আমাৰ বিভাগৰ কৰ্ত্তৃপক্ষৰ তৰফৰ পৰা কেইবাবাৰো এখন সভা আয়োজন কৰি চেষ্টা কৰা হ'ল। যোৱা ২৮-০৯-২০১৯, ০১-১০-২০১৯, ১১-১০-২০১৯, ২৩-১০-২০১৯ ত সভাৰ আয়োজন কৰা হৈছিল। কিন্তু প্ৰত্যেকটো আলোচনাতে শ্ৰমিক আৰু মালিক পক্ষৰ যি দাবী তাত কোনোধৰণৰ আপোচ-মীমাংসা নোহোৱাৰ বাবে প্ৰায় ভাগ সভাই বিফল হৈছে। ইতিমধ্যে এই Failure Report ইতিমধ্যে দাখিল কৰা হৈছে আৰু বিষয়টো ন্যায়ালয়ৰ বিচাৰাধীন হৈ আছে। মাননীয় বিধায়ক ডাঙৰীয়াই যিহেতু কৈছে তাত প্ৰায় ৩ হাজাৰ শ্ৰমিক তাত আছে। এই শ্ৰমিক সকলৰ বৰ্তমান যিখিনি অসুবিধা হৈছে তাৰ বিষয়ে বৰ্তমান বিবেচনা কৰা হৈছে। শ্ৰমিক সকলক MGNREGA বা তেনে কোনো আঁচনিৰ দ্বাৰা কামৰ ব্যৱস্থা কৰিব পৰা যায় নেকি? তাৰ কাৰণে চেষ্টা কৰি থকা হৈছে। এই বিষয়টো উচ্চতম ন্যায়ালয়ৰ বিচাৰাধীন হৈ আছে। আমি বৰ্তমান উক্ত চাহ বাগিচা খনত নোটিচ জাৰি কৰিছো আৰু অহা ১০ তাৰিখে পুনৰ এখন তাত সভা আয়োজন কৰা হ'ব। য'ত শ্ৰমিক সংগঠন, আমাৰ সহকাৰী শ্ৰম আয়ুক্তৰ লগতে পৰিচালক উপস্থিত থাকিব। আমি আশা কৰিছো হয়তো অহা ১০ তাৰিখৰ সভা খনত আমাৰ স্থানীয় বিধায়কো তাত থাকিব। আমি আশা কৰিছো এই

মিটিং খনত এক ভাল মীমাংসাৰ জৰিয়তে উক্ত চাহ বাগিচাখন মুকলি কৰাৰ পথ ওলাব। ধন্যবাদ।

**শ্ৰী ৰাজদ্বীপ গোৱালা (লক্ষীপুৰ) ঃ** মাননীয় অধ্যক্ষ মহাশয়, য়ে জো ৫ মহীনে সে কুচ ভী নেহী মিল ৰহা হ্যায়, ঔৰ অভি ভি কুচ clear নেহী হ্যায়। ১০ তাৰিখ কে মিটিং মে জো হোগা মুঝে খবৰ মিলি হ্যায় কিউ কী মে চাহ শ্ৰমিক ইউনিয়ন সে ভি জড়িত হু। মুঝে খবৰ মিলি হ্যায় কি মেনেজমেণ্ট কমিটী কে দ্বাৰা চাহ বাগান চলানে কে লিয়ে প্ৰয়াস চল ৰহী হ্যায়। লেকিন মেনেজমেণ্ট কমিটী সেজো বাগান চলতে হ্যায় তো শ্ৰমিক কো সাৰে সুবিধাই নেহী মিলতা হ্যায়। That is not the permanent Solution. মেৰা য়ে হী অনুৰোধ হ্যায় কি বাগান কো চলানে কে এক permanent Solution. ক্যায়া যায় ঔৰ স্থায়ী Auction সে মালিক কো দিয়া জায়। ইস বাগান মে য়ে ভী দেখা গয়া হ্যায় কি বহুত সাৰে শ্ৰমিক মাৰে গ্যায়া হ্যায় Due to lack of medical facilities. চাহ শ্ৰমিক কো কে পাচ ঔৰ alternative নেহী হ্যায়। য়ে চাহ বাগানো মে কাম কৰ কে হী পৰিয়াল পালতে হ্যায়। চৰকাৰ কে দায়িত্ব মানতা হু কি য়ে জো ৩ হজাৰ সে ওপৰ পৰিয়াল হ্যায় জো বিনা কাম কে, বিনা ৰেজেচ, বিনা ৰেচন কে আজ য়হা পে ৰহ ৰহে হ্যায়,উনকো তুৰন্ত চৰকাৰকে তৰফ সে কুছ ৰিলিফ, কুছ সুবিধা দিয়া জায়, য়ে হি মে জান্না চাহুংগা।

**শ্ৰী সঞ্জয় কিষাণ, ৰাজ্যিক মন্ত্ৰী, (স্বতন্ত্ৰ) শ্ৰমিক কল্যাণ ইত্যাদি ঃ** মাননীয় অধ্যক্ষ মহোদয়, এখন চাহ বাগিচা যদি দীৰ্ঘদিন ধৰি বন্ধ হৈ থাকে, তেনে ক্ষেত্ৰত কোনো আইনগত ব্যৱস্থা নাই যে চৰকাৰৰ ফালৰ পৰা শ্ৰমিক সকলক কিবা দিব পৰা যায়। মই মাননীয় অধ্যক্ষ ডাঙৰীয়াক অনুৰোধ কৰিম যে তেনে ধৰণৰ কোনো ব্যৱস্থা কৰিব পাৰো নেকি? যদি এখন চাহ বাগিচা দীৰ্ঘ দিন ধৰি বন্ধ হৈ যায়, তেনে ক্ষেত্ৰত তেওঁলোকে জীয়াই থাকিব পৰাকৈ কিবা ব্যৱস্থা কৰিব পৰা যায় নেকি? আমি শুনিছো যে কেৰেলাত ইতিমধ্যে তেওঁলোকে শ্ৰমিক সকলৰ বাবে টি-বোৰ্ডৰ পৰা Welfare ৰ বাবে কিছু কাম কৰিছে। গতিকে এই ক্ষেত্ৰত আমি টি-বোৰ্ডৰ লগত আলোচনা কৰিব লাগিব। যিহেতু টি-বোৰ্ড সমূহে বিভিন্ন সময়ত শ্ৰম উন্নয়ন মূলক কাম বা welfare ৰ কাম কৰে। কোনো এখন চাহ বাগিচাত যদি এনেধৰণৰ পৰিস্থিতিৰ সৃষ্টি হয়, তেনে ক্ষেত্ৰত টি-বোৰ্ডৰ ফালৰ পৰা কিছু পৰিমাণৰ সাহাৰ্য্য শ্ৰমিক সকলক দিয়াৰ ব্যৱস্থা কৰিব লাগে। লগতে আমি এইটোও ভাবিছো যে উক্ত শ্ৰমিক সকলক MGNREGA ৰ জৰিয়তে ১০০ দিনৰ কাম দিয়াৰ বাবে। এনেধৰণৰ অৱস্থাত MGNREGA ৰ জৰিয়তে এই শ্ৰমিক সকলে অন্ততঃ চলিব পৰাকৈ কাম দিয়াৰ যদি ব্যৱস্থা কৰা হয়, তাৰ বাবে চিন্তা কৰিছো। আমাৰ স্বাস্থ্য বিভাগেও যদি তেওঁলোকৰ বাবে দৰৱ পাতিৰ ব্যৱস্থাটো ভালকৈ কৰিব পাৰে, লগতে পানীৰ ব্যৱস্থাটোও তেওঁলোকৰ বাবে কৰিব পাৰো এই ক্ষেত্ৰত আমি নিশ্চয় আলোচনা কৰিম। মই ভাৱিছো যিহেতু ১০ তাৰিখে এখন সভা অনুষ্ঠিত কৰিছে তাত কিবা মীমাংসা হ'ব। মই মাননীয় বিধায়কক কৈছো যিহেতু বিধান সভা চলি আছে আৰু বিধান সভা শেষ হোৱাৰ পিছত মই তেওঁলোকৰ জিলালৈ গৈ বিধায়কৰ লগত বহি কি মীমাংসা কৰিলে আমাৰ শ্ৰমিক সকলৰ এটা ভাল ব্যৱস্থা কৰিব পাৰো তাৰ বাবে মই নিজে ব্যৱস্থা কৰিম। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** কেইবাজনেও হাত দাঙিছে suplementary কাৰণে, issue sensitive কিন্তু আমি বহুত issue ইয়াত আজি ল'ব নোৱাৰো কাৰণ এইটো প্ৰশ্ন শিতান হয়। গতিকে related to one particular tea estate belonging to the Karimganj District I think বাকী তিনিজনৰ মই দিব পাৰো, কিন্তু গোটেই কথাটো হৈছে যে, আপোনালোকৰ

কথাবিলাক descriptive হ'ব নোৱাৰিব। কাৰণ যিটো কথা কৈছে this is very important. চৰকাৰৰ হাততো তেনেকুৱা ধৰণৰ আমাৰ legal provision নাই। আগৰ পৰা এনেকৈ চলি আছে, অসমত Assam Tea Co-operation এই কাৰণে কৰা হৈছিল যাতে কৰবাত তেনেকুৱা হ'লে take up কৰিব পাৰে নেকি? এনেকুৱা ধৰণৰ কথা। কিন্তু এইবিলাক কথা মই সদনত ক'ব নোৱাৰিম। মন্ত্ৰী ডাঙৰীয়াই ভালকৈ কৈছে। মই ভাবো যে আমাৰ দুদিন বন্ধ আছে মাজত শনিবাৰ, দেওবাৰ if you desire. মই leave দিম। যদি সঁচাই সম্ভৱ হয়, কাৰণ সেইকেইদিন দৌল যাত্ৰা আছে। এবাৰ যাব পাৰিলে ভাল, যিহেতু তেখেতে বিচাৰিছো। তেওঁ যদি যায়, বেয়া নহয়। Let us be positive. ভাল কিবা এটা হ'ব বুলি ভাবো, তেনেকুৱা কৰিলে ভাল হ'ব। আপোনালোকে এটা আলোচনা কৰিব। বাকী তিনিজনক অলপ সময় দিম। কিন্তু দীঘলীয়া কৰিলে মই বন্ধ কৰি দিম Because generally I do not allow. What is your supplementary.

**শ্ৰী তেৰছ গোৱালা (দুলীয়াজান) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই যিহেতু এই উত্তৰটো পঢ়িলো আৰু এইবিলাক শুনি আছো। আমি চৰকাৰ এই মানুহ বিলাকৰ ভোটেৰে আমি বিধায়ক হৈ আমি চৰকাৰ চলাইছো। মালিক এজনে সদায় শ্ৰমিক হিচাপে ভাৱে আৰু আমি ভাবো এজন ভোটাৰ বা নাগৰিক হিচাপে। গতিকে এজন শ্ৰমিকক মালিকৰ যেতিয়া প্ৰফিট, অসুবিধা হ'ব তেওঁ নিজক সুবিধা কৰি লব। আইন বিলাক তেনেতে আছে। সেই কাৰণে মই অনুৰোধ জনাম চৰকাৰক যে যধে মধে lock out কৰিব নোৱাৰে, কিবা কাৰণত যদি তেনেকুৱা law and order situation হয় এটা সাময়িক হয়তো তিনি-চাৰি দিনৰ ভিতৰত তেওঁ lock out কৰি এটা সমাধান কৰিব পাৰে তাৰ কাৰণে এটা আইন আনিব নেকি? কাৰণ আইনখন আনিবই লাগিব।

**মাননীয় অধ্যক্ষ ঃ** আইন অনাৰ কথা তেখেতে কৈছে যে ব্যৱস্থা কৰিব লাগিব।

**শ্ৰী তেৰছ গোৱালা (দুলীয়াজান) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইয়াৰ আগতেও এনেকুৱা প্ৰশ্নবিলাক আহিছে, উত্তৰবিলাক একেধৰণে আহিছে। কেৱল এইখন চাহবাগিচাৰ নহয় গোটেই অসমৰে এইটো সমস্যা। গতিকে মই ভাবো এই আইনখন আজি তাৰিখত প্ৰযোজ্য হোৱাকৈ মানুহৰ huminity ground ত বিবেচনা কৰিব পৰাকৈ এই আইনখন যাতে বিবেচনা কৰে আৰু যাতে lock out নকৰে। এইটো ব্যৱস্থা লবলৈ মই অনুৰোধ জনাইছো।

**মাননীয় অধ্যক্ষ ঃ** I look into it if necessary a committee will be formed. I will talk to the Minister ইয়াৰ পাছতে শ্ৰী ৰূপজ্যোতি কুৰ্মী আৰু শ্ৰী প্ৰদীপ হাজৰিকা। মই কৈছো কথাটো suggestion মূলক হ'ব লাগিব।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী (মৰিয়নি)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ যোগেদি মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে, যোৱাকালি Assistant Labour Commissioner ৰ ক এখন পত্ৰৰ যোগেদি জনাইছে যে হাতীখিৰা চাহ বাগিচাৰ সন্দৰ্ভত বিহীত ব্যৱস্থা লোৱাৰ পদক্ষেপ গ্ৰহণ কৰা হৈছে। মই চৰকাৰৰ পৰা জানিব বিচাৰিছো মাননীয় সদস্য শ্ৰী ৰাজদ্বীপ গোৱালা ডাঙৰীয়াৰ এটা প্ৰশ্ন হাতীখিৰা চাহ বাগিচাৰ সন্দৰ্ভত আৰু মোৰো এটা অহাকালি ইণ্ডাষ্ট্ৰি বিভাগৰ একেই হাতীখিৰা চাহবাগিচাৰ সন্দৰ্ভত প্ৰশ্ন এটা ইতিমধ্যে আহিব বুলি আমি জানিব পাৰিছো। এই বিলম্ব হোৱাৰ কাৰণটো কি? ১৫৬ দিন পাৰ হৈ গ'ল। ইয়াৰ কাৰণটো কি আমাক জনাব লাগে। ইমান দেৰিকৈ কেলেই এই Assistant Labour Commissioner য়ে উদ্যোগ ল'লে, ইমান দেৰিকৈ কেলেই Assistant Labour Commissioner ৰক জনাইছে,

পদক্ষেপবোৰ লোৱা হৈছে এক নম্বৰতে। দুই নম্বৰ, মোৰ সতীৰ্থ বিধায়ক কৰিমগঞ্জৰ শ্ৰী কমলাক্ষ্য দে পুৰকায়স্থ আৰু মই নিজে আমি এটা অনশন কৰিছিলো আৰু ডিচিক স্মাৰক পত্ৰ দিছিলো ডিচেম্বৰ মাহত আৰু এখন এফ আই আৰ দিছিলে হাতীখিৰা চাহ বাগিচাৰ মালিকৰ বিৰুদ্ধে। আজিলৈকে কিয় এৰেষ্ট কৰা হোৱা নাই ইমান পলম কিয় হৈছে? তৃতীয়াতে আজি স্বনামতি স্বপ্নামী, দেৱৰাজ কৰ্মকাৰ নামৰ দুজন ব্যক্তিয়ে হাতীখিৰা চা হবাগিচাত চিকিৎসাৰ অভাৱত মৃত্যু হ'ল। চৰকাৰে ক্ষতিপুৰণ দিব নেকি ? কাম যিহেতু হাতীখিৰা চাহ বাগিচাত বন্ধ হৈ আছে এতিয়ালৈকে প্ৰায় দুটা ডাঙৰ দুৰ্ঘটনা হৈছে, য'ত এতিয়ালৈকে পোন্ধৰজন মান মানুহ তেনেকে গুৰুতৰভাৱে আহত হৈ ঘৰত আছে, সেই ব্যক্তিসকলৰ এতিয়া চৌকা জ্বলা নাই বুলি ক'লেও ভুল নহ'ব। এতিয়া চৰকাৰে চি এম ৰিলিফ ফান্দৰ পৰা হওঁক, চাপ্লিমেণ্টৰী বাজেটৰ পৰা হওঁক, বৰ্তমান বাজেটৰ পৰা হওঁক সুকীয়াকে পুঁজি এটা লোৱাৰ ব্যৱস্থা গ্ৰহণ কৰিব নেকি আৰু এই হাতিখিৰা চাহবাগিচাৰ লোক সকলৰ যিসকলে বনাচ নাপালে, দুৰ্গাপূজাত তেওঁলোকে দৰমহা নাপালে। আজি ১৫৬ দিন হাজিৰা পোৱা নাই। তেনেকুৱাভাৱে কিবা এটা তৎক্ষণাত চৰকাৰে পদক্ষেপ লব নেকি আজি আমাক জনাব লাগে।

**মাননীয় অধ্যক্ষ ঃ** এইটো ভাল প্ৰশ্ন।

**শ্ৰী সঞ্জয় কিষান, ৰাজ্যিক (স্বতন্ত্ৰ) মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, বিধায়ক কুৰ্মী ডাঙৰীয়াই যিটো কৈছে আমি ধাৰাবাহিকভাৱে ইতিমধ্যে মই জনাইছো যে কেইবালানিও আলোচনা আচলতে শ্ৰমিক, ট্ৰেড ইউনিয়ন আৰু মালিক পক্ষৰ লগত আলোচনাহে প্ৰথম পৰ্য্যায়ত কৰা হয় আৰু যদি আলোচনা বিলাকত দুয়োটা পক্ষৰ এটা মীমাংসৰ জৰিয়তে ইয়াক সামাধান কৰিবৰ কাৰণে আগবাঢ়ি নাহে, তেওঁলোকৰ নিজৰ দাবীৰ প্ৰতি যদি ইজনে সিজনৰ আকোৰগুজ হৈ থাকে, তেতিয়াহ'লে কোনো ধৰণৰ ব্যৱস্থা কৰিব পৰা নাযায় আৰু শেহতীয়াকৈ এইটো কোৰ্টত যাব লগা কেচটো। গতিকে আমি তথাপিও আজি তাত নটিচ দিছো। আজি Assistant Labour Commissioner য়ে উক্ত চা হবাগিচাখনলৈ গৈছে আৰু আজি এটা সিদ্ধান্ত গ্ৰহণ কৰা হৈছে যে অহা দহ তাৰিখে এখন সভা মীমাংসা কৰাৰ কাৰণে আকৌ আমি পুনৰ ঠিক কৰিছো আৰু আশা কৰিছো যে, উক্ত মীমাংসাৰ দিনাখন কিবা এটা উত্তৰ ওলাই আহিব আৰু যিখিনি কুৰ্মী ডাঙৰীয়াই কৈছে যে শ্ৰমিক সকলৰ তাত মৃত্যু হৈছে বা অন্যান্য যিখিনি ক্ষতি হৈছে এই বিষয়ে নিশ্চয় আমি অধ্যয়ন কৰি যিখিনি শ্ৰমিক সকলৰ কাৰণে কৰিব পৰা আমাৰ নীতি-নিয়ম আছে তাৰ মাজতে আমি কৰিবলৈ নিশ্চয় চেষ্টা কৰিম। ইতিমধ্যে মই কৈছো যে, আপোনালোকে যিহেতু আপোনালোকে জানে মই নতুনকৈ দায়িত্ব পাইছো। আগতেও মই তেওঁলোকৰ জিলালৈ গৈছো গোৱালা ডাঙৰীয়াৰ লগত। মই এইবিষয়ে বহুত চাহ বাগিচাৰ বিষয়ে কথা পাতিছো আৰু পুনৰ মই গোৱালা ডাঙৰীয়াৰ লগত গৈ নিজেই গোটেই বিষয়টো জানি আচলতে আমি কি কৰিব পৰা যায়, আমাৰ চৰকাৰৰ তৰফৰ পৰা সেইখিনি মই প্ৰতিশ্ৰুতি দিছো যে, এইখিনি বুজি কৰিবলৈ চেষ্টা কৰিম।

**মাননীয় অধ্যক্ষ ঃ** আপোনালেকে point of order টো আনিব পাৰিব। শেষত এতিয়া শ্ৰী প্ৰদীপ হাজৰিকা। Serious কথা পাতি আছো। এইটো নহব। মই চাম। এটা ভাল initiative ল'ব খুজিছো। এটা ভাল initiative হ'ব। This is Question Hour. (সদনত গণ্ডগোল) please sit down. মই আছো, I will look into it. Don't go for argument. If you argue I have no option. please sit down. এইটো বহুত Serious question

৩সকলো কথাৰ উত্তৰ সদনত নহয়। দৰকাৰ হ'লে মই এখন কমিটি কৰিম।

**শ্ৰী প্ৰদীপ হাজৰিকা, আমগুৰি ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই ভাৱো যে, এইটো এটা criminal offence হৈছিল। কিয়নো lock out the garden এই হাতীখিৰা চাহ বাগিচাখন lock out কৰিছে বুলি কৈছে। Lock out কৰা মানে জেলত থকা মানুহখিনিক কবলৈ দিয়ে চৰকাৰে। এইবিলাক হাজিৰা কৰা মানুহ। হাজিৰা নাপালে তেওঁলোকে দ্বিতীয়দিনা খাবলৈ নাপায়। এতিয়া এনে স্থলত এখন চাব বাগিচাৰ হাজাৰজন মানুহ ল'ৰা-ছোৱালীক ধৰি তাত হয়তো দুই তিনি হাজাৰতকৈ বেছি মানুহ হ'ব permanent labour, temporary labour আৰু তাৰ বাহিৰে তেওঁলোকৰ ল'ৰা-ছোৱালী ধৰিলে , পঢ়া-শুনা ল'ৰা-ছোৱালীৰ পৰা আদি কৰি গোটেই মানুহ বিলাকৰ কি এটা অৱস্থা হৈছে। মই ভাবো যে, কৰি Government should come forward.আমাৰ যিহেতু Welfare Department আছে আমি স্কুলত খাবলৈ যেতিয়া ল'ৰা-ছোৱালীক দিব পাৰো তেতিয়া মই ভাবো যেতিয়ালৈকে sattlement নহয় তেতিয়ালৈকে সেই মানুহখিনিক খোৱাব লাগিব। কাৰণ এইমানুহখিনিৰ কাইলৈ বেমাৰ আজাৰ হৈ মৰিব। This is a very big problem for the entire State.

**মাননীয় অধ্যক্ষ ঃ** - ঠিক আছে, I am taking your point. মই seriously লৈছো। I will take certain steps. Next Question. Question No. 42. শ্ৰী ৰমাকান্ত দেউৰী

**শ্ৰীকেশৱ মহন্ত, মন্ত্ৰী ঃ** উত্তৰ সদনৰ মেজত দিয়া আছে।

**শ্ৰীৰমাকান্ত দেউৰী, সদস্য ঃ** মাননীয় অধ্যক্ষ মহোদয়, জলসম্পদ বিভাগটোৰ অসমত এটা অগ্নিগৰ্ভা বিভাগ আৰু অগ্নিগৰ্ভা সমস্যা । ৰাইজে যুগ যুগ ধৰি এই সমস্যাৰ পৰা নিবাৰণ কৰাৰ চেষ্টা কৰি আহিছে। পূৰ্ব্বৰ চৰকাৰৰ দিনত বহু মানুহৰ ঘৰ জাহ গ'ল ব্ৰহ্মপুত্ৰৰ বুকুত আৰু এতিয়াও বহুত মানুহ মঠাউৰিত থাকিবলগীয়া হৈছে। গতিকে এনে এটা সময়ত এই সমস্যাটো এটা গুৰুত্বপূৰ্ণ সমস্যা। বিভিন্ন সমস্যা থাকিলেও এই ব্ৰহ্মপুত্ৰ নদীৰ গড়াখহনীয়া, কলং নদীৰ গড়াখহনীয়া ৰোধ কৰিবৰ কাৰণে স্থায়ী সিদ্ধান্ত ল'ব লাগিব। এই সিদ্ধান্তৰ কাৰণে যোৱা কংগ্ৰেছ চৰকাৰৰ দিনত যিমানবোৰ মঠাউৰি নিৰ্মাণ হ'ল, এক খিৰতী গাইত পৰিণত হ'ল। এই খিৰতী গাই হ'ল মৰিগাওঁ জিলা। খিৰতী গাই বুলি এটা আঁচনি নামাকৰণ হৈছে। প্ৰতিবছৰে বানপানীৰ ফলত খিৰতী গাইত পৰিণত হৈছে। গতিকে বৰ্তমান মাননীয় মন্ত্ৰী মহোদয়ে তেখেতৰ পদক্ষেপৰ জৰিয়তে যথেষ্ট বান্ধ নিৰ্মাণ কৰিবলৈ সক্ষম হৈছে, আৰু আমাৰ মাননীয় মুখ্য মন্ত্ৰী মহোদযে কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ পাছত প্ৰথমবাৰ সেই ব্ৰহ্মপুত্ৰৰ মঠাউৰিত পদাৰ্পণ কৰিলে। ই এটা ভাল পদক্ষেপ। আমাৰ অসমৰ ৰাইজৰ লগতে মৰিগাওঁ সমষ্টিৰ ৰাইজ যেতিয়া মঠাউৰীৰ ওপৰত আছিল, তেতিয়া আমাৰ মাননীয় মুখ্যমন্ত্ৰী সৰ্ব্বানন্দ সোনোৱাল ডাঙৰীয়াই তিনিবাৰকৈ তাত পদাৰ্পণ কৰিলে, আৰু লগতে তাৰ উন্নয়নৰ ক্ষেত্ৰত পদক্ষেপ গ্ৰহণ কৰিছে। গতিকে এইখন চৰকাৰে যেনে ধৰণে পদক্ষেপ গ্ৰহণ কৰিছে, সেইটো মই ভাল পাইছো। কিন্তু এতিয়া যিখিনি বাকী আছে, বছৰে বছৰে এই মানুহখিনিয়ে বানপানীৰ কবলত হাঁহাকাৰ হ'ব লগীয়া হৈছে। গতিকে আশা ৰাখিছো বৰ্তমান মন্ত্ৰীয়ে ইয়াত সোনকালে পদক্ষেপ গ্ৰহণ কৰিব। কাৰণ বাৰিষা কালটো তাত বহাগৰ পৰাই আৰম্ভ হৈ যায়, এতিয়া মাত্ৰ দুমাহ বাকী আছে। এই দুমাহৰ ভিতৰত যদি মঠাৰ্উৰিৰ নিৰ্মাণ কৰা নাযায়, পানী অহাৰ লগে লগে যদি মঠাউৰিৰ কাম আৰম্ভ কৰা যায়, তেতিয়া হ'লে নিৰ্মাণ কৰাতকৈ নকৰাই ভাল। আজি আমাৰ মন্ত্ৰী ডাঙৰীয়া উপস্থিত আছে। বৰ্তমানৰ মন্ত্ৰী পিযুষ হাজৰিকাই তেখেতৰ

তত্বাৱধানত ৯ কিঃমিঃ মঠাউৰি নিৰ্মাণ কৰিবলৈ সক্ষম হৈছে, আৰু যিখিনি বাকী আছে সেইখিনি সোনকালে কৰিবৰ কাৰণে মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক আহ্বান জনাইছো। নহলে বহাগ মাহত বাৰিষা আৰম্ভ হ'ব সেয়েহে তাত কাম কৰিব নোৱাৰিব, আৰু এটা কথা, এই কলংনদীত মোৰাণকাতা গাঁৱৰ প্ৰায় ২২ ঘৰ মানুহ বানত জাহ গৈছে। বৰবাৰী কিচামত ডেৰ কিঃমিঃ গড়কাপ্তানি পথ বানপানীত জাহ গৈছে. হাতিখোলোং কিচামত যোৰগাওঁ বৃহৎ ক্ষতিগ্ৰস্থ হৈছে। গোনামৰাত বাকৰি-চাপৰি কিচামত ২ কিঃমিঃ নদীত জাহ গৈছে ১৩ ঘৰ মানুহ গৃহহীন হৈ আছে। ডমাল তেলাহী কিচামত খতিগ্ৰস্থ হৈছে। শৌলমাৰী কিচামত খৰা শিমলুতল ক্ষতিগ্ৰস্ত হৈছে। এই বৃহৎ ক্ষতিগ্ৰস্ত অঞ্চলৰ বিষয়ে মই মাননীয় অধ্যক্ষ মহোদয়ৰ জৰিয়তে মন্ত্ৰী মহোদয়ক আহ্বান জনাইছো যাতে সোনকালে এইটো সমাধান কৰি দিয়ে।

**মাননীয় অধ্যক্ষ** ঃ- ধন্যবাদ।

**শ্ৰী কেশৱ মহন্ত, মন্ত্ৰী** ঃ- মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় সদস্য দেউৰী ডাঙৰীয়াই মৰিগাঁৱৰ গোটেই জিলাখনৰেই পৰিস্থিতিত গৈছিল, জিলাখনৰ গোটেই পৰিস্থিতিৰ ভিতৰত তাত কেইবাখনো নদীয়ে পায়, ব্ৰহ্মপুত্ৰৰ লগতে কপিলী কলং আটাইকেইখনে তাক আৱৰি ধৰিছে। কপিলী কলং গৈ আকৌ ব্ৰহ্মপুত্ৰতে পৰিছে। বিশেষকৈ আমাৰ লাহৰিঘাট সমষ্টিৰ সন্মানীয় বিধায়ক আছে, আৰু জাগীৰোড এই দুয়োটা সমষ্টিত গড়াখহনীয়াৰ প্ৰকোপটো আটাইতকৈ বেছি, আৰু বেছিকৈ লাহৰি ঘাটত। এই গোটেই কথাখিনি তেখেতে কৈ গৈছে। আমাৰ মাননীয় মুখ্য মন্ত্ৰী এবাৰ নহয় কেইবাবাৰো এই মঠাউৰিৰ ওপৰত ঠিয় হৈছে। আমিও খুব সঘনাই গৈছো। যোৱা বছৰৰ আগৰ বছৰ তাত বান পানীত ৯ জন মানুহ ঢুকাইছিল, আৰু তাত আমি কেইবামাহো ৰিলিফ দি আছিলো। মৰিগাওঁৰ নিচিনা জিলাত ডি চি অফিচৰ পৰা এটকাও ৰিলিফ দিব লগা হোৱা নাই। মৰিগাঁৱৰ যিটো বানৰ ভয়াবহতাৰ কথা কৈছে, ৰেভিনিউ মিনিষ্টাৰ আছে তেওঁলোকে ক'ব পাৰিব। মৰিগাওঁ জিলাৰ ডি চি অফিচৰ পৰা সেই বছৰটোত এটকাও ৰিলিফ বানপানীত আক্ৰান্ত সেই অঞ্চলটোলৈ দিব লগা ন'হল। কিন্তু যোৱা বছৰ আকৌ আমি কিছু পৰিস্থিতিৰ মুখামুখি হলো। এই মুখামুখি হোৱাৰ মুল কাৰণটো হ'ল গড়াখহনীয়া। গড়াখহনীয়া য'ত হৈছে সেই গড়াখহনীয়া হোৱা ঠাইবোৰ পূৰ্বতে নদীৰ ভিতৰত আছিল। তাত যদি মাটিৰ গুনাগুণ ছোৱা হয় তাত গোটেইখিনি বালি, তাত কোনো মাটি নাই। তাত খহাবলৈ ব্ৰহ্মপুত্ৰ নদীৰ কোনো অসুবিধা নহয়। এই যিটো বালি তাত গড়াখহনীয়া ৰোধ কৰাটো ইমান সহজ হৈ থকা নাই। গড়াখহনীয়া আহি আহি মঠাউৰিটো ভাঙে, পানী ভৰ্ত্তি হৈ ভাঙি নিদিয়ে। গতিকে গড়াখহনীয়াই মঠাউৰী খহাই লৈ গৈ আছে। আৰু আপোনালোকে জানে যোৱা বছৰৰ আগৰ বছৰ আমি ডেৰ মাহত ৬.৫০ কিঃ মিঃ মাঠাউৰি বনোৱাৰ কাৰণে তাত বানপানী হোৱা নাছিল। এইখিনি কথা যেতিয়া আমি মুখ্যমন্ত্ৰী ডাঙৰীয়া গৈছে, মই গৈছো দেউৰী ডাঙৰীয়া প্ৰত্যেকবাৰতে আছে, আৰু তেখেতে গোটেইখিনিত সহযোগ কৰিছে। লগতে পিযুষ হাজৰিকা ডাঙৰীয়া আৰু ড° নজৰুল ইছলাম ডাঙৰীয়া আটাইখিনিয়ে তাত সহযোগিতা আগবঢ়াইছে। কিয় আগবঢ়াইছে, কাৰণ তাত স্থানীয় মানুহৰ কাম কৰাত সম্পুৰ্ণ সহযোগ কৰিছে। আপোনালোকে গম পাই, মৰিগাঁৱত সদায় এটা বেলেগ এজেঞ্চি থাকে যিয়ে মঠাউৰিৰ কাম এটা নিজে নিজে কৰে। কিন্তু আজি ২-৩ বছৰ বিধায়ক কেইজনৰ সহযোগ আছে, ৰাইজৰ সহযোগ আছে কাৰণে জলসম্পদ বিভাগে তাত ভালকৈ কাম কৰিব পাৰিছে, আৰু ভালকৈ কাম কৰাৰ ফলত এইখিনি আমি ফল পাইছো। লগতে তেখেতৰ ক্ষেত্ৰত মই এইটো কথা কৈ দিব বিচাৰিছো যে আমি এইখিনি দিনৰ ভিতৰত নাবাৰ্ডৰ প্ৰায় ২০ কোটি ৫০ লাখৰ এখন আঁচনি কৰিছো, এচ ও

পি ডি ৰ পৰা ১৭ কোটি ৭৩ লাখৰ আমি কাম কৰিছো। এচ ডি আৰ এফ ৰ পৰা মুঠ ৮৮ কোটি ৩১ লাখৰ কাম কৰা হৈছে, আৰু এচ ও পি ডি এফ ডি আৰ ৰ পৰা ১২ কোটি ৩৪ লাখ ৮৬ হাজাৰ টকাৰ কাম আমি দিম। এই কামখিনিৰ কথা তেখেতে কৈছে এই কামখিনি আমি খুব সোনকালে সমাপন কৰিম।

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে।

**শ্ৰী ৰমাকান্ত দেউৰী, সদস্য** ঃ- মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মন্ত্ৰীক এটা কথা অনুৰোধ কৰিব বিচাৰিছো, যি সকল ঠিকাদাৰৰ নাম দিলে, ১৬২৩ জন। তাত ১৬২৩ জন ঠিকাদাৰে কাম নকৰে। তাত কেইজনমান ঠিকাদাৰৰ নাম, কিন্তু তাত যিবিলাক প্ৰকৃত ঠিকাদাৰ তেওঁলোকে কামটো নকৰে, তেওঁলোকে কামটো লয়। তাত সৰু সৰু ঠিকাদাৰে কাম কৰে। এই ডাঙৰ ডাঙৰ ঠিকাদাৰে ঠাই দেখা নাপায়। তেওঁলোকে নাজানে ঠাইবোৰ ক'ত আছে। তেওঁলোকে গুৱাহাটীত বহি থাকে। গতিকে এই ঠিকাদাৰ সকলৰ কাৰণে এটা নীতি নিৰ্দ্ধাৰণ কৰি দিব লাগে যাতে তেওঁলোকে ফিল্ডত গৈ কাম কৰিব লাগে। তাত স্থানীয় ঠিকাদাৰ সকলে কাম কৰে, চাব কন্ট্ৰেকটৰে। কোনটো ৰাস্তা ক'ত যায় কোনটো মঠাউৰী ক'ত আছে সেইটো আচলতে এই ঠিকাদাৰ সকলে চিনি নাপায়। এইটো আপুনি ভালদৰে নিৰীক্ষণ কৰিবৰ কাৰণে মই আপোনাক অনুৰোধ জনাইছো।

**শ্ৰীকেশৱ মহন্ত, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই কথাটোৰ ব্যাখ্যাটো মই নিদিলে সদনত অকনমান ভুল বাৰ্তা যাব। এইটো হৈছে এফ এম টি ৰ কাম। আগৰ চৰকাৰৰ দিনত কামটো দিয়া হৈছিল। নগাওঁৰ পৰা তালৈকে মথাউৰিৰ প্ৰাক্কলন আছিল ১১০ কোটি টকা। এই ১১০ কোটি টকাৰ মৰিগাওঁৰ অংশটো হৈছে ৭১কোটি ৭৯ লাখ টকা। এই কামটোত আগৰ চৰকাৰে ১৬২৩ জন ঠিকাদাৰক এটা মথাউৰিৰ কাম আবণ্টন দিছিল। যাৰ কাৰণে আমি এতিয়া কেন্দ্ৰীয় চৰকাৰৰ এফ এম টি ৰ টকা উলিয়াই অনাত আমাৰ হাৰাশাস্তি হৈছে। তাত কামবিলাক আধৰুৱা হৈ আছে, কিন্তু আমি এতিয়া সেই ঠিকাদাৰ কেইজনক বিচাৰি পোৱা নাই। আমি তাত ষ্টেট শ্বেয়াৰ দিছো কিন্তু চেণ্ট্ৰেল শ্বেয়াৰ আনিবলৈ আমি চেষ্টা কৰিও পৰা নাই। তাৰপৰা আমি মাত্ৰ অলপ পইচা মোকলাই দিব পৰা হৈছো আৰু বাকীখিনি পইচা মোকলাই দিবৰ বাবে যিখিনি প্ৰক্ৰিয়া সেইখিনি কৰাত অসুবিধা হৈছে। আজি আমাৰ চৰকাৰৰ চাৰে তিনি বছৰত আমি প্ৰায় আঢ়ৈ হাজাৰ কোটি টকাৰ কাম কৰিও এই ১৬২৩ অংকটো চুব পৰা নাই। কিন্তু কেৱল ৭১ কোটি টকাত ১৬২৩ জন ঠিকাদাৰক কাম দিছিল তাৰ কাৰণে আমি কামটো সম্পূৰ্ণ কৰিব পৰা নাই।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া ডাঃ নজৰুল ইছলাম।

**ডাঃ নজৰুল ইছলাম ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে, মন্ত্ৰী মহোদয় আপুনি লাহৰীঘাটৰ গড়াখহনীয়া চাবলৈ কেইবাবাৰো গৈছে। লাহৰীঘাটৰ ব্ৰহ্মপুত্ৰৰ যিটো প্ৰৱল গড়াখহনীয়া, এতিয়া ড্ৰাই চিজন তথাপিও গড়াখহনীয়া হৈ আছে। গতিকে এই গড়াখহনীয়া প্ৰতিৰোধ কৰাৰ কাৰণে আপুনি যদি স্থায়ী ব্যৱস্থা নলয় তেতিয়াহ'লে মথাউৰি বান্ধি লাভ নাই। এই চৰকাৰৰ পৰা এইটো তৃতীয় নং মথাউৰি হ'ব। মথাউৰি দিছে ব্ৰহ্মপুত্ৰৰ খহনীয়া আহি মথাউৰি ভাঙি লৈ গৈছে। এইবাৰো মথাউৰি বান্ধি আছে। কিন্তু মথাউৰি বান্ধি লাভ কি যদি গড়াখহনীয়া প্ৰতিৰোধ কৰিব নোৱাৰি। গতিকে আপোনাৰ জৰিয়তে মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিচাৰিছো যাতে এই গড়াখহনীয়াৰ স্থায়ী সমাধানৰ ব্যৱস্থা লয়।

**শ্ৰীকেশৱ মহন্ত, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত আমি ব্যৱস্থা গ্ৰহণ কৰি আমি কিছু বিস্তৃত আঁচনি ল'বলৈ ঠিক কৰিছো। আমি এ ডি বি ৰ পৰা যিখিনি কাম কৰো, এ ডি বি ৰ এতিয়া

ট্ৰেন্স ওৱান হৈছে তাৰপিছত ট্ৰেন্স টু, ট্ৰেন্স থ্ৰি। ট্ৰেন্স থি ত মৰিগাওঁৰ ক্ষেত্ৰত এইখিনি প্ৰপোজেল, প্ৰস্তাৱ আছে। তাত গড়াখহনীয়া বাৰিষা হয় বুলি নহয় তাত ১২ মাহেই গড়াখহনীয়া হয়। কাৰণ যিখিনিত গড়াখহনীয়া হৈ আছে সেইখিনিত ব্ৰহ্মপুত্ৰৰ বালি। তাৰমানে আগতে তাত ব্ৰহ্মপুত্ৰ আছিল, এতিয়া আঁতৰি গৈছিল আকৌ আহি আছে। যিটো নদীৰ বৈশিষ্ট, বৈশিষ্টটো তেনেকুৱা। সেইকাৰণে আমি এখন বৃহৎ আঁচনিৰ কাৰণে প্ৰস্তাৱ আমি দিছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া শ্ৰী ৰূপক শৰ্মা।

**শ্ৰী ৰূপক শৰ্মা ঃ** মাননীয় অধ্যক্ষ মহোদয়, কলং নদী হৈছে বৃহত্তৰ নগাওঁৰ হূদপিণ্ড স্বৰূপ। নগাওঁ চহৰৰ হাতীমৰা ফালৰ পৰা আৰম্ভ কৰি যি নগাওঁৰ মাজেদি বৈ যোৱা এই কলং নদী খনৰ ওপৰতে নিৰ্ভৰ কৰি বিভিন্ন সাহিত্য-সংস্কৃতি গঢ় লৈ উঠিছিল। দেৱকান্ত বৰুৱাৰ পৰা আৰম্ভ কৰি মহিম বৰা লৈকে ইয়াত সাহিত্য চৰ্চ্চা হৈছিল। কিন্তু বৰ্তমান এই কলং নদীখন মৰাসুঁতিলৈ পৰিণত হৈছে। ইয়াৰ বাবে যোৱা সময়চোৱাত চৰকাৰৰ ফালৰ পৰা পদক্ষেপ লোৱা হৈছিল, বিশেষ এক সমিতি গঠন কৰি দিয়া হৈছিল, দহ কোটি টকা অনুমোদন দিয়া হৈছিল। কিন্তু বৰ্তমানো এই কলং খন বোৱাই নিবৰ কাৰণে কি প্ৰচেষ্টা হাতত লৈছে আমি গম পোৱা নাই। গতিকে মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ জনাব বিচাৰিছো যে যিহেতু বিভিন্ন ব্যক্তি, অনুষ্ঠান-প্ৰতিষ্ঠানে এই কলং খন আকৌ বোৱতি হোৱাটো বিচাৰিছে গতিকে এই ক্ষেত্ৰত কিবা পদক্ষেপ গ্ৰহণ কৰিছে নেকি?

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰীকেশৱ মহন্ত, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, নগাওঁ সমষ্টিৰ সন্মানীয় বিধায়ক শ্ৰা ৰূপক শৰ্মা ডাঙৰীয়াই কলঙৰ দুইপাৰে যিহেতু তেখেতৰ সমষ্টি সেয়ে তেওঁ এই কথা উপলব্ধি কৰিছে। কলং নদীৰ ক্ষেত্ৰত আপোনালোকে ভালকৈয়ে জানে যে এই পবিত্ৰ বিধান সভাত আমি ইয়াৰ আগতেও কৈছিলো। জলসম্পদ বিভাগৰ প্ৰতিটো বিভাগক প্ৰথম চৰকাৰ গঠন হওঁতেই একোটাকৈ চিগনেছাৰ প্ৰজেক্ট ল'বলৈ দিছিল। জলসম্পদ বিভাগে কলং খনক এটা চিগনেছাৰ প্ৰজেক্ট হিচাপে লৈ ইয়াৰ ওপৰত দীৰ্ঘদিনীয়া অধ্যয়ণ, আলোচনা, চেমিনাৰ আৰু শেহতীয়াকৈ ৱৰ্ক কস্তৰ কেন্দ্ৰীয় চৰকাৰৰ যিটো পি ইউ চি, তেওঁলোকক আমাৰ চৰকাৰৰ তৰফৰ পৰা ইয়াৰ এখন ডি পি আৰ তৈয়াৰ কৰিবলৈ দিয়া হ'ল। ইতিমধ্যে তেওঁলোকে ডি পি আৰ দিছে আৰু ডি পি আৰ দিয়াৰ পিছত ১৩৫ কোটি ৪০ লাখ টকাৰ ডি পি আৰ খন আমি ইতিমধ্যে বিভাগে গ্ৰহণ কৰিছো আৰু পৰ্য্যায়ক্ৰমে তাক আৰম্ভ কৰিবলৈ গৈছো। এই ক্ষেত্ৰত প্ৰথমতে তাত যিখন চুইচ হ'ব তাৰ বাবে ইতিমধ্যে প্ৰশাসনিক অনুমোদনৰ কাৰণে আমি বিত্ত বিভাগলৈ প্ৰেৰণ কৰিছো। গতিকে বিত্ত বিভাগৰ অনুমোদন পালে আমি টেণ্ডাৰ কৰিম আৰু টেণ্ডাৰ কৰিলে তাৰ লগত আনুসংগিক কাম যেনে- খন্দা, কৃত্ৰিম ভাৱে পানী অনা ইৰিগেশ্যনৰ barrage খন আমি উন্নত কৰিবলৈ দিছো। গতিকে এনেধৰণেৰে আমাৰ কলং পৰীয়া ৰাইজে কিজানি মধ্য অসমৰ সু-খবৰ অহা ১ বছৰৰ ভিতৰত পাব বুলি আশা কৰিছো যে কলং পুনৰ নিয়ন্ত্ৰিত ভাৱে প্ৰৱাহিত হ'ব।

**মাননীয় অধ্যক্ষ ঃ** শ্ৰী আমিনুল ইছলাম।

**শ্ৰী আমিনুল ইছলাম ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই প্ৰশ্নৰ উত্তৰত মোৰ সমষ্টিৰো এটা অংশ আছে য'ত ৪ কোটি টকাৰ প্ৰজেক্টৰ কাম হোৱা দেখুৱাইছে। যেতিয়া এচ ডি আৰ এফ ৰ কাম বিলাক কৰা হয় তেতিয়া সমস্যাটো হয় যে জলসম্পদ বিভাগে য'ত গড়াখহনীয়া হৈ আছে, যদি টাইট মেৰামতি হয়, সেই কাম বিলাকৰ বাবে তেওঁলোকে যিটো ডি পি আৰ বনাই সেই বিষয়ে

আমি বিধায়ক সকলে গম নাপাওঁ। ৰাইজে যেতিয়া কয় যে গড়াখহনীয়া হৈছে তেতিয়া আমি মাজে মাজে
গৈ চাওঁ। যেতিয়া গম পাওঁ যে তাত বিভাগে স্কীম এটা ইম্পলিমেণ্ট কৰিছে আৰু যেতিয়া খৱৰ লওঁ তেতিয়া কয় যে কাম কৰিছিলো কিন্তু নদীয়ে খহাই লৈ গ'ল। লৈ গ'ল বুলি ক'লে আঁচলতে কি কাম কৰিছিলে বা নকৰিছিলে একো গম পোৱা নাযায়। গতিকে এই ক্ষেত্ৰত মই এটা অনুৰোধ জনাম যাতে এই এচ ডি আৰ এফ ৰ বা গড়াখহনীয়াৰ যিবিলাক আঁচনি ধৰা হয় সেই ক্ষেত্ৰত যদি ইঞ্জিনিয়াৰ বিলাকক কোৱা হয় যে যাতে স্থানীয় বিধায়কৰ ৰিক'মেণ্ডেশ্যন লৈ কামটো কিমান টকাৰ হ'ব, কোনখিনিত ধৰিব লাগিব আমি জানি থোৱাটো ভাল। নহ'লে নদীয়ে উটাই লৈ গ'ল বুলি ক'লে যদি ৰাইজক সোধো তেওঁলোকে কয় যে একো কাম হোৱা নাই, বিভাগে কয় কাম কৰিছিলো নদীয়ে উটাই লৈ গ'ল। সেয়ে এই ক্ষেত্ৰত এটা অসুবিধাৰ সৃষ্টি হয়। যেনেদৰে গড়কাপ্তানী বিভাগে বিধায়কৰ পৰা ৰিক'মেণ্ডেশ্যন লয় যে ক'ত ৰাস্তাটো ধৰিব লাগিব ইত্যাদি। যোৱা বছৰ মথাউৰিটোৰ এই অংশৰ ওপৰেদি পানী বৈ যোৱা আৰম্ভ কৰিছিলে। ৰাইজে ফোন কৰোতে মই নিজে গৈ ৰাতি ১১ বজালৈকে থাকি বস্তা জাপি দি যেনেতেনে ৰখাবলৈ চেষ্টা কৰিছিলো নহ'লে মৰিগাওঁ চহৰলৈকে পানী গ'ল হেঁতেনে। কিন্তু এতিয়াও মথাউৰিৰ সেই অংশটো ওখ কৰা হোৱা নাই। আকৌ যদি মথাউৰিটোৰ সেই অংশই দি পানী বাগৰে তেন্তে কিন্তু মথাউৰিটো আৰু ৰক্ষা কৰিব পৰা নাযাব। এই ক্ষেত্ৰত মন্ত্ৰী মহোদয়ে পদক্ষেপ ললে ভাল হয়।

**শ্ৰীকেশৱ মহন্ত, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় সদস্য শ্ৰী ইছলাম ডাঙৰীয়াই যিটো কথা কৈছে, এই কথাটো আমাৰ বিধায়কৰ ক্ষেত্ৰত প্ৰথম বিধান সভাত যেতিয়া দায়িত্ব লৈছিলো তেতিয়াই কোৱা হৈছিলে যে প্ৰত্যেকজন ইঞ্জিনিয়াৰে বিধায়কৰ ওচৰলৈ গৈ একেলগে এই আঁচনিখন ঠিক কৰিব। ইঞ্জিনিয়াৰক বিধায়কে বিচাৰিব লগীয়া হোৱা নাই, ইঞ্জিনিয়াৰে এবাৰ-দুবাৰ নহয় কাৰোবাৰ ওচৰত চাৰিবাৰকৈ গৈ হ'লেও তেওঁক জড়িত কৰি কামখিনি কৰা আৰম্ভ কৰিছে। যিসকল বিধায়কে গোটেই কথাখিনিত জড়িত হৈছে . যিসকল বিধায়কে গোটেই কথাটো involve হৈছে, তেখেতসকলে সকলো কথা জানে। এতিয়া আমাৰ বিভাগত কোনো ঠিকাদাৰৰ মতে আঁচনি নাহে, বিধায়কৰ মতে আঁচনি আহে। বিধয়াক গৰাকীয়ে যি recommend কৰে যিখিনি দিবলৈ দিয়ে , সেইমতে হৈ আছে। গতিকে তেখেতে সহযোগ কৰিলে তেখেতৰ তাতে সেইধৰনে কাম হ'ব ।

**মাননীয় অধ্যক্ষ ঃ** অতুল বৰা ডাঙৰীয়া।

**শ্ৰীঅতুল বৰা ঃ** অধ্যক্ষ মহোদয়, কলং নদীখনৰ দক্ষিন পাৰে দিশপুৰ সমষ্টি ডিমৰীয়া আৰু চন্দ্ৰপুৰ সেই কাৰনে মই ক'ব খুজিছো- হাতিমুৰাত যে ব্লক কৰি থোৱা হৈছে সেইটো বোঁৱতী নদী হিচাবেহে ৰাখিব লাগে। মন্ত্ৰী ডাঙৰীয়াই কৈছে- কাৰন কিছুদুৰলৈকে ননৈ- মিছামৰা নদীৰ পানীখিনি নহ'লে কলং নদীখন সেইফালে শুকাই গ'লহেতেঁন। এতিয়া মোৰ কথাটো হৈছে কপিলী, কলং, কিলিং, দিগাৰু নদী কলং নদীতে পৰিছে। এই নদীবিলাকে কলং নদীক জীয়াই ৰাখিছে। ব্ৰহ্মপুত্ৰৰ পানী এটাসময়ত আহি আছিল সেইটো হাতীমুৰাত বন্ধ কৰি দিয়া হৈছে শ্লুইচ গেট বনাই। সেইটো খুলি দিব লাগে। নিয়ন্ত্ৰিতভাবে পানী যোৱাৰ ব্যৱস্থা কৰিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ...... । মন্ত্ৰী ডাঙৰীয়া কওঁক

**শ্ৰীকেশৱ মহন্ত, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, যিটো পৰামৰ্শ দিছে, এইটো গ্ৰহণযোগ্য । কলং নদীৰ মুখখন আৰিকাটিমুখত আগতে আৰিকাটি আছিল এতিয়া হাতীমুৰা- তাত নিয়ন্ত্ৰিতভাবে

পানী প্ৰবাহিত কৰাৰ বাবে পৰিকল্পনা কৰা হৈছে।

**माननीय অধ্যক্ষ ঃ** নেক্সট কোৱেশ্চন-৪৩ , ৰমেন্দ্ৰ নাৰায়ণ কলিতা ।

**শ্ৰীসিদ্ধাৰ্থ ভট্টাচাৰ্য্য, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয় উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা ঃ** মাননীয় অধ্যক্ষ মহোদয়, ৰাজধানী সম্প্ৰসাৰণ প্ৰাধিকৰণ আইন। এই আইনখন ২০১৭ চনত হৈছিল। ইতিমধ্যে মাননীয় মন্ত্ৰী মহোদয়ে এইখন কাৰ্য্যকৰী কৰা বুলি কৈছে। বিশেষভাবে এটা কথা হ'ল এই আইণখন ইতিমধ্যে বলবৎ হৈছে । ছাৰ ৰাভা হাছং স্বায়ত্ব পৰিষদ আৰু ৰাভা হাছঙত থকা ৰাজনৈতিক আৰু অৰাজনৈতিক সংগঠনে এই আইনখনৰ পৰা ৰাভা হাছঙৰ এৰিয়া বাতিল কৰাৰ কাৰণে দাবী জনাইছে। বিভিন্ন সময়ত আন্দোলন কৰিছে , এতিয়া আকৌ আন্দোলন কৰাৰ বাবে তেওলোকে সিদ্ধান্ত লৈছে। গতিকে মই আপোনাৰ জৰিয়তে মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাব বিচাৰিছো- যিহেতু ৰাভা জনগোষ্ঠীটোৱে বিচৰা নাই, গতিকে তেওঁলোকৰ ক্ষোভ উপলব্ধি কৰি সেই অঞ্চলবিলাক বাতিল কৰাৰ ব্যৱস্থা কৰিব নেকি ? দ্বিতীয়তে, ২০১৮-১৯ চনত আমাক ৰাস্তাৰ বাবে ২০ কোটি টকা আৰু আন্ত গাঁথনিৰ বাবে ৫ কোটি টকা গুৱাহাটি উন্নয়ণ বিভাগে দিছিল। আন্তঁ গাথনি উন্নয়ণৰ বাবে যিটো ৫ কোটি টকা দিয়া হৈছিল ২০১৮-১৯ চনত ২০১৮-১৯ গ'ল- ২০২০ -২১ যাব , এতিয়াও ছাৰ এটাও টকা re-lease কৰা নাই, অলপতেহে Tender Call কৰিছে। গতিকে সেই টকাবিলাক আজি দুই বছৰে ৰিলিজ নকৰাৰ কাৰণ কি ? কাম আৰম্ভ নকৰাৰ কাৰণ কি ? তৃতীয়তে ছাৰ, গুৱাহাটীত 'জাইকা' আৰু 'গেমনে' পানী যোগান আঁচনি লৈছিল। ইতিমধ্যে মোৰ সমষ্টিত 'গেমন'ৰ দ্বাৰা **২০০৯** চনতে পানী যোগান আঁচনিৰ আধাৰশিলা স্থাপন কৰা হৈছিল। আজি ১০ বছৰ হ'ল কিন্তু আজিও পানী যোগান আঁচনিখন সম্পূৰ্ণ হোৱা নাই। যদিও ৯৫ শতাংশ হৈছে বুলি কৈছে, মই ঢাঠি ক'ব পাৰো যে এতিয়াও ৮৫ শতাংশও কাম হোৱা নাই। বহু ঠাইত পাইপ বহুৱা হ'ল, কিন্তু বহু ঠাইত এতিয়াও পাইপ সংযোগ কৰা নহ'ল। এতিয়া কেইটামান অংশত পানী যোগান দিয়াৰ কথা কৈছে- মোৰ প্ৰশ্নটো হ'ল, - আজি গুৱাহাটীত পাহাৰীয়া এৰিয়াত যিটো পানীৰ হাহাঁকাৰ তাত আগতে পানী যোগানৰ ব্যৱস্থা নকৰি নামনিত দিব বুলি কৈছে। নামনিত এনেও পানী পায়। গতিকে সেই পাহাৰীয়া এৰিয়াত পানী নিদিয়াকৈ গুৱাহাটীৰ দুই এটা অংশত আংশিকভাবেহে পানী দিয়াৰ ব্যৱস্থা লৈছে। কেতিয়া আঁচনিখন সম্পূৰ্ণ হ'ব ?

চতুৰ্থতে , আমাৰ গুৱাহাটীৰ 'দীপৰ বিল'তে ছাৰ Dumping Ground কৰিছে। তাৰ বাবে National Green Tribunal ও কেইবাবাৰো warning দিছে যে এইটো তাৰ পৰা স্থানান্তৰ কৰিব লাগে। তাৰ ওচৰতে ছাৰ আমাৰ ৰাজ্য চৰকাৰে শ্বহীদ ক্ষেত্ৰ আৰু উদ্যান কৰাৰ বাবে চিন্তা কৰিছে। আজি 'দীপৰ বিল' Polluted হৈ গৈছে ছাৰ। গতিকে এই ডাম্পিং গ্ৰাউণ্ডটো এটা Specific Time ত এইটো স্থানান্তৰ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিবনে নাই ? এই ৪টা মন্ত্ৰী মহোদয়ৰ পৰা উত্তৰ বিচাৰিছো ছাৰ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ...... মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিব।

**শ্ৰীসিদ্ধাৰ্থ ভট্টাচাৰ্য্য, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিধায়ক ডাঙৰীয়াই ৪ টা প্ৰশ্ন উত্থাপন কৰিছে। প্ৰথমটো আছিলে ৰাজধানী সম্প্ৰসাৰণ প্ৰাধীকৰণ আইন। এইটো ক্ষেত্ৰত ৰাভ-হাছং স্বায়ত্ব শাসিত অঞ্চলৰ ৰাজনৈতিক দল-সংগঠনে বিচৰা নাই যে তেওলোকে বাস কৰা অঞ্চলটো প্ৰাধীকৰণৰ অধীন হওঁক। এই ক্ষেত্ৰত তেখেতসকলে মাননীয় মুখ্য মন্ত্ৰী ডাঙৰীয়া আৰু মোক লগ কৰি memorandum দিছে। যিহেতু আইন প্ৰনয়ণ কৰা হৈছে গতিকে সেইখন সংশোধন

কৰিব লাগিলে আমি জানো যে আমি amendment আনিব লাগিব। এই সম্পৰ্কে প্ৰক্ৰিয়াটো আৰম্ভ কৰা হৈছে। দ্বিতীয়তে , মাননীয় বিধায়ক ডাঙৰীয়াই যিটো প্ৰশ্ন কৰিছে যে, দক্ষিন-পশ্চিম গুৱাহাটী পানী যোগান প্ৰকল্প যিটো শদিলাপুৰত আছে। এই আঁচনি আজিৰ দিনত ৯৮ শতাংশ সম্পূৰ্ণ হৈছে। ২ শতাংশ বাকী থকা কথাটো হ'ল- যেতিয়া পানী এৰি দিয়া হয় তেতিয়া Hydro Testing হয় গতিকে এই ২ শতাংটো ৰাখি থোৱা হৈছে। কিন্তু মই আজি সদনক জনাব বিচাৰিছো যে, দক্ষিন-পশ্চিম গুৱাহাটী প্ৰকল্প JNURM আঁচনিৰ অৰ্ন্তভুক্ত আঁচনি আছিল। এই আঁচনিত ৩৮৯.৫৩ কোটি টকাৰ কাম সম্পূৰ্ণ হৈছে। আজি সদনক জনাবলৈ পাই সুখী হৈছো যে, লগতে বিধায়ক ডাঙৰীয়াইও জানিবলৈ পাই আনন্দিত হ'ব যে, এই আঁচনিখনৰ জৰিয়তে কামাখ্যা পাহাৰৰ ওপৰত যিটো Water Reservour বনোৱা হৈছে তাৰ দ্বাৰা ভূতনাথৰ পৰা মালিগাওঁ চাৰিআলি যিটো এৰিয়া তেখেতৰ সমষ্টিৰ ভিতৰত পৰে সেই অঞ্চলটোকে ধৰি, কামাখ্যা কলনি, পাণ্ডুৰ নগৰ, কামাখ্যা নগৰ, জয়মতী নগৰ, সমগ্ৰ পাণ্ডু, আদাবাৰী অঞ্চল, আংশিকভাবে জালুকবাৰী অঞ্চল ইত্যাদি অঞ্চলসমূহত আমি পানী উপলব্ধ কৰিবলৈ সক্ষম হ'ম। অনতিপলমে এই আঁচনিখন উদ্বোধন কৰা হ'ব। মই ভাবো যে এই আঁচনিখন উদ্বোধন কৰাৰ লগে লগে এই অঞ্চলৰ ৰাইজৰ যি খেৱা পানীৰ সমস্যা হৈছে সেই সমস্যা সমাধান হ'ব। চতুৰ্থতে তেখেতে যিটো প্ৰশ্ন উত্থাপন কৰিছে এই ক্ষেত্ৰত আমাৰ আটাইতকৈ ডাঙৰ অসুবিধা হৈছে যে বৰাগাওঁত, দীপৰ বিলৰ সমীপত যিখন Dumping Ground সেইখন কিন্তু আমাৰ চৰকাৰে কৰা নাই। বিষয়টোত মই ৰাজনীতি কৰিব বিচৰা নাই। কোনোবা চৰকাৰে কৰক নকৰক কথা নাই। পৰৱৰ্ত্তী সময়ত মই উত্তৰত কৈছোৱেই যে, এই Dumping Ground খন কেইবাখন ঠাইত আঁতৰাই নিবলৈ চেষ্টা কৰিছো। উদাহৰণ স্বৰূপে আমি চন্দ্ৰপুৰ অঞ্চলত দুটা ঠাই চাইছিলো। তাত যিটো পুৰনি থাৰ্মেল পাৱাৰ প্লেন্ট আছে সেইটো এটা প্ৰকল্প যিটোৰ পৰা Waste Energy Plant ৰ মাধ্যমেৰে আমি ব্যৱহাৰ কৰিব পাৰিলোহেঁতেন। এই ঠাইখিনি অব্যৱহৃত হৈ আছে। এইটো জনবসতিৰ অৰ্ন্তভূক্ত ঠাইও নহয় কিন্তু ৰাইজে তাত স্থানান্তৰ কৰাত ভীষণ বিৰোধিতা কৰিছে। তাৰ বাবে হস্তান্তৰ সম্পূৰ্ণ কৰিব পৰা নাই। ওদালবাক্ৰাত আমাক যিখিনি ভূমি দেখুৱাই দিছে সেই ভূমিখিনি একেবাৰে Low Land সেয়ে জাৱৰ নিস্কাষণৰ বাবে উপযোগী নহয়। আগতে যিটো আমাৰ Goat Farm শ্বিলং যোৱা ৰাস্তাত বাওঁফালে পৰে। তাৰ কাষত আমাক মাটি দিয়া হৈছিলে কিন্তু তাকে লৈ মেঘালয়ত গৈ কোনোবা এজনে কোৰ্টত কেচ ফাইল কৰিলে। Stay Order উলিয়াইছে গতিকে সেই কাৰনে আমি সেই মাটিখিনি ইয়াৰ বিকল্প হিচাপে নিৰ্ব্বাচিত কৰিব পৰা নাই। সোনাপুৰৰ যিখিনি মাটি দিয়া হৈছে, যদিও আমাক মাটিখিনি দেখুৱাই দিয়া হৈছে যে এই খিনি মাটিত আপোনালোকে দামপিং গ্ৰাউণ্ড কৰিব পাৰে কিন্তু যিহেতু সেইখিনি পাহাৰৰ ওপৰত হয়, পাহাৰৰ ওপৰত কেতিয়াও দামপিং গ্ৰাউণ্ড হ'ব নোৱাৰে। গতিকে আমাৰ এটা বাস্তৱিক সমস্যা যে আমি আজিৰ দিনত আমি বিচৰা সত্বেও আমি কিন্তু বিকল্প পোৱা নাই। বিকল্প নোপোৱাৰ বাবেহে আমি এইখন স্থানান্তৰ কৰিব পৰা নাই। যিদিনাখন বিকল্প পাম সেইদিনাখনে আমি স্থানান্তৰ কৰিব। তাৰ বাবে প্ৰয়োজনীয় পুঁজিও আমাৰ হাতত আছে। মই বিধায়ক ডাঙৰীয়াক কৈছো যে যেতিয়ালৈ বিকল্পটো আমাৰ হাতত আহি নপৰে তেতিয়ালৈকে আমাৰ হাতত কোনো উপায় নাই। কিয়নো প্ৰত্যেক দিনা প্ৰায় ৫০০ টন গুৱাহাটীত ওৱেষ্ট হয়। তেখেতেও জানে কথাটো যে ইমানখিনি এটা বৃহৎ চলিড ওৱেষ্ট আমাৰ এটা প্ৰত্যেক দিনাখনে জেনেৰেট হয় সেইটো পেলাবলৈ বিকল্প নোপোৱাৰে আমাৰ অসুবিধা হৈ আছে।

**মাননীয় অধ্যক্ষ ঃ** হ'ল, উত্তৰ পালে। ইয়াৰ পিছত প্ৰশান্ত ফুকন।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা ঃ** মাননীয় অধ্যক্ষ মহোদয়।

**মাননীয় অধ্যক্ষ ঃ** চাৰিটাটো কৰিলে। কওঁক।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা ঃ** উত্তৰ কেইটাহে দিলে। কিন্তু তাৰ মাজৰ যিখিনি।

**মাননীয় অধ্যক্ষ ঃ** Supplementary please.

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা ঃ** চাৰ, এতিয়া এই যে দামপিং গ্ৰউণ্ড এই দামপিং গ্ৰউণ্ডটোৱে গোটেই অঞ্চলটো, গোটেই দীপৰ বিল, মই আগতেও কৈছো, আজি তিনি বছৰে কৈয়ে আছো, গোটেই প্ৰদূষিত কৰিছে। National Green Tribunal য়েও ইতিমধ্যে নিৰ্দ্দেশ দিছে। এতিয়া মোৰ কথাটো হ'ল যে যেতিয়াই মাটি পাব তেতিয়াই যাব! এতিয়া কেতিয়া মাটি পাব? তাৰমানে অনিৰ্দিষ্ট কাললৈ এই দামপিং গ্ৰাউণ্ডটো তাৰ পৰা স্থানান্তৰ নহয়! গতিকে মোৰ প্ৰশ্নটো হ'ল মাননীয় অধ্যক্ষ মহোদয়, যে মাননীয় মন্ত্ৰী মহোদয়ে, অৱশ্যে ময়ো তেওঁৰ লগত গৈছো, চাইছো সেইটো মই স্বীকাৰ কৰিছো। কিন্তু কথাটো হৈছে যে কৰবাত নহয় কৰবাত মাটি উলিয়াই দামপিং গ্ৰাউণ্ডটো কিন্তু তাৰ পৰা অতি সোনকালে স্থানান্তৰ কৰিব লাগে। সেই মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো। দ্বিতীয়তে, যিটো পানী যোগান আঁচনিৰ কথা কৈছে সেইটো চাৰ, ৯৮ শতাংশ নহয়, আপুনি যদি যায়, মই নিজেই জড়িত হৈ আছো আৰু হয়তো ২ বছৰৰ ভিতৰত যে এইটো হ'ব মোৰ সন্দেহ আছে। গতিকে চাৰ, আপুনি যদি মোৰ লগত এবাৰ যায়, আপুনি অধ্যক্ষ মহোদয় আপুনি আমাৰ মুৰব্বী। মই একবাৰ গোটেই আঁচনিটো আপোনাক দেখুৱাই দিও। তেতিয়াহলে আপুনি নিজেই চাই অহা অধিবেশনত।

**মাননীয় অধ্যক্ষ ঃ** তেখেতে ৯৮ শতাংশ বুলি কৈছে।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা ঃ** নহয় চাৰ, হোৱা নাই ৯৮ শতাংশ। আজি আপুনি চাওক পাহাৰ অঞ্চলত এটা ফুটাও পানী দিব পৰা নাই। পানী দিয়াই নাই আৰু পাহাৰত যিমান পাইপ লাইন বহাইছিল আজিৰ পৰা ৯ বছৰ আগত, সকলো ফাতি-ফুটি গৈছে। কানেক্চন ৰিজাৰ্ভাৰ চাৰিটা বনাইছে চাৰিটা ৰিজাৰ্ভাৰত এতিয়ালৈকে পানী দিব পৰা নাই। গতিকে ক'ত এইটো আজি কেইদিনমানৰ ভিতৰত হ'ব? গতিকে চাৰ, আপুনি ওলাওক মই লৈ যাওঁ, আপুনি আগত আঁচনিটো চাওঁক অহা অধিবেশনত মোক যাতে আধাঘন্টামান এইটো বিষয়ত ক'ব দিয়ে। তেতিয়াহলে হয়তো আপুনি অনুমতি দিব।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে।

**শ্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য্য, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, যদি তেনেকুৱা ধৰণৰ এটা ব্যৱস্থা লয় ময়ো সুখী হ'ম। কিয়নো মই যেতিয়া সদনত এটা উত্তৰ প্ৰস্তুত কৰি দিও তেতিয়া মই তথ্যৰ ভিত্তিতহে দিও। বিধায়ক ডাঙৰীয়াৰ এটা সন্দেহ আছে সন্দেহৰ অৱকাশ হব লাগে। তেখেতে স্বীকাৰ কৰিলে যে মোৰ লগত তেওঁ গৈছে।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, দুয়োজনে একেলগে নাযায় কেলে! মোক মাজত লোৱাতকৈ দুয়োজনে এবাৰ চাই আহক। তাৰ পিছত মোক ক'ব। আৰু হ'ব।

**শ্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য্য, মন্ত্ৰী ঃ** যিটো কথা কৈছে সেইটো এটা আমাৰ সমস্যা বুলি নহয়, সেই দামপিং গ্ৰাউণ্ডৰ ক্ষেত্ৰত।

**মাননীয় অধ্যক্ষ ঃ** দাম্পিং গ্ৰাউণ্ডৰ কথা কোৱা নাই। তেখেতে পানীৰ কথা কৈছে।

**শ্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য্য, মন্ত্ৰী ঃ** পানীৰ কথা কৈছে, তাৰ আগতে দাম্পিং গ্ৰাউণ্ডৰ কথা কলে। তাত

আমি তেখেতে কোৱা।

**মাননীয় অধ্যক্ষ ঃ** দামপিং গ্ৰাউণ্ডৰ কথাটো আমি বুজি পাওঁ, সমস্যাটো আমি বুজি পাওঁ।

**শ্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য্য, মন্ত্ৰী ঃ** তেখেতৰ জ্ঞাতাৰ্থে আমি কওঁ।

**শ্ৰীমতী নন্দিতা দাস ঃ** বহুত related হৈছে।

**মাননীয় অধ্যক্ষ ঃ** ৰ'ব, ৰ'ব আছে তিনি চাৰি মিনিট। এক মিনিট তেনেকৈ নহয়। আপোনালোকে আনিব, আমি ৩০১। নাই নাই, You are not allowed, as lots of people are in the list. আপোনাকো দিয়া হ'ব বহক অকমান। Please, this is not the way. মই কৈছো যে এইটো যদি ইমান গুৰুত্বপূৰ্ণ ৩০১ ত আপোনালোকে এটা নোট দিছিল, মই specially এইটো admit কৰি দিম।

**শ্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য্য, মন্ত্ৰী ঃ** অধ্যক্ষ মহোদয়।

**মাননীয় অধ্যক্ষ ঃ** এইটো নালাগে নেকি সময় কমি গৈছে।

**শ্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য্য, মন্ত্ৰী ঃ** অধ্যক্ষ মহোদয়, দামপিং গ্ৰাউণ্ডৰ পৰা হ'ব পৰা প্ৰদূষণৰ সম্পৰ্কে আমিও অৱগত। আমি এই ক্ষেত্ৰত প্ৰায় ১০ কোটি টকাৰে এটা কনটেইন কৰিবৰ কাৰণে কনটেইনিং ৱাল এটা আমি দিছো। সেইটো সম্পূৰ্ণ হৈছে।

**মাননীয় অধ্যক্ষ ঃ** অতুল বৰা ডাঙৰীয়া আপোনাৰো চাপ্লিমেন্টৰী আছে, প্ৰশান্ত ফুকনৰো আছে, নন্দিতা দাসেও কলে, ইমানবিলাকটো আমি দিব নোৱাৰো। দিপক কুমাৰ ৰাভা আপোনাৰো আছে ৰাভা হাচাং সম্পৰ্কে বোধকৰো আপুনিও দুই এটা ক'ব। গতিকে Just you raise your point and Minister you just note it down. নহলে অসুবিধা হ'ব পাৰে!

**শ্ৰী প্ৰশান্ত ফুকন ঃ** মাননীয় অধ্যক্ষ মহোদয়।

**মাননীয় অধ্যক্ষ ঃ** Point কেইটা কৈ দিয়ক যাতে he can note it down, we will have a discusion on this latter on.

**শ্ৰী প্ৰশান্ত ফুকন ঃ** আমাৰ গুৱাহাটীত এটা বৰ ডাঙৰ সমস্যা আছে। এই সমস্যাটো হ'ল Green Land. এতিয়া কিছুমান ঠাইত দেখা গৈছে যে Green Land বুলি declare কৰি থোৱা আছে। মই আজি মাননীয় মন্ত্ৰী মহোদয়ক এটা অনুৰোধ কৰিব খুজিছো যে যিবিলাক ঠাইত Green Land বুলি declare কৰি থোৱা আছে সেই বিলাক এখন কমিটি গঠন কৰি Green Land হয়নে নহয় এইটো বিশেষ ব্যৱস্থা হাতত ল'ব লাগে। মই উদাহৰণ স্বৰূপে আপোনাক কওঁ।

**মাননীয় অধ্যক্ষ ঃ** বেছি উদাহৰণ নিদিব, কাৰণ সময় নাই।

**শ্ৰী প্ৰশান্ত ফুকন ঃ** শাওকুচীৰ ওচৰত চাৰিওপিনে ১০০ মিটাৰ দূৰত আৰ চি চি গৃহ আছে মাজত ২০ বিঘা বা ১০ বিঘা মাটি আছে সেই মাটি খিনিক Green Land বুলি declare কৰি থৈছে। এতিয়া সেই মাটিখিনি কেনেকৈ Green Land হ'ল? এতিয়া ময়ো ক'ব নোৱাৰিম, মন্ত্ৰী মহোদয়েও ক'ব নোৱাৰিব। সেইবাবে কমিটি এখন গঠন কৰি দিয়ক। দ্বিতীয়তে, মাটিৰ কথা ওলাইছে যাতে । **মাননীয় অধ্যক্ষ ঃ** নাই, নাই please আজি নকৰিব, বাকী কেইজনকো মই অলপ অলপ সময় দিব লাগিব। মাত্ৰ ৫ মিনিট আছে।

**শ্ৰী প্ৰশান্ত ফুকন ঃ** এইটো আপোনাৰো দৰকাৰী কথা হ'ব।

**মাননীয় অধ্যক্ষ ঃ** আৰে, মোৰ দৰকাৰী পিছত ক'ব! মোৰ কাৰ্য্যালয়ত ক'ব।

**শ্ৰী প্ৰশান্ত ফুকন ঃ** আমাৰ বিধান সভাৰ বহুতখিনি মাটি, প্ৰায় ৫০ বিঘামান মাটি বাউণ্ডাৰী ৱাল দি থৈছিলো সেই মাটিখিনি কি ব্যৱস্থা ল'ব আৰু কি ব্যৱস্থা ললে যাতে আমাৰ আৱাস গৃহ বনাব পাৰে,

সেইটো কৰিব পাৰিব নেকি, সেইখিনি কথাও আপোনাক দৃষ্টিগোচৰ কৰিলো। আপুনি ব্যৱস্থা লওঁক।

**মাননীয় অধ্যক্ষ ঃ** জানো, হয়।

**শ্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য্য, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই উত্তৰটো দি দিও।

**মাননীয় অধ্যক্ষ ঃ** নাই নাই নালাগে। আপুনি পিছত দিব। লাগিলে মই দিব আপোনাক অতিৰিক্ত।

**শ্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য্য, মন্ত্ৰী ঃ** এইটো হৈ গৈছে। হোৱা কথাটো মই জনাব দিয়ক।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে কওঁক।

**শ্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য্য, মন্ত্ৰী ঃ** তেখেতে যিটো কৈছে যিটো আমাৰ Green Land, Eco sensitive zone এনেকুৱা ধৰণৰ বিভিন্ন আমাৰ by laws আছে আৰু যিখিনি আমাৰ মাষ্টাৰ প্লেন আছে মূলত মাষ্টাৰ প্লেনত আমাৰ এই Green area, Green Land এইবোৰ কৰা হৈছিল। এইটো বৈজ্ঞানিক চিন্তা ধাৰাৰে কৰা হোৱা নাছিল। উজাৰ বজাৰ অঞ্চলটো Green area বুলি কৈছিল যদিও উজাৰ বজাৰ খন গুৱাহাটী চহৰৰ ভিতৰত আটাইতকৈ পুৰণি জনবসতিৰ স্থান। তেখেতে জানি ভাল পাব যে এইখন আমি পুনৰ বিবেচনা কৰিছো। আমি কালি-পৰহীৰ ভিতৰত এইখন ৰাইজৰ আমাৰ এটা পাব্লিক হিয়াৰিংৰ কাৰণে আমি দিব লাগে, নটিফিকেচন খন পাব্লিছ কৰিম।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। বৰা ডাঙৰীয়া কি আছিল আপোনাৰ ? হৈ গ'ল নেকি আপোনাৰটো মাজতে ! কওঁক।

**শ্ৰী অতুল বৰা (দিছপুৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই যিটো প্ৰশ্ন কৰিছিলো সেইটো নাহে বুলিহে মই চাপ্লিমেন্টৰীৰ সুযোগটো ল'ব খুজিছো। তাৰমানে গুৱাহাটীত পথ বিলাক খান্দি ৭ টা কোম্পানীয়ে পানী যোগান আঁচনিৰ কাম কৰি আছে। এইটোৰ উত্তৰ দিছে আমাৰ মন্ত্ৰী গৰাকীয়ে আমাৰ সিদ্ধাৰ্থ ভট্টাচাৰ্য্য ডাঙৰীয়াই। ৭ টা কোম্পানীয়ে কাম কৰি আছে আৰু ৭ টা কোম্পানীয়ে যেনেকৈ খান্দিব তেনেকৈ পেলাই থৈ গুছি যায়। মানুহৰ অসুবিধা হৈ আছে। দ্বিতীয়, কথাটো হৈছে বিশুদ্ধ পানীৰ কথা কোৱা হৈছে। বিশুদ্ধ পানী মানুহে পাব বাৰু ৬ মাহৰ পিছত, ৬ বছৰ পিছত সেইটো বেলেগ কথা। কিন্তু আজিৰ তাৰিখত মানুহ চলিবৰ বাবে কি ব্যৱস্থা কৰিব ? সেই কথাটোহে মই ক'ব খুজিছো। তাৰমানে তেখেতে দিছে ৬ খন ডাঙৰ গাড়ী কাৰ্য্যক্ষম হৈ আছে। ১২ হাজাৰ লিটাৰ পানী নিব পৰা ৬ খন ডাঙৰ গাড়ী কাৰ্য্যক্ষম হৈ আছে। ৬ খন গাড়ীৰ ৪ খন গাড়ী সদায় স্পেনিচ গাৰ্ডেনত থাকে। তেনেহলে মাত্ৰ স্পেনিচ গাৰ্ডেনত পানী যোগান দিবৰ কাৰণে জি এম চি নেকি ? বাকী গোটেই গুৱাহাটীৰ মানুহে এক গাড়ী পানী ৭৫০ লিটাৰ পানী ২০০.০০ টকা, ২৫০.০০ টকাত কিনে আৰু এই স্পেনিচ গাৰ্ডেনত ভুত বাংলাটো বনাইথোৱা মানুহ জনে তাত পানী দিবলৈ ৪ খন গাড়ী সদায় থাকে। ৰাতিপুৱা গলেও তাতে পাব, গধূলি গলেও তাতে পাব আৰু ৰাতি গলেও তাতেই পাব। মাত্ৰ দুখন গাড়ীৰে গুৱাহাটী মহানগৰীত কেনেকৈ পানীযোগান ধৰিব।

**মাননীয় অধ্যক্ষ ঃ** হব। অনুগ্ৰহকৰি সমাপ্ত কৰক।

**শ্ৰী অতুল বৰা (দিছপুৰ) ঃ** আপুনিয়ে কওঁক এই স্পেনিচ গাৰ্ডেনক পানী দিয়াটো বন্ধ কৰিবনে ? আৰু ইমান ডাঙৰ কিয় বনাইছে? আৰু যদি পানীয়ে নাই ইমান ডাঙৰ এপাৰ্টমেন্ট কিয় বনাইছে?

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, হ'ব। ৰাভা আপোনাৰ পইন্টটো।

**শ্ৰী দীপক কুমাৰ ৰাভা ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ বিধান সভাৰ সন্মানীয় সদস্য ৰমেন্দ্ৰ নাৰায়ণ কলিতা দেৱে।

**माननीय অধ্যক্ষ ঃ** সময় কম, আপুনি প্ৰশ্নটো কৰক। বাকীখিনি নালাগে।

**শ্ৰী দীপক কুমাৰ ৰাভা ঃ** ২০১৭ৰ আইনখন ৰাভা হাচাও ৰ পৰা বাতিল কৰিব লাগে বুলি যিটো দল সংগঠনে আহ্বান জনাইছে এই ক্ষেত্ৰত যোৱা আমাৰ নিখিল যুৱ ছাত্ৰ সন্থাৰ অধিবেশনত আমাৰ অসমৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া আৰু স্বাস্থ্য, বিত্ত আৰু শিক্ষা মন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা তাতে উপস্থিত আছিল। সেই ৰাজহুৱা সভাখনতে তেওঁলোকে কৈছিল যে যিহেতু ৰাভা হাচাওত ৰাজধানী সম্প্ৰসাৰিত আইনখন বাহিৰত ৰাখিব লাগে। তেতিয়া কৈছিল যে ৰাভাহাচাওৰ বিৰূদ্ধে, ৰাইজৰ বিৰূদ্ধে আমি কেতিয়াও নাযাও। এইবাৰ বিধান সভাত আমি সংশোধনৰ জৰিয়তে এই আইনখন আমি ৰাভাহাচাওৰ পৰা বাতিল কৰিব এই কথাটো কৈছিল। গতিকে মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাম তেওঁ মুখ্যমন্ত্ৰীৰ লগত অতিসোনকালে বহি সংশোধন কৰি এইবাৰ বিধান সভাতে এটা সিদ্ধান্ত দিব লাগে।

**माননীয় অধ্যক্ষ ঃ** ঠিক আছে। এতিয়া নন্দিতা দাস তাৰপিছত পদ্ম হাজৰিকা। মই দুই মিনিটমান সময় বঢ়াইছো, বেছি সময় নল'ব।

**শ্ৰীমতী নন্দিতা দাস, বিধায়িকা ঃ** .মাননীয় অধ্যক্ষ মহোদয়, ডাম্পীং গ্ৰাউণ্ডৰ যিটো বিষয় ওলাইছে অতি গুৰুত্বপূৰ্ণ । এই বিষয়টো মাননীয় ৰমেন্দ্ৰ নাৰায়ণ কলিতা ডাঙৰীয়াইও কৈছে আৰু মই ভাবো এই সমস্যাটো সমাধান কৰিব লাগে। কাৰণ ডাম্পিং গ্ৰাউণ্ড নিবৰ কাৰণে কোনো অঞ্চলৰ মানুহে এইটো allow নকৰিব । কি ব্যৱস্থাৰে এইটো স্থানান্তৰ কৰি সমস্যাটোৰ সমাধান কৰে মই তেখেতক অনুৰোধ কৰিলো।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। আমাৰ যিহেতু প্ৰশ্নকালীন ঘন্টাটো শেষ হ'ল। আমি যদি supplemantary কি কৰিম, যদি লিখি আনি কয় Question Hour, as well as from the Minister also. descripting part টো কম কৰি যদি to the point কয় তেতিয়াহ'লে আমি হয়তো ৬-৭ টা question পাই যাওঁ। সেইটো আপোনালোকে লক্ষ্য কৰিব । আৰু যেতিয়া sensetive বিষয় ওলাই, তেনেকুৱা বিষয়বিলাক আমাৰ ৩০১ ত দিলে ভাল পাও । আমাৰ ৩০১ত এই বিষয় বিলাক নাহে, খুব কম আহে । মই সকলোকে point of order ত কব দিম । আপোনালোকৰ প্ৰশ্ন বিলাকৰ যেতিয়া যথেষ্ট উত্তৰ নাপায় বা সদনৰ কিবা ৰুলচ্ ভংগ কৰা হৈছে তেতিয়া আমাৰ point of order আহে। পদ্ম হাজৰিকা what is your point of order?

**শ্ৰী পদ্ম হাজৰিকা, বিধায়কঃ** ৪৪ নং প্ৰশ্নটো আজি নাপালে যে জলসম্পদ বিভাগে ইয়াত আঁচনি সম্পৰ্কত উত্তৰ আছে। তাৰ আগৰ প্ৰশ্নত মন্ত্ৰী ডাঙৰীয়াই যিটো উত্তৰ দিছে যে আঁচনি বিলাক লোৱাৰ ক্ষেত্ৰত আগতে ঠিকাদাৰে আগভাগ লৈছিল, এতিয়া বিধায়কক আগভাগ ল'বলৈ সুবিধা দিয়া হৈছে বা গুৰুত্ব পাইছে । তাৰ কাৰণে তেখেতক ধন্যবাদ জনাইছো । এতিয়া আঁচনি বিলাক কাৰ্য্যকাৰী কৰাৰ ক্ষেত্ৰত পিছৰ খিনি বিধায়ক সকলৰ গুৰুত্ব কিমান । এতিয়া এনেকুৱা হয় বাৰিষা আহি আছে, SDRF আঁচনিত আপোনালোকে ধন আৱন্টন দিছে। সেই SDRF আঁচনি কাৰ্য্যকৰী কৰিবলৈ যাওঁতেই বিভাগীয় যিখিনি নীতি-নিয়ম আছে আৰু অৰুণাচলৰ ঠিকাদাৰ আহিও তেওঁলোকে কাম ল'বলৈ সুবিধা পায়। কিন্তু তেওঁলোকে জনসাধাৰণৰ সুবিধাৰ্থে নহয়, তেওঁলোকে পইছা ঘটাৰ বাবে ইয়াত যিকোনো লোকে tender পেলায়। আমাৰ যিহেতু জলসম্পদ মন্ত্ৰী দক্ষ মন্ত্ৰী আৰু তেখেতক আমি চাণক্য বুলিও কওঁ। গতিকে কিবা বুদ্ধিমত্তা লগাই কৌশলগত ভাবে SDRF ৰ অনুমোদনটো tender pass কৰি এপ্ৰিল মাহৰ ভিতৰত মোকলাই দিয়ে যেন।

এতিয়া জীয়া ভৰলীৰ বজাৰগাওঁ ত যিটো গৰাখ হনীয়া হৈছে এতিয়া যদি এপ্ৰিল মাহৰ আগতে সেইটো তাত পাৰ্কুপাইন দিয়াৰ ব্যৱস্থা গ্ৰহণ নকৰে তেতিয়হ'লে তাত ৪ কোটি টকা যদিও অনুমোদন দিয়া হৈছে সেইটো আচলতে পানীত পৰিব। এতিয়া তাৎক্ষণিক ভাবে কৰিবৰ কাৰণে চাণক্যৰ বুদ্ধিৰে কিবা ৰণকৌশল ৰচনা কৰিব পাৰে নেকি সেই কথাটো মন্ত্ৰী ডাঙৰীয়াই গুৰুত্ব দিব ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ । এতিয়া নোমল মমিন ডাঙৰীয়া ।

**ডাঃ নোমল মমিন, বিধায়ক ঃ** অধ্যক্ষ মহোদয়, মোৰ তৰাচিহ্নীত প্ৰশ্ন ৪৫, তাত প্ৰশ্ন শুধিছিলো যে দেওপানী থানৰ status টো কি আছে আৰু প্ৰমোচনৰ কাৰণে কিবা ব্যৱস্থা লৈছে নেকি ? উত্তৰ বিলাক পালো Ahom Kingdom establish হোৱাৰ আগতে পাল ডাইনেষ্টি সমূহ সনাতন ধৰ্মৰ প্ৰচাৰ কৰিবৰ কাৰণে কিছুমান মঠ-মন্দিৰ বনোৱা হৈছিলে আৰু দেওপানী থানখন, দুৰ্গামন্দিৰটোও বনোৱা সেইটো সময়তে বুলি অনুমান কৰা হৈছে । কালক্ৰমত এই মন্দিৰটো বিধ্বস্ত হৈ গৈছিল আৰু দেওপানী বাগানে তাত বাগান আৰম্ভ কৰিলে আৰু বাগানৰ কৰ্তৃপক্ষই এইটো মেৰামতি কৰি বাগানৰ অধীনত লৈ ল'লে। তাত হাজাৰ হাজাৰ বিশ্বাসী ভক্তৰ আগমন হয় সদায়। বাগানৰ কৰ্তৃপক্ষৰ মালিকে এটা trust খুলি লৈছে আৰু নিজৰে পৰিয়ালৰ মানুহক তাৰ অধীনত লৈছে । গতিকে এটা ধৰ্মীয় অনুস্থান বাগানৰ অধীনত থাকিব নোৱাৰে। আৰু এটা কথা অধ্যক্ষ মহোদয় ১৯৫৯ত আইন হ'ল। গতিকে এইটো আইনৰ অধীনত ল'ব লাগে যিহেতু Archaeological Department আৰু Cultural Department ৰ মন্ত্ৰী হয় । গতিকে এই কামটো কৰিবলৈ তেখেতৰ সহজ হ'ব। গতিকে এই দেওপানীৰ মন্দিৰটো উদ্ধাৰৰ বাবে সোনকালে যাতে ইয়াৰ এটা যথোপযুক্ত ব্যৱস্থা গ্ৰহণ কৰে ।

**মাননীয় অধ্যক্ষঃ** Please conclude. Roselina Tirkey.

**শ্ৰীমতী ৰ'জলিনা তিৰ্কী, বিধায়িকা ঃ** মোৰ starred question no, 51 ত মই প্ৰশ্ন কৰিছিলো যোৱা তিনিটা বছৰত গৰাখহনীয়া প্ৰতিৰোধৰ সম্পৰ্কত সৰু পথাৰ সমষ্টিত কি কি ধৰা হৈছিল । ইয়াত তালিকাও দিছে আৰু মন্ত্ৰী মহোদয়ে অলপ আগতে কৈছিল যে বিধায়ক সকলে বিভাগৰ লগত আলোচনা কৰি কিমান plan and estimate ৰ তালিকা দাখিল কৰিব লাগে । যোৱা ৩ টা বছৰৰ তালিকা মোক দিছে। তিনিখন নদী ধনশিৰি, ৰেংমা আৰু দয়াং মোৰ সমষ্টিৰ মাজেৰে যায়। কেইবাবাৰো NEPCO য়ে পানী এৰি দিয়াৰ ফলত দয়াং নদীৰ গৰাখহনীয়া হৈছে। ইয়াৰ উপৰিও ৰেংমা আৰু ধনশিৰি নদীৰ পানীও যথেষ্ট পৰিমাণে গৰাখহনীয়া কৰি আছে । যাৰ ফলত আমাৰ স্কুল, ৰাস্তা আৰু ধৰ্মীয় অনুস্থান বোৰৰ যথেষ্ট ক্ষতি সাধন কৰি আছে । মোৰ সমষ্টিৰ ১ নং কৈবৰ্ত্য মাইনাপাৰা, মৰঙী, মিঠাআম, চাপৰি, কৈৰী গাওঁ, বিলপথাৰ আদি বিভিন্ন অঞ্চল সমূহত গৰাখহনীয়াৰ ফলত যথেষ্ট পৰিমাণে ক্ষতিৰ সন্মুখীন হ'বলগীয়া হৈছে। এই ক্ষতিগ্ৰস্ত অঞ্চল সমূহৰ plan estimate বোৰৰ তালিকা দাখিল কৰা হৈছিল । যোৱা তিনিটা বছৰত কেৱল মই দুখুটীমুখ, ধুলীয়াগাওঁ ৪ কোটি ৪৮ লাখ টকাৰ এটা estimate আছিল। কিন্তু তাত sanction কৰা হৈছে ১ কোটি ৭০ লাখ টকাহে। ইমান কম টকাৰে কেনেকৈ কামবোৰ ভালদৰে কৰিব । গতিকে আমাৰ লগত ভালদৰে আলোচনা নকৰি এনেদৰে plan and estimate বনালে কেনেকৈ কামবোৰ ভাল হ'ব। পিছত কামবোৰ বেয়া হ'লে বিধায়ক জন তাৰ বাবে দায়ি হয়। গতিকে ইয়াৰ বাবে এটা ভাল মেচেজ যোৱাৰ ব্যৱস্থা কৰিব লাগে। যিটো estimate ত হয় সেইটোৰে ধৰিব লাগে। আজিৰ প্ৰশ্নৰ উত্তৰত দিছে যে পুঁজি অনুমোদন কৰিলেহে দিব পৰা যাব।

সৰু পথাৰ সমষ্টিৰ বাবে পুঁজি অনুমোদন নালাগে নেকি ? এই সৰুপথাৰ সমষ্টিটো ৩ খন নদীৰ গৰাখহনীয়াৰ কবলত পৰি আছে ।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে। আপুনি কৈছে ৪ কোটিৰ আঁচনিত ১ কোটি টকা অনুমোদন হ'লে কাম কেনেকৈ সম্পুৰ্ণ হ'ব । এতিয়া ৰূপজ্যোতি কুৰ্মী what is your point of order?

**শ্ৰী ৰূপজ্যোতি কুৰ্মী, বিধায়ক ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ এটা starred qestion no 59, মই শুধিছিলো যে Tea Tribes Welfare Department ত চৰকাৰৰ কিবা আঁচনি আছে নেকি ? ইয়াত আঁচনিৰ কথা উল্লেখ কৰিছে। মই ৪ টা বিত্তীয় বৰ্ষৰ কথা উল্লেখ কৰি দিছিলো আৰু ইয়াৰ তথ্য দাঙি ধৰিব লাগে । কিন্তু উত্তৰ দিছে verification চলি আছে, inquiry চলি আছে আৰু proposals are not submitted. এনেবোৰ কথাহে উল্লেখ কৰিছে। মই বিচৰা ধৰণে তথ্য পোৱা নাই । সেয়েহে অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে অনুৰোধ কৰিব বিচৰো যে ফাণ্ড ব্যৱহাৰৰ ক্ষেত্ৰত যাতে ভালদৰে চায়।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে মই চাই ল'ম ।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী, বিধায়ক ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ এটা Unstarred question no. 113 Labour Department ত অসম চৰকাৰ কিবা আঁচনি আছে নেকি ? ইয়াত আছে বুলি উল্লেখ কৰিছে । Assam building and other process ৰ যোগেদি ৰূপায়ণৰ কথা লিখিছে। যদি আছে আঁচনিৰ ব্যৱহাৰ যথেষ্ট কম পৰিমানে হৈছে। সজাগতা কাৰ্য্যসূচীবোৰ কৰিব লাগে যাতে, আমাৰ শ্ৰমিক সকলে আঁচনি সমূহৰ বিষয়ে জ্ঞাত হয়।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। কমলাক্ষ দে পুৰকায়স্থ।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ,বিধায়ক ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ তৰাবিহীন প্ৰশ্ন নং ১১৬ৰ 'ঙ' নম্বৰত মই সুধিছিলো যে Indigenous Festival অসমত পতা হৈছে, ইয়াত কেইটামান সংগঠনক মতা হৈছে,বৰাকৰ সংগঠনখিনিক মতা হোৱা নাই। মই সুধিছিলো কিয় মতা হোৱা নাই ? কথাতো হৈছে যোৱা কালি পবিন্দ্ৰ ডেকাই এখন প্ৰাইভেট মেম্বাৰ বিল আনিছিল, কিন্তু অসমীয়া সংজ্ঞাটো নিৰ্ধাৰণ কৰিব পৰা নাই। বিধান সভাই যিটো কৰিব পৰা নাই, অসমৰ ৰাইজে যিটো কৰিব পৰা নাই, সাংস্কৃতিক বিভাগে এইটো কৰিব পাৰিলে। Land Policy ত Indigenous সচাঁ কথা লিখা থাকে। অসম চুক্তিত অধ্যক্ষ মহোদয়, অসমীয়াৰ কথাটো লিখা আছে। আমাৰ কথাৰ লগত কামৰ মিল নাই। বিধান সভাক অপমান কৰা হৈছে, অসমৰ ৰাইজক অপমান কৰা হৈছে, প্ৰত্যেক বিধায়কক অপমান কৰা হৈছে। এইটো অধ্যক্ষ মহোদয় চাব লাগে, নহ'লে বিধান সভাৰ কি উদ্দেশ্য আছে?

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। আমি কিছুমান কথা সকলোৰে জানো। কেতিয়াবা বিধায়ক হৈ আছো, কেতিয়াবা শাসকত আছো। কিছুমান Issue আছে সদায়ে জটিল। বিধান সভাৰ মজিয়াত আলোচনা কৰি যে শেষ কৰিব পাৰিম সেইটো হোৱা নাই। কিন্তু আমালৈ যদি ভাল পৰামৰ্শ আহে তেতিয়া এচেম্বলীৰ বাহিৰত কেতিয়াবা আমি বহিব পাৰো। কাৰণ এচেম্বলীত কিছুমান লিমিটেড সময় থাকে। মই আপোনাৰ কথাটো নোট কৰি লৈছো। এতিয়া আনোৱাৰ হুছেইন লস্কৰ।

**শ্ৰী আনোৱাৰ হুছেইন লস্কৰ, বিধায়ক ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই জলসম্পদ মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰি ক'ব বিচাৰিছো যে বাস্তৱত কিন্তু আমাৰ আঁচনিবোৰ ৰূপায়ন হোৱা নাই। এতিয়া পানী সোমাবৰ হৈছে। মাননীয় মন্ত্ৰীয়ে কৈছে যে, কামবোৰ সম্পূৰ্ণ হোৱাৰ পিছত ইঞ্জিনীয়াৰে সম্পূৰ্ণ হোৱাৰ ৰিপোৰ্ট নিদিয়ে। ইয়াৰ ৰহস্য কি ?

**মাননীয় অধ্যক্ষ ঃ** কাম শেষ হ'লে Completion Report পঠিয়াব লাগে যাতে ঠিকাদাৰ সকলেও তেওঁলোকৰ প্ৰাপ্যটো পাব পাৰে। মই আপোনাৰ কথাটো বুজিছো। এতিয়া টেৰছ গুৱালা।

**শ্ৰী টেৰছ গোৱালা (বিধায়ক) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ৰূপজ্যোতি কুৰ্মীৰ তৰাচিহ্নিত প্ৰশ্ন নং ৫৯ ত তেওঁ জিলাভিত্তিত আঁচনিবোৰ বিচাৰিছিল।

তেখেতে দিয়া নাই বুলি কৈছে। কিন্তু আমাৰ Page-5 ত কৈছেPromotion of Digital Literacy and Usage-To Provide Smart Phone To Sardar In Tea Garden ইয়াত district wise list of Sardars attached ত কৈছে যে লিষ্ট সংলগ্ন কৰা হৈছে। কিন্তু মোৰ তাতো লিষ্ট নাই।

**মাননীয় অধ্যক্ষ ঃ** আপোনাৰ তাত হয়তো নাই, মোৰ টেবুলত চালে হয়তো পাব পাৰে।

**শ্ৰী টেৰছ গোৱালা,বিধায়ক ঃ** অধ্যক্ষ মহোদয়, তাৰ পৰা আনি চালো, কিন্তু পোৱা নাই।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, মই এইটো চাম।

**শ্ৰী বিনোদ হাজৰিকা ঃ** মাননীয় অধ্যক্ষ মহোদয়, ৪৪ নম্বৰত মোৰ এটা মৌখিক প্ৰশ্ন আছিল। যি উত্তৰ পাইছো সুখী হৈছো। এটা গুৰুত্বপূৰ্ণ কথা যে এতিয়া আমাৰ যিবিলাক টেণ্ডাৰ হৈ আছে , সেই টেণ্ডাৰ বিলাকত অংশগ্ৰহণ কৰা সকলে ২২% below কৰিছে। ২২% যদি below হয় কামবিলাক কেনেকুৱা হৈ উঠিব। গড়কাপ্তানি বিভাগৰ ৰুৰেলত যিটো ৫% কৰা হ'ল, ৫% ৰ ওপৰত গ'লে সেইটো অট'মেটিক কেঞ্চেল হৈ যায়। এখনে যদি টেণ্ডাৰ হয় তেতিয়া হয়তো ৫% ওপৰত যাব পাৰে। সেই কাৰণে অধ্যক্ষ মহোদয় আমাৰ এটা সঠিক ৰুল কৰিব লাগে । ৬,৭,১০ খনলৈকে আমি টেণ্ডাৰ পৰা দেখিবলৈ পাইছো 22% ৰ । মোৰ সমষ্টিত এটা ১২% ৰ ইতিমধ্যে টেণ্ডাৰ হৈ গৈছে। এইটো এটা খুউব বেয়া লক্ষণ। মাননীয় অধ্যক্ষ মহোদয় বিভাগীয় মন্ত্ৰীৰ এইটো দৃষ্টিগোচৰ কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, এইটো এটা ভাল প্ৰশ্ন । আপোনাৰ পৰামৰ্শ ঠিকেই আছে। বহুত ধন্যবাদ।

**শ্ৰী দেৱব্ৰত শইকীয়া,বিৰোধী দলপতি ঃ** চাৰ, মোৰ পানীযোগান আৰু Ropeway আঁচনিৰ বিষয়ে তৰাবিহীন প্ৰশ্ন নং-১০৮ আছিল। মই সুধিছিলো পানীযোগান আঁচনিকেইটাৰ কাম কেতিয়া সম্পূৰ্ণ হৈ উঠিব ? এই আঁচনি সমূহ বৰ্তমানৰ মুখ্য সচিব ডাঙৰীয়া দিল্লীত কেন্দ্ৰীয় চৰকাৰৰ বানিজ্য বিভাগত থাকোতে তেখেতৰ সহযোগিতাত অসম চৰকাৰে 'জাইকা' ৰ আঁচনিকেইটা পাইছিল। এই কেইটা ২০১১ চনত সম্পূৰ্ণ হোৱাৰ কথা আছিল। কিন্তু ইয়াত লিখিছে, দ্বিতীয় পৰ্য্যায়ত অন্যান্য উপাংশ সমূহৰ ৰূপায়নৰ বাবে প্ৰাথমিক প্ৰকল্পৰ প্ৰতিবেদন ঋণ মঞ্জুৰাৰ্থে বিত্ত বিভাগলৈ প্ৰেৰণ কৰা হৈছে। কোনো নিৰ্দিষ্ট উত্তৰ নিদিলে যেতিয়া মই ভাৱো বিসংগতি আছে।

**মাননীয় অধ্যক্ষ ঃ** মই ভাবো যে এই বিষয়টো আপোনালোকে পাৰিলে ৩০১ ত আনক। আমি বেছিভাগ মানুহ গুৱাহাটীত থাকো । গুৱাহাটীৰ পানীৰ সমস্যা থকাটো হয়। তাৰ কাৰণে মই চৰকাৰৰক দোষাৰোপ কৰিব খোজা নাই। কেনেকৈ সমস্যাটো সমাধান কৰি মানুহক পানী দিব পাৰো এই সন্দৰ্ভত এটা আলোচনা হ'লে মই ভাল পাম।

এতিয়া 'শূণ্যকালীন ঘন্টা'। প্ৰথম আছে আমিনুল ইছলাম।

**শ্ৰী আমিনুল ইছলাম, বিধায়ক ঃ** মাননীয় অধ্যক্ষ মহোদয়, যোৱা ২৯ ফ্ৰেব্ৰুৱাৰী তাৰিখে 'আমাৰ অসম' কাকতত প্ৰকাশিত "ৰহাৰ টোলগেট পুনৰ মুকলি কৰিবৰ বাবে তৎপৰ চৰকাৰ ঃ ত্ৰিপাক্ষিক বৈঠক নোহোৱাকৈ টোলগেট খুলিলে পুনৰ প্ৰতিবাদৰ বাবে সাজু দল-সংগঠন"। শীৰ্ষক বাতৰিটো

শূণ্যকালীন ঘন্টাত উপস্থাপন কৰিবলৈ সুবিধা দিয়াৰ বাবে আপোনাক ধন্যবাদ জনাইছো। বাতৰি যেতিয়া প্ৰকাশ হৈছিল তেতিয়া টোলগেটতো খোলা নাছিল। বাতৰিত এই কথাতো উল্লেখ আছিল যে মাৰ্চৰ ১ তাৰিখৰ পৰা চৰকাৰে ৰহাৰ টোলগেটটো পুনৰ মুকলি কৰিব। আগতীয়াকৈ যেতিয়া খবৰটো প্ৰকাশ পালে তেতিয়া স্থানীয় দল-সংগঠন আৰু ৰাইজে প্ৰতিবাদ কৰি আছিল। ইয়াৰ পূৰ্বে আৰু দুবাৰ এই টোলগেট মুকলি কৰিবলে চৰকাৰে পদক্ষেপ লৈছিল আৰু স্থানীয় ৰাইজ দল-সংগঠনৰ প্ৰতিবাদৰ বাবে চৰকাৰে টোলগেটটো বন্ধ কৰি দিবলগীয়া হ'ল। তেতিয়া দল-সংগঠনবোৰে এটা কথা কৈছিল টোলগেট খুলিবলৈ হ'লে ৰাস্তাৰ কাম ১০০ শতাংশ সম্পূৰ্ণ হ'ব লাগিব, এইটো হ'ল নিয়ম। সকলো সা-সুবিধা দিয়াৰ পিছতহে টোলগেট খুলিব লাগে। ৰাইজৰ দাবী আছিল যিহেতু এতিয়ালৈকে ফ'ৰলেনৰ কাম সম্পূৰ্ণ হোৱা নাই। গতিকে টোলগেট খুলিব নোৱাৰে। তেওঁলোকে কৈছে যিমানখিনিলৈকে ডি. পি আৰ বনোৱা হৈছে, সেইখিনি সম্পূৰ্ণ হওঁক আৰু উজনি অসমলৈ যোৱা যাত্ৰী সকলে সম্পূৰ্ণ সুবিধা পোৱাৰ পিছত টোলগেট খুলিব লাগে। অধ্যক্ষ মহোদয়, টোলগেট যেতিয়া বন্ধ কৰা হৈছিল, তেতিয়া কোৱা হৈছিল যে, জিলা প্ৰশাসন, ৰাজ্য চৰকাৰ আৰু দল সংগঠনৰ মাজত এটা ত্ৰিপাক্ষিক আলোচনাৰ মাজেৰে টোলগেট খোলা হ'ব। কাম সম্পূৰ্ণ হোৱাৰ পিছত টোলগেট কি কি নীতি-নিয়মত চলিব, কি কি গাড়ীৰ পৰা কিমান টকা লোৱা হ'ব এইবোৰ ত্ৰিপাক্ষিক আলোচনাত সিদ্ধান্ত লোৱা হ'ব বুলি চৰকাৰে পূৰ্ব প্ৰতিশ্ৰুতি দিছিল। সেই মতে দল সংগঠন সমূহে ভবি আছিল, ত্ৰিপাক্ষিক বৈঠকত সিদ্ধান্ত লোৱাৰ পিছতহে টোলগেট খোলা হ'ব। কিন্তু দেখা গ'ল চৰকাৰে পূৰ্বৰ প্ৰতিশ্ৰুতি ভংগ কৰি হঠাৎ ১ মাৰ্চৰ পৰা খুলি দিলে। আমি খৱৰ পাইছো দল সংগঠন সমূহে আন্দোলন কৰি আছে। এতিয়া কথা হ'ল চৰকাৰে দিয়া প্ৰতিশ্ৰুতি কিয় ৰক্ষা নকৰিলে? দ্বিতীয়তে, যদিহে নিয়মমতে কাম সম্পূৰ্ণ নকৰাকৈ টোলগেট খুলিব নোৱাৰি, তেনেহ'লে কাম সম্পূৰ্ণ নোহোৱাকৈ কিয় টোলগেট খোলা হ'ল? যিহেতু ৰাইজে আকৌ আন্দোলন আৰম্ভ কৰিছে, আৰু যদিহে নিয়ম অনুযায়ী হোৱা নাই, তেনেহ'লে আকৌ বন্ধ কৰি চৰ্ত সাপেক্ষে কৰিব লাগিব। নহ'লে চৰকাৰে কি পদক্ষেপ লব জনাব লাগে।

**माननीय অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া মন্ত্ৰী ডাঙৰীয়াই কওঁক।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী (সংসদীয় পৰিক্ৰমা আৰু অন্যান্য) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমিনুল ইছলাম ডাঙৰীয়াই ২৯ ফেব্ৰুৱাৰী তাৰিখে "ৰহাৰ টোলগেট পুনৰ মুকলি কৰিবৰ বাবে তৎপৰ চৰকাৰ ঃ ত্ৰিপাক্ষিক বৈঠক নোহোৱাকৈ টোলগেট খুলিলে পুনৰ প্ৰতিবাদৰ বাবে সাজু দল-সংগঠন" শীৰ্ষক যিটো বাতৰি "আমাৰ অসম" কাকতত প্ৰকাশ হৈছিল। সেই সম্পৰ্কত চৰকাৰৰ দৃষ্টিগোচৰ কৰিছে। মই প্ৰথমতে এটা কথা ক্লিয়াৰ কৰি দিওঁ যে টোলগেটটো আচলতে ভাৰত চৰকাৰৰ MoRTH য়ে কৰে। এই বিলাক অসম চৰকাৰে নকৰে। মাননীয় অধ্যক্ষ মহোদয়, টোলগেট এই কাৰণে কৰা হয় যে Highway টো যেতিয়া নিৰ্মাণ কৰে সেই সময়ত পইচা বিভিন্ন sources ৰ পৰা, বিভিন্ন বিত্তীয় অনুষ্ঠানৰ পৰা লৈ এই National Highway বিলাক নিৰ্মান কৰা হয়। এই National Highway বিলাক নিৰ্মান কৰাৰ পিছত পৰৱৰ্তী সময়ত মেৰামতি কৰাৰ কাৰণে আচলতে টোলগেটখিনি কৰা হয়। মাননীয় অধ্যক্ষ মহোদয়, আপুনি দিল্লীৰ পৰা যেতিয়া উত্তৰাখণ্ড লৈ যাব , তাত দেখিব কমেও তিনি চাৰিখনমান টোলগেট আছে। দিল্লীৰ পৰা যেতিয়া আগ্ৰা যাব তেতিয়াও দেখিবলৈ পাব বহুত টোলগেট আছে। এইক্ষেত্ৰত মাননীয় অধ্যক্ষ মহোদয়, মোৰ ব্যক্তিগত অভিজ্ঞতা এটা আপোনাৰ লগত share কৰিব খুজিছো যে আনকি Communist দেশ চীন, তাত মই Guangzhouৰ পৰা Yuexiu বুলি ঠাই এডোখৰত গৈছিলে, চৰকাৰী ভ্ৰমণ আছিলে World

bank ত । গতিকে মই Communist দেশ চীনতো টোলগেট দেখিছিলো। মই তেওঁলোকক সুধিছিলো যে এখন communist country ইয়াত টোলগেট কিয় ? তেতিয়া যিজন World Bank ৰ officer আছিল (Asian sector ৰ Head ) তেওঁ মোক কৈছিল যে টোলগেটখন এই কাৰণে হৈছিল যে এই অঞ্চলটোত বহুত congested হৈছে আৰু সেইকাৰণে Bank of China ৰ পৰা পইচা লৈ ইয়াৰে এটা society য়ে এই টোলগেটখন বনাইছে। গতিকে ইয়াৰ পৰা যিখিন টোল সংগ্ৰহ কৰিব সেই টোলখিনি bank of China ত জমা হৈ যাব। যিদিনা bank of China ৰ পৰা পইচাখিনি সম্পূৰ্ণ হৈ যাব সেইদিনাৰ পৰা এই টোলগেটতো উঠি যাব।

এতিয়া মাননীয় অধ্যক্ষ মহোদয়, ভাৰতবৰ্ষৰ বিভিন্ন ঠাইত টোলগেট আছে, কিন্তু অকল অসমত নাই। আনকি আমাৰ চুবুৰীয়া ৰাজ্য যোৰবাট পাৰ হৈ যোৱাৰ পিছত মেঘালয়তো টোলগেট আছে। মাননীয় অধ্যক্ষ মহোদয়, আপুনি মন কৰিছে যে আমাৰ নেচনেল হাইৱে বিলাকৰ মেৰামতি একেবাৰে নাই। আমি অন্য ৰাজ্যৰ express highway ত দেখা পাওঁ যে divider বিলাকত ধুনীয়া ধুনীয়া ফুল আছে, দুয়োকাষত fencing আছে বা মেৰামতিয়ো আছে। কিন্তু আমাৰ অসমত টোলগেট নোহোৱাৰ কৰাণে হাইৱে বিলাকৰো কোনো ধৰণৰ মেৰামতি নাই। গতিকে ভাৰত চৰকাৰে অসম চৰকাৰক বাৰে বাৰে কৈ আছে যে অসম চৰকাৰৰ টোলগেট ক্ষেত্ৰত অংশ এটাই যে অসম চৰকাৰৰে এই ক্ষেত্ৰত ভাৰত চৰকাৰক security দিব লাগে। security দিয়াৰ বাবদ অসম চৰকাৰে টোলগেট সমূহৰ পৰা এক পইচাও নাপায় আৰু অসম চৰকাৰৰ কোনো benefit ও নাই। যিহেতুকে ৰাষ্ট্ৰীয় ঘাই পথ, এই বিলাক গোটেই ভাৰত বৰ্যত সংয়োগ হৈ গৈছে। এই ৰাষ্ট্ৰীয় ঘাই পথবিলাক সুৰক্ষিত কৰাৰ কাৰণে বা মেৰামতি কৰাৰ কৰাণে টোলগেটতো কৰা হয়। সেই কাৰণে ভাৰত চৰকাৰৰ ফালৰ পৰা আমাক এই কথাখিনি বাৰম্বাৰ কোৱা হয়। যেতিয়া মই নিজে দেখিছো যে Transport Ministers conference দিল্লীত হয়। আজি তিনি বছৰ আমাৰ মাননীয় গঢ়কাপ্তানি বিভাগৰ মন্ত্ৰী নীতিন গাডকাৰী ডাঙৰীয়াই বাৰে বাৰে এটা কথা প্ৰথমতে কয় যে অসমত টোলগেট বিলাক বাৰে বাৰে বনোৱাৰ পিছত ভাঙি ভাঙি পেলাই, গতিকে আমি অসমত ৰাষ্ট্ৰীয় ঘাই পথ মেৰামতিৰ কাৰণে পইচা নিদিও। মাননীয় অধ্যক্ষ মহোদয়, মই যোৱা মাহত আৰু এখন মিটিং ভাৰত চৰকাৰৰ লগত কৰিছো তাতো তেওঁলোকে কৈ যে তোমালোকৰ তাত নেচনেল হাইৱে বনাই লাভ নাই। তাত তোমালোক যদি পইচা উঠাব নিদিয়া আমি মেৰামতি কৰিব নোৱাৰো।

(Hon'ble Deputy Speaker on the Chair)

আমাৰ অসমত কি culture হৈছে মই বুজি নাপাও, গোটেই ভাৰত বৰ্যত, গোটেই পৃথিৱীত যদি এনেকুৱা ব্যৱস্থা আছে যে মেৰামতিৰ কাৰণে টোলগেট লাগে। আমাৰ অসমত এইবিলাক কিয় এটা ডাঙৰ বিষয় হৈ পৰিছে। মাননীয় উপাধ্যক্ষ মহোদয়, এইটো এটা সচাঁকৈ আচৰিত কথা হৈছে। মই আপোনাৰ জৰিয়তে মাননীয় সদস্য শ্ৰী আমিনুল ইছলাম ডাঙৰীয়াক জনাব বিচাৰিছো যে মিটিঙত মাননীয় গঢ়কাপ্তানি বিভাগৰ মন্ত্ৰী নীতিন গাডকাৰী ডাঙৰীয়াই নিজে কৈছে যে এতিয়ালৈকে ভাৰত চৰকাৰে টোলগেটৰ পৰা যোৱা বছৰত প্ৰায় ৪৮ হাজাৰ কোটি টকা পাইছে। যাৰ ফলত তেওঁলোকে এতিয়া দিল্লীৰ পৰা মহাৰাষ্ট্ৰ হৈ পুনে লৈকে এটা নেচনেল হাইৱে বনাবলৈ লৈছে। Pune express highway যিটো আছে, এইটো আজি ভাৰতবৰ্ষত Top Highway । দিল্লীৰ পৰা আগ্ৰালৈকে যিটো হাইৱে (যমুনা express) the top highway, কিয় তাত টোলগেট আছে, সেই পইচাৰে তেওঁলোকে মেৰামতি কৰি আছে তেওঁলোকে বিভিন্ন ঠাইত।

সেইকাৰণে কথাটো হ'ল যে ৰাজ্যখনৰ উন্নয়নৰ স্বাৰ্থত liberally এই কথাখিনি আমি

চোৰাতো উচিত। গতিকে আমি এইটো ভাবিব নালাগে যে টোলগেট ভাৰত চৰকাৰে বহুৱালে, তাত কোনোৱাই টোলগেট ভাঙিছিল , টোলগেট কিয় ভাঙে, টোলগেট ভাঙিব লগা কি কথা আছে। এই টোলগেট পৰা কোনো ধৰণৰ অন্যায় হোৱা নাছিল। কাৰণ নেচনেল হাইৱেৰ ওপৰেৰে দৈনিক হাজাৰ হাজাৰ গাড়ী পাৰ হয়। গাড়ী যিবিলাক পাৰ হয়, এই হাইৱে যিটো ব্যৱহাৰ কৰিছে, এই হাইৱেতো মেৰামতি কৰাৰ কাৰণে তেওঁলোকৰ দায়িত্ব নিশ্চয় আছে । এই গাড়ীৰ মালিকসকলৰ নিজৰ উপাৰ্জন হৈ আছে ঠিকে। কিন্তু হাইৱে মেৰামতি কৰাৰ কাৰণে ভাৰত চৰকাৰে এই টোলগেটৰ ব্যৱস্থা কৰিছে, গতিকে সেইটো ক্ষেত্ৰত মই দেখিলো অসম exeptional। ভাৰতবৰ্ষৰ সকলো ৰাজ্যতে টোলগেট আছে কিন্তু অসমত নাই। কাৰণ এনেকুৱা এটা বিষয়ত পৰিণত হৈছে টোলগেটখন হোৱাৰ লগে লগে, আন্দোলন এটা কৰি সেইখন ভাঙি দিয়ে। এইবিলাক কৰিলে ৰাজ্যখনৰ উন্নতি কেতিয়াও নহয়। গতিকে সেই কাৰণে ভাৰত চৰকাৰৰ (মই All India Transport Ministers Conference ত ) মাননীয় গড়কাপ্তানি বিভাগৰ মন্ত্ৰী নীতিন গাডকাৰী ডাঙৰীয়াই অসমত নেচনেল হাইৱে উন্নয়নৰ নামত এক পইচাও নিদিও বুলি কৈছে। আনকি আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াকো এই কথাখিনি তেওঁলোকে কৈছে। গতিকে আমি সমূহীয়া স্বাৰ্থত চাব লাগে, হাইৱেতো বনাই থলে নহ'ব, হাইৱেতো মেৰামতি কৰিব লাগিব। আজি নেচনেল হাইৱে বিলাকৰ বিভিন্ন ঠাইত লাহে লাহে অসুবিধা হৈ পৰিছে। আনকি মাননীয় উপাধ্যক্ষ মহোদয়, আপুনি নিজে দেখিছে যে কুম্ভীৰ গামৰ পৰা শিলচললৈকে যেতিয়া যায় তাতে যোৱা **১৫** বছৰৰ পৰা এটা ফালে বন্ধ আছে আৰু এটা ফালে খোলা আছে। তাতে এটা ফালৰে দুয়োফালৰ পৰা গাড়ী অহা যোৱা কৰে। গতিকে এইবিলাক হৈ কি মেৰামতি কৰিব নোৱাৰে, তাত মেৰামতি কৰাৰ কাৰণে পইচা নাই। এই মেৰামতিৰ পইচা ভাৰত চৰকাৰে পৰা পোৱা নাই, গোটেই শিলচৰৰ ৰাস্তা কুম্ভীৰগ্ৰাম এয়াৰ পোৰ্টৰ পৰা গোটেই ৰাস্তাতো বন্ধ আছিল। আমি ভাৰত চৰকাৰৰ লগত লাগি লাগি এতিয়া এইটো খোলা হৈছে। খোলা হলেও কিছুদিন পিছত আকৌ বন্ধ হৈ যাব।

মাননীয় উপাধ্যক্ষ মহোদয়, শিলচৰৰ ওচৰলৈকে যিখন flyover নেচনেল হাইৱেৰ ওপৰত বনাই আছে, সেইখন সপোন দেখাতোও টান আমাৰ কাৰণে। গতিকে তেনেকুৱা এটা অৱস্থাত সেই flyover খন বনোৱাৰ পিছত মেৰামতি কোনে কৰিব। অসমৰ State department য়ে কৰিব নোৱাৰে কাৰণ নেচনেল হাইৱে central goverment property। আমাৰ State PWD যে সেইটো কৰিব নোৱাৰে। গতিকে মাননীয় উপাধ্যক্ষ মহোদয়, এই বিলাক মই ভাৱো যুক্তিসংগত ভাৱে ইয়াৰ যিটো কথা mandatory, আমি মানিব লাগে। আপুনি দেখিব যে এই যে accident বিলাক হৈছে, যিবিলাক নেচনেল হাইৱে গৈ আছে গাঁৱৰ ফালৰ পৰা যিবিলাক ৰাস্তা আহিছে, এই ৰাস্তা T-point হৈ গ'ল। এনেকুৱা point ত accident বিলাক হৈ থাকে। এই বিলাকৰ মেৰামতিৰ কাৰণে National Highway Authority ক মাতি আনি যেতিয়া কোৱা হৈছে যে এইবিলাক বন্ধ কৰক নহ'লে, Rumble strip দিয়ক। এতিয়া বেলতলাৰ পৰা জালুকবাৰীলৈকে **১৫** টা ঠাইত Rumble strip দিব লগা হৈছে। কিয়? কাৰণ তাৰ মেৰামতি আমি কৰিব পৰা নাই। মাননীয় উপাধ্যক্ষ মহোদয়, আপুনি দেখিছে, আমাৰ সকলো মাননীয় সদস্যই দেখিছে যিটো নেচনেল হাইৱে বেলতলাৰ পৰা জালুকবাৰীৰ অংশলৈকে ৰাস্তাৰ দুয়োটা ফালে কিমান লেতেৰা হৈ আছে, কেনেকুৱা এটা অৱস্থা হৈ আছে। কিয় আমি maintain কৰিব পৰা নাই। কাৰণ maintainance কৰিবৰ কাৰণে পইচা নাই। সেইটোক নেচনেল হাইৱে বুলি কব পাৰি নেকি? আৰু আটাইতকৈ ডাঙৰ ডাঙৰ Event বিলাক তাত হৈছে। Advantage Assam, Khelo India, Film

Fare Award ইত্যাদি হৈছে। গতিকে আমি আমাৰ ৰাইজৰ সন্মান বচোৱাৰ কাৰণে ৰাজ্য চৰকাৰৰ পইচা দি, টিন পাত দি সেইবিলাক ঢাকি থৈ দিছো। যাতে World ৰ বিভিন্ন ঠাইৰ পৰা অহা মানুহৰ আমাৰ ৰাজ্যখনৰ প্ৰতি বেয়া ভাৱ নহয়। সেই কাৰণে জালুকবাৰী ফালে দেখিব যে divider ত টিনপাত দিছো যাতে ৰাইজক আমি উন্নত আৰু চহকী দেখুৱাব পাৰো। আমাৰ মাননীয় মন্ত্ৰী শুক্লবদ্য ডাঙৰীয়াই জানিব এইবিলাক। মাননীয় উপাধ্যক্ষ মহোদয়, এই কথা বিলাক আমি গুৰুত্ব সহকাৰে লোৱা ভাল।

মাননীয় উপাধ্যক্ষ মহোদয়, এই কথাবিলাক আমি গুৰুত্ব সহকাৰে লোৱা ভাল। Logically আমি যদি চাওঁ একমাত্ৰ টোলগেট অসমত হলে সেইটো objectionable আছিল, কিন্তু গোটেই ভাৰতবৰ্ষত টোলগেট আছে।Nearest State মেঘালয়তো টোলগেট আছে আৰু তাতকৈ ডাঙৰ কথাটো হ'ল এই টোলগেট বিলাক অসমৰ চৰকাৰে allotment দিয়া নাই। এই টোলগেট বিলাকৰ কাৰণে National Tender হয়, bidding হয়, তাৰ পিছতে ভাৰত চৰকাৰে টোলগেট দিয়ে। অসম চৰকাৰ, PWD বা Transport Department য়ে নিদিয়ে। এইটো কথা clear হোৱা ভাল। এইটোৰ কাৰণে Center ত bidding হয়, তাত যিয়ে highest bidder হ'ব, সিহতক ভাৰত চৰকাৰে দিয়ে আৰু এই বিষয়ত কেন্দ্ৰীয় চৰকাৰৰ পথ পৰিবহন আৰু ঘাইপথ মন্ত্ৰালয়ৰ সিদ্ধান্ত আৰু নিৰ্দেশ মৰ্মে ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণৰ দ্বাৰা প্ৰচলিত হয়। ৰাজ্য চৰকাৰে নিজাববীয়াকৈ টোলগেট খোলা বা বন্ধ কৰাৰ ক্ষেত্ৰত কোনো সিদ্ধান্ত ল'ব নোৱাৰে। ৰাষ্ট্ৰীয় ঘাইপথ কুশল কৰি ৰখাৰ বাবে তথা Ambulance , recovery Van, Petrolling Vehicle ইত্যাদি যোগান ধৰিবৰ বাবে টোলগেট অত্যন্ত জৰুৰী। মাননীয় উপাধ্যক্ষ ডাঙৰীয়া, এই টোলগেটৰ কাৰণে accident হ'লে recovery van ৰ ব্যৱস্থা আছে, লগতে তাৰ কাৰণে trauma center আছে এই টোলগেটৰ লগত। আমাৰ ইয়াতে যিখিনি trauma center আমি বনাব পৰা নাই স্বাস্থ্য বিভাগৰ তৰফৰ পৰা আমি আলোচনা বিলোচনা কৰি ৰাষ্ট্ৰীয় ঘাইপথৰ nearest যিখন Civil Hospital আছে সেইখিনি trauma center হিচাপে দিয়া হৈছে।এই টোলগেটৰ পৰা যিখিনি পইচা পাব তাৰ পৰা recovery van দিয়া হ'ব। Special Ambulance দিয়া হ'ব। তেনেকুৱা Ambulance আমাৰ অসমত চলি থকা নাই। এইটো Mini Hospital ৰ নিচিনা Ambulance. এইবিলাক ভাৰত চৰকাৰে দিয়ে আৰু বিনা পইচাই দিয়ে। গোটেই এই টোলগেটৰ পৰা অহা পইচাৰে দিয়ে। মাননীয় উপাধ্যক্ষ মহোদয়, ইয়াত যে গাড়ীবিলাক over loading হয় বা over speeding কৰে তাৰ কাৰণে interceptor দি যাতে এই গাড়ীবিলাক detect কৰিব পাৰে, তাৰ ব্যৱস্থা কৰা হৈছে। যাতে এই over loading বা over speeding বন্ধ কৰিব পৰা যায় বা কোনো accident কৰি সাৰি যাব নোৱাৰে। তাৰ কাৰণে interceptor দিয়া হৈছে। এইবিলাক অসম চৰকাৰে দিব নালাগে। MORTH য়ে এই টোলগেটৰ পইচা দিয়ে মানুহবিলাকৰ নিৰাপত্তা আৰু accident প্ৰতিৰোধ কৰাৰ কাৰণে। ভাৰতবৰ্ষৰ অন্যান্য ৰাজ্য বা চুবুৰীয়া ৰাজ্য মেঘালয়া টোলগেটৰ জৰিয়তে টোল টেক্স সংগ্ৰহ কৰি থকা হৈছে। কেন্দ্ৰীয় চৰকাৰৰ নীতি অনুযায়ী সম্পূৰ্ণ হোৱা ৰাষ্ট্ৰীয় ঘাইপথ বাণিজ্যিকভাৱে কাৰ্য্যক্ৰম কৰি ৰাজহ সংগ্ৰহ কৰিব লাগে আৰু এই সংগৃহীত ৰাজহেৰে ৰাষ্ট্ৰীয় ঘাইপথ প্ৰতিপালন আৰু মেৰামতিৰ লগতে অন্যান্য উন্নয়ন মূলক কাম-কাজ কৰিব লাগে। National Highway Authority of India দ্বাৰা ৰূপায়ণ কৰা প্ৰকল্প সমূহত মানচিত্ৰ সংলগ্ন কৰা হ'ল। ৰহাৰ ক্ষেত্ৰত সম্পূৰ্ণ হোৱা ৰাষ্ট্ৰীয় ঘাইপথৰ পেকেজৰ section 31 ৰ অন্তৰ্গত

ৰাখালডুবিৰ পৰা কালজাৰ অন্তৰ্গত দাখালপাৰ তথা জাগীৰোডৰ পৰা নগাওঁ অংশৰ ৰহা ক্ৰমে ২০১৫ আৰু

২০১৮ চনত টোলগেট স্থাপন কৰা হৈছিল। কিন্তু মেৰামতিৰ অভাৱত পথটোৰ কিছু অংশ ক্ষতিসাধন হয়। ভাৰত চৰকাৰৰ বিধি অনুসৰি ৰাষ্ট্ৰীয় ঘাইপথৰ সম্পূৰ্ণ হোৱা অংশৰ পৰৱৰ্তী মেৰামতিৰ বাবে প্ৰয়োজনীয় পুঁজিৰ বাবে টোলগেট operational নোহোৱালৈকে মোকলাই নিদিয়ে। উপাধ্যক্ষ ডাঙৰীয়া, মই যি কথাটো কৈছো এতিয়া নিশ্চয় আপুনি বুজি পালে। বাকী যিখিনি পইচা থাকে যিটো আমাৰ আমিনুল ইছলাম ডাঙৰীয়াই কৈছে যে এইটো comlpete হ'ব লাগিব, তাৰ পিছত টোলগেট হ'ব। Complete আমাৰ হৈছে। Upper Assam ৰ side ত আমি দেখিছো যে আমাৰ নগাওঁ লৈকে by pass হৈ যেতিয়া High Way ৰে গৈছে তাত যিটো গোল চক্ৰৰ আছে তাতো এখন Fly Over হ'ব, বেলতলাত এখন Fly Over, গড়চুকত এখন Fly Over হ'ব, বঙ্গাইগাওঁ ৰিফাইনেৰীৰ সন্মুখেদি এখন Fly Over হ'ব, জালুকবাৰীৰ পৰা আৰু এখন Fly Over হ'ব আৰু ঠিক তেনেধৰণে আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়া আৰু আমাৰ বিজুলী মন্ত্ৰী ডাঙৰীয়াই ব্ৰহ্মপুত্ৰৰ ওপৰত এখন bridge ৰ উদ্বোধন কৰিছে, হাজাৰ হাজাৰ কোটি টকাৰ। তাৰ উপৰিও আৰু ৬ খন দলং হ'ব ইয়াত। এখন দলং যিখন ধুবুৰী ফুলবাৰী দলং হ'ব, সেইখন ভাৰত বৰ্ষৰ ভিতৰত longest দলং হ'ব, চাৰে ২২ কিলমিটাৰ হ'ব ইয়াৰ দৈৰ্ঘ্য। এইবিলাক পইচা যে ইমান হাজাৰ হাজাৰ কোটি টকা ভাৰত চৰকাৰে দিব আৰু এখন টোলগেটৰ বাবে যদি এইবোৰ বন্ধ হৈ যায়, ৰাজ্যখনৰ উন্নয়ন ব্যাহত হ'ব। এই কথাবিলাক আমি সকলোৱে বুজি চোৱা ভাল আৰু বিশেষকৈ আমাৰ মাননীয় সদস্য সকলে এই কথাখিনি বুজিব লাগিব। আপোনালোকে ক'ব পাৰে যে কাৰো লগত আলোচনা নকৰাকৈ আমি এইটো কৰিলো, আলোচনা কিয় কৰিব লাগে? যদি বেআইনী কাম হয় তাতেহে আলোচনা হ'ব। যিটো আইন সঙ্গত কথা, সেইটো আলোচনাৰ কি প্ৰয়োজন? কোনোবাই আহি তাতে ইন ক্লাৰ দিব আৰু টোলগেট ভাঙি দিব, তাতে আলোচনা কিয় কৰিব লাগে? আজি এখন আইনৰ ক্ষেত্ৰত কথা আছে। আইনৰ ক্ষেত্ৰত আলোচনা কৰিব লাগিব। যিটো আইন সঙ্গতভাৱে ইতিমধ্যে গোটেই ভাৰতবৰ্ষত operational হৈ আছে, সেইটোৰ সম্পৰ্কত আমি আৰু কাৰ লগত আলোচনা কৰিব লাগে? আপুনি নগাওঁ জিলাৰ বিধায়ক আপুনি জানে কিমান ধুনীয়া ৰাস্তা হৈছে। গোল চক্ৰৰটোৰ পৰা ডিফুলৈকে যোৱা ৰাস্তাটো কিমান ধুনীয়া হৈছে। সিদিনা হাফলংৰ পৰা আহোতে এনেকুৱা অনুভৱ হৈছে যে আমাৰ অসমৰ ৰাস্তা ইমান উন্নতনে, ইমান ধুনীয়া। সেইবিলাক maintainance নালাগিব নেকি? হাফলংৰ এটা পাহাৰী অঞ্চলত এতিয়ালৈকে বনাব পৰা নাই কাৰণ landslide ৰ কাৰণে বনালেও ভাঙি গৈ আছে। এতিয়া নতুন জাৰ্মান টেকনলজি এটা আনিছে যিটো technology য়ে মাটিৰ লগত মিলোৱাৰ লগে-লগে সেইটো নিজে complete হৈ যাব। তেনেধৰণে আজি National Highway ৰ কাম কৰিবলৈ আগবাঢ়িছে। দ্বিতীয় কথা আমাৰ উজনি অসমত ১০০ শতাংশ কাম সম্পূৰ্ণ হোৱা নাই। কাৰণ কাজিৰঙাৰ মাজেদি National Highway যাব নোৱাৰে। কাৰণ জন্তুবিলাকৰ অসুবিধা হয়। সেইকাৰণে এখন Fly Over ৰ কথা আমি কৈছো যিখন বুঢ়া পাহাৰৰ পৰা আৰম্ভ হৈ বোকাখাতত শেষ হ'ব। বহুত দীঘল Fly Over, হাজাৰ কোটি টকাৰ। আমি কৰিব পাৰো কিন্তু ইমান high speedত গাড়ী গলে জীৱ-জন্তুবোৰৰ ক্ষতি হ'ব। এতিয়া বুঢ়া পাহাৰৰ পৰা এখন Fly Over হ'ব যাতে তলেদি হাতী বা জন্তুবোৰ যাতে ভালদৰে পাৰ হ'ব পাৰে। সেইখন বোকাখাতলৈ হ'ব। এতিয়া প্ৰসঙ্গ ক্ৰমে উল্লেখ কৰিব পাৰি যে Comptrol-

ler & Auditor General মহোদয়ে ২০১৭-২০১৮ৰ প্ৰতিবেদনত প্ৰকাশ পাইছে টোলগেট সংগ্ৰহ নকৰাৰ ফলত চৰকাৰৰ ৰাজহ লোকচান হৈছে। এই ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে টোলগেট সমূহৰ প্ৰৱৰ্তন আৰু সম্পূৰ্ণ হোৱা অংশবোৰ প্ৰতিপালন তৎকালীনভাৱে কৰাৰ বাবে গুৰুত্ব আৰোপ কৰিছে।

**(সদনত মাননীয় অধ্যক্ষৰ আসনত মাননীয় উপাধ্যক্ষ উপবিষ্ট)**

স্পষ্টভাৱে জনাই দিছে। গতিকে, এই সম্বন্ধে কেন্দ্ৰীয় চৰকাৰে ১৭-০২-২০২০ তাৰিখে ৰাজপত্ৰিত অধিসূচনাৰ জৰিয়তে Toll tax সংগ্ৰহ কৰাৰ বাবে ৰহাকে ধৰি ৭ টা Toll Plaza ৰ পৰা ৰাজহ সংগ্ৰহ কৰাৰ বাবে নিৰ্দেশনা জাৰি কৰিছে। এই Toll Plaza কেইটা হ'ল- দাহালপাৰা (বঙাইগাওঁ), ৰহা (নগাওঁ), পাটগাওঁ (কোকৰাঝাৰ), নাজিৰাখাট (কামৰূপ গ্ৰাম্য), মদনপুৰ (কামৰূপ মহানগৰ), মিকিৰাটি হাওগাওঁ (হোজাই) আৰু মান্দেৰডিচা (ডিমা-হাচাও)। এই ৭ টা টোলগেটৰ ক্ষেত্ৰত ভাৰত চৰকাৰৰ ৰাজপত্ৰিত অধিসূচনাত নিৰ্দেশনা দিয়া হৈছে। ৰহা টোলগেটৰ পৰা সংগৃহীত ৰাজহ ৰাজ্যখনৰ আন্তঃগাঁথনিৰ বাবে ব্যৱহাৰ কৰা হ'ব।

**মাননীয় আমিনুল ইছলাম, (ধিং)ঃ** মন্ত্ৰী মহোদয়ে সন্তোষজনক উত্তৰ দিলে ৰহাত আন্দোলন বন্ধ হ'ব।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মাননীয় মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদিঃ** আমি যদি পৃথিৱীত নোহোৱা কাম এটা কৰোঁ, তেন্তে সেই কামৰ বাবে আমি সকলোৰে সমৰ্থন বিচাৰিম । কিন্তু, যিবোৰ আইনসংগত কথা, যি ব্যৱস্থা সমগ্ৰ ভাৰতবৰ্ষতে চলি আছে, আনকি, আমাৰ চুবৰীয়া ৰাজ্য মেঘালয়তো চলি আছে সেই সম্পৰ্কত আমি আলোচনা কৰাৰ কি প্ৰয়োজন আছে? আমিনুল ইছলাম ডাঙৰীয়া, আপুনিও জানে যে এই সম্পৰ্কে আলোচনা কৰা মানুহজন এতিয়া বাহিৰত নাই, তেওঁ জেলতহে আছে, গতিকে এনেস্থলত NHAI য়ে কেনেকৈ আলোচনা কৰিব? মই ভাৱো যে আমাৰ ৰাজ্যখনৰ আন্তঃগাঁথনিৰ স্বাৰ্থত সকলো মাননীয় সদস্যই চিন্তা কৰিব লাগে। ধুবুৰীৰ ফুলবাৰী অঞ্চলত ২২ কিঃমিঃ দৈৰ্ঘ্যৰ দলং নিৰ্মাণৰ কথা কোনোবাই চিন্তা কৰিব পাৰে নেকি? কিন্তু, এই দলং নিৰ্মাণৰ কাম যদি কিবা কাৰণত বন্ধ হৈ যায় তেন্তে আপোনালোকৰে অসুবিধা হ'ব । এই সমষ্টিটোৰ পৰাই আপোনালোকৰ দলে লোকসভালৈ নিৰ্বাচিত হৈছে আৰু ভৱিষ্যতেও তাৰ পৰাই নিৰ্বাচিত হ'ব, আন সমষ্টিত আশা নাই। সেয়েহে, তাত যদি টোলগেট বন্ধ হৈ দলঙৰ কাম বন্ধ হয় তেন্তে আপোনালোকৰে অসুবিধা হ'ব। আনহাতে, এটা সময়ত ব্ৰহ্মপুত্ৰত দলঙৰ বাবে আন্দোলন কৰা হৈছিল, এতিয়া সেই ব্ৰহ্মপুত্ৰৰ ওপৰতে ৬ খনকৈ দলং নিৰ্মাণৰ কাম আৰম্ভ হ'ব।

**মাননীয় ৰূপজ্যোতি কুৰ্মী (মৰিয়নী)ঃ** চাৰ, মাজুলীত দলং হ'ব নে নহয়?

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (সংসদীয় পৰিক্ৰমা মন্ত্ৰী)ঃ** মাজুলীতো দলং হ'ব ।

**শ্ৰী কমলাক্ষ দে'পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ)ঃ** বৰাকত দলঙৰ কাম কেতিয়া হ'ব?

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (সংসদীয় পৰিক্ৰমা মন্ত্ৰী)ঃ** উপাধ্যক্ষ মহোদয়, বৰাকতো দলং হ'ব । আমাৰ মাজত বৰাকৰ বিধায়ক শ্ৰী কিশোৰ নাথ ডাঙৰীয়া আছেই, তেখেতক সুধিলে তেখেতেও ক'ব। তেখেতে কৈছে যে বিধায়ক হওঁতে তেখেতে কল্পনাই কৰা নাছিল যে বৰাকতো এনে এখন বৃহৎ দলং নিৰ্মাণ হ'ব।

**মাননীয় উপাধ্যক্ষঃ** বৰাকত দলঙৰ কাম আৰম্ভ হৈছে। পুৰকায়স্থ ডাঙৰীয়া, এই ক্ষেত্ৰত আপোনাৰ যদি কিবা proposal আছে, তেন্তে দিব পাৰে।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (সংসদীয় পৰিক্ৰমা মন্ত্ৰী)ঃ** গতিকে, উপাধ্যক্ষ মহোদয়, এই কথাখিনি মই সদনক জনালো, ই সম্পূৰ্ণ যুক্তি আৰু ন্যায়সংগত আৰু ভাৰত চৰকাৰে অসমৰ আন্তঃগাঁথনিৰ উন্নয়নৰ স্বাৰ্থত এই টোলগেটৰ ব্যৱস্থা কৰিছে। Comptroller & Auditor General of India ই কৈছে যে টোলগেট নহ'লে উন্নয়নৰ বাবে পুঁজি দিব নালাগে। গতিকে ৰাজ্যখনৰ ক্ষতি হোৱা কাম আমি কেতিয়াও কৰিব নালাগে। ধন্যবাদ।

**শ্ৰী কমলাক্ষ দে' পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ)ঃ** উপাধ্যক্ষ মহোদয়, মই এটা কথা ক'ব বিচাৰিছো। মন্ত্ৰী মহোদয়ে কোৱা কথাখিনি ভালেই পাইছো। কিন্তু মই এটা পৰামৰ্শ দিব বিচাৰিছো।

**মাননীয় উপাধ্যক্ষঃ** পুৰকায়স্থ ডাঙৰীয়া, এতিয়া আৰু নালাগে। আপুনি বহক।

নুৰুল হুদা ডাঙৰীয়া, এতিয়া আপোনাৰ বিষয়টো উত্থাপন কৰক।

**শ্ৰী নুৰুল হুদা (ৰূপহীহাট)ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, যোৱা ৩ মাৰ্চৰ, ২০২০ তাৰিখে অসমীয়া প্ৰতিদিন কাকতত প্ৰকাশিত 'ৰাজ্যত অশান্তি বিয়পোৱাৰ চক্ৰান্ত দুষ্টচক্ৰৰ, মছজিদত নিশা দুৰ্বৃত্তই অগ্নিসংযোগ কৰাক লৈ উত্তপ্ত বাক্সা' শীৰ্ষক বাতৰিটো শূন্যকালীন ঘণ্টাত উত্থাপন কৰিবলৈ সুযোগ দিয়াৰ বাবে মই আপোনাক ধন্যবাদ জনাইছো।

উপাধ্যক্ষ মহোদয়, যোৱা ১ মাৰ্চৰ নিশা ২ বজাত বাক্সা জিলাৰ কালপানী আঞ্চলিক জামে মছজিদত দুৰ্বৃত্তই প্ৰৱেশ কৰি মছজিদৰ ভিতৰত থকা ১১খন ইছলাম ধৰ্মৰ পবিত্ৰ ধৰ্মপুথি কোৰাণ শ্বৰীফ আৰু তিনিখন হদিছৰ কিতাপ এচিড্ ঢালি জ্বলাই দিলে, লগতে মছজিদৰ ভিতৰত থকা Inverter আৰু আচবাবসমূহ সম্পূৰ্ণভাৱে ধ্বংস কৰি মছজিদৰ ভিতৰত অগ্নিসংযোগ কৰিলে। ইয়াৰ কিছুদিন পূৰ্বেও মছজিদত অস্পৃশ্য সামগ্ৰী পেলাই এটা উত্তেজনা বিয়পাবলৈ চেষ্টা কৰিছিল। স্থানীয় ৰাইজে আৰক্ষীক এই বিষয়ত তদন্ত কৰি ব্যৱস্থা লোৱাৰ আহ্বান জনাই মিলা-প্ৰীতিৰে বিষয়টো সমাপ্ত কৰিছিল। আকৌ, যোৱা ২১ ফেব্ৰুৱাৰী তাৰিখেও খাইৰুল ইছলাম নামৰ এজন ব্যক্তিক গুলিয়াই হত্যা কৰা হ'ল কিন্তু তেওঁৰ হত্যাকাৰীক আজিলৈকে চিনাক্ত কৰি কৰায়ত্ত কৰিব পৰা নাই। যোৱা বছৰ এ.বি.আমচুৰ সভাপতি লাফিকুল ইছলামক গুলিয়াই হত্যা কৰা হ'ল। কিন্তু আজিলৈকে তেওঁৰ হত্যাকাৰীকো কৰায়ত্ত কৰিব নোৱাৰিলে। উপাসনাস্থলী মছজিদত ইছলাম ধৰ্মৰ ধৰ্মপুথি সমূহ জ্বলাই দিয়া ঘটনাই আজি তিনিটা দিন অতিক্ৰম কৰিলে, কিন্তু, প্ৰশাসনে এতিয়ালৈকে কোনো এজন দুৰ্বৃত্তক চিনাক্ত কৰি কৰায়ত্ত কৰিব পৰা নাই। গতিকে এনেধৰণৰ ঘটনাৰ পৰা এইটোৱেই বুজা যায় যে ৰাইজৰ জীৱন আৰু সম্পত্তিক নিৰাপত্তা দিয়াত এই চৰকাৰ সমূলি ব্যৰ্থ হৈছে। যদি এটা সম্প্ৰদায়ৰ উপাসনাস্থলী, ধৰ্মপুথিৰ ওপৰত আক্ৰমণ কৰি এনেদৰে ধ্বংস কৰাৰ চেষ্টা চলোৱা হয়, এনে জঘন্য অত্যাচাৰ চলোৱা হয়, কিন্তু এনে অন্যায়ৰ প্ৰতি চৰকাৰ পক্ষ যদি বিচাৰৰ সন্মুখীন নহয় আৰু চৰকাৰে যদি এই বিষয়বোৰ গুৰুত্ব সহকাৰে নলয়, তেন্তে, আমাৰ স্বাধীনতা, আমাৰ গণতন্ত্ৰ কেনেকৈ জীয়াই থাকিব ? আমি কেনেকৈ শান্তিৰে বসবাস কৰিম ? গতিকে উপাধ্যক্ষ মহোদয়, এই যিকেইটা ঘটনা সংঘটিত হৈছে তাৰ ওপৰত তদন্ত কৰি অতি সোনকালে দুৰ্বৃত্তসকলক কৰায়ত্ত কৰাৰ ব্যৱস্থা কৰিব লাগে। মই বুজিব পৰা নাই, চৰকাৰে এই বিষয়সমূহক কিয় অৱহেলা কৰিছে! মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ জনাব বিচাৰিছো যে এনেদৰে চাৰিটা ঘটনা সংঘটিত হৈ যোৱাৰ পিছতো এতিয়ালৈ ইয়াৰ কোনো ধৰণৰ প্ৰতিকাৰ নহ'ল, এজনো দুৰ্বৃত্তকাৰী কৰায়ত্ত কৰিব পৰা নগ'ল, গতিকে ই এইটোৱেই সূচায় নেকি যে এটা সম্প্ৰদায়ৰ ওপৰত পৰিকল্পিত ভাৱে ষড়যন্ত্ৰ কৰা হৈছে আৰু এই ষড়যন্ত্ৰ প্ৰতিৰোধ কৰিবৰ বাবে চৰকাৰ পক্ষ, আৰক্ষী বিভাগ আগবাঢ়ি আহিব পৰা নাই। গতিকে, পৰিকল্পিত ষড়যন্ত্ৰবিলাক

বন্ধ হ'ব লাগিব ।

**শ্ৰী পদ্ম হাজৰিকা (চতিয়া)ঃ** উপাধ্যক্ষ ডাঙৰীয়া, Point of order। সদস্য গৰাকীয়ে শূন্যকালীন ঘণ্টাত বক্তব্য ৰাখোতে পৱিত্ৰ সদনত সাম্প্ৰদায়িক মন্তব্য নিদিবৰ বাবে অনুৰোধ জনাইছো। এটা সম্প্ৰদায়ৰ ওপৰত পৰিকল্পিত ষড়যন্ত্ৰ কৰা বুলি তেখেতে যি সাম্প্ৰদায়িক মন্তব্য দিছে, এই পৱিত্ৰ বিধান সভাত তেনে বক্তব্য ৰখাত অনুমতি দিব নালাগে।

(সদনত হুলস্থুলীয়া পৰিৱেশৰ সৃষ্টি হয়।)

**মাননীয় অধ্যক্ষ মহোদয়ে নিজৰ আসন গ্ৰহণ কৰে।**

**মাননীয় অধ্যক্ষ ঃ** সদনৰ বিশেষ এটা কামৰ বাবে মই বাহিৰলৈ গৈছিলো। কেতিয়াবা সদনত এনেকুৱা উত্তেজনাপূৰ্ণ পৰিস্থিতি হোৱাটো ডাঙৰ কথা নহয়। কিন্তু আমি সকলোৱে নিজকে অলপ হ'লেও সংযম ৰাখিব লাগিব। শূন্যকালীন ঘণ্টাত যেতিয়া প্ৰশ্ন এটা আহে নিয়ম অনুসৰি আমি সেইটো ৫ মিনিটৰ ভিতৰত শেষ কৰিব লাগে। কেতিয়াবা যদি মোকো কোনোবাই বেয়াকৈ কয়, মোৰ মনতো খং উঠিব পাৰে। কিন্তু খং নুঠাটোৱেই ভাল। সংযম থাকিব লাগে। বিধান সভাত তিনিটা গুণ আমাক সকলোকে লাগে। সেয়া হৈছে সংযম, ধৈৰ্য্য আৰু Mutual respect to each other.আমি বিৰোধী দল বা শাসকীয় দল যি দলতে নাথাকো কিয় আমাৰ মাজত এজনে আনজনৰ বাবে সন্মান থাকিব লাগে। আপুনি যদিও উত্তেজিত হোৱা নাই বুলি কৈছে আৰু আপুনি হয়তো উত্তেজিত নহ'ব পাৰে, কিন্তু আপুনি সদনত কথাখিনি কওঁতে অলপ নিম্ন সুৰত ক'ব। কাৰণ আপোনাৰ কথা ৰেকৰ্ড হ'ব আৰু সকলোৱে শুনিব। আমাৰ এনেকুৱা ধৰণৰ ঘটনা কেৱল আজিয়েই হোৱা নাই, প্ৰায়েই হয়। আমাৰ সদনৰ যিকোনো ঘটনাই ৰাজ্যত শান্তি-সম্প্ৰীতি, সাম্প্ৰদায়িক-সম্প্ৰীতি আৰু শান্তি-শৃঙ্খলা অটুত ৰখাৰ দায়িত্ব আছে। টোল গেটৰ ক্ষেত্ৰত মই শুনিছো যে ৰাষ্ট্ৰীয় ঘাইপথ সমূহ ভাৰত চৰকাৰৰ আৰু তেওঁলোকে ইয়াৰ কাম কৰে। নহ'লে আমি Development ৰ পইচা নাপাম। কাৰণ টোল গেটসমূহ গোটেই ভাৰত বৰ্যত চলিছে। কিন্তু ইয়াত টোল গেটসমূহ প্ৰথমৰ পৰাই বন্ধ কৰিবৰ চেষ্টা কৰা হৈছে। এতিয়া কথাখিনি স্পষ্ট হোৱাৰ পিছত আমি বিধান সভাই কি ভাৱো যে টোল গেটসমূহ থাকিব লাগে নে নালাগে ? কাৰণ আমি ৰাজনীতিত আছো, কেতিয়াবা এইফালে নাইবা কেতিয়াবা আনফালে আছো। গতিকে মূল নীতিৰ বিৰুদ্ধে আমি যাব নোৱাৰো। সেই কাৰণে মই আজি ভাৱিছো টোল গেটৰ কথাটো স্পষ্ট হৈছে। বিভিন্ন সাম্প্ৰদায়িক সম্প্ৰীতি অটুত ৰখাৰ আমাৰ দায়িত্ব আছে। কিবা এটা যদি ঘটনা ঘটিছে সেইটো যাতে আগলৈ নহয় আৰু তাৰ Counter Reaction ও হ'ব নালাগে। যদি এই কথাখিনি আমি ভালকৈ কওঁ, কাইলৈ মানুহৰ মাজত ভাল বাৰ্তা যাব। আমি যদি ইয়াত বেছিকৈ কৰো তেতিয়া ভাৱিব যে সদনতে এনেকুৱা অৱস্থা তেনেহ'লে আমাৰ সাধাৰণ মানুহৰনো কি আছে? সেই কথাটোকে ভাৱি আপোনালোক প্ৰত্যেকে ক'ব। কিন্তু এনেকুৱাকৈ নক'ব যাতে আকৌ এটা reaction আহে। এনেকৈ কওঁক যাতে যিটো ক'লে শান্তি আহে। এতিয়া নুৰুল হুদা ডাঙৰীয়াই তেখেতৰ বক্তব্যটো শেষ কৰি লওঁক। তাৰ পিছত মই সকলোকে ক'বলৈ দিম। যিহেতু মোৰ হাতত অলপ সময় আছে। কেৱল আপুনি Normal voice ত কওঁক। আমি যিহেতু বিধায়ক, ৰাইজৰ প্ৰতিনিধি কিবা এটা বিপদ হ'লেও সংযম ৰক্ষা কৰিব পাৰিলে ভাল।

**শ্ৰী নুৰুল হুদা (ৰূপহী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যোৱা ১ তাৰিখে ৰাতি দুই বজাত বাগচা জিলাৰ কালাপানি মছজিদত দুৰ্বৃত্ত প্ৰৱেশ কৰি তাত থকা ১১খন কোৰাণ শ্বৰীফ যিখন আমাৰ ধৰ্ম পুথি আৰু ৩খন হদিচৰ পুথি এচিড ঢালি জ্বলাই দিয়ে। লগতে মছজিদৰ ভিতৰত যিখিনি আচবাব

আছিল, গোটেই খিনি ধ্বংস কৰে আৰু ধ্বংস কৰি মছজিদত জুই জ্বলাই দিয়ে।

**মাননীয় অধ্যক্ষ ঃ** মই এই বাতৰিটো পাঢ়িছো। এতিয়া কি কৰিব লাগে কওঁক?

**শ্রী নুৰুল হুদা (ৰূপহী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই মছজিদতে কিছুদিন আগতে কিছু অস্পৃশ্য বস্তু পেলাই এটা উত্তেজনাময় পৰিৱেশৰ সৃষ্টি কৰিব বিচাৰিছিল। সেই মছজিদ কমিটীয়ে পুলিচক জনাইছিল যে আমি উত্তেজিত নহওঁ। কিন্তু আপোনালোকে আইনগত ভাৱে ব্যৱস্থা লওঁক। কিন্তু তাৰ ওপৰতো কোনো ব্যৱস্থা লোৱা নহ'ল। ইয়াৰ উপৰিও ২১/২২ ফেব্ৰুৱাৰীত খাইৰুল ইছলামক গুলীয়াই হত্যা কৰা হৈছে। কিন্তু আজিলৈকে দুৰ্বৃত্তক কৰায়ত্ব কৰিব পৰা নাই। দুবছৰ আগত ABMC ৰ সভাপতি লফিউলক হত্যা কৰা হ'ল। কিন্তু আজিলৈকে হত্যাকাৰীক চিনাক্ত কৰা হোৱা নাই আৰু কোনে গুলীয়ালে গ্রেপ্তাৰ কৰিব পৰা নাই? একেৰাহে চাৰিটা ঘটনা সংঘটিত হৈ যোৱাৰ পিছতো আমাৰ উপাসনা স্থলী মছজিদ আৰু ইছলাম ধৰ্মৰ ধৰ্মপুথি জ্বলাই দিয়াৰ পিছতো পুলিচ-প্রশাসনে কোনো ব্যৱস্থা গ্রহণ কৰিব পৰা নাই। কোনো দুৰ্বৃত্ত কৰায়ত্ব নহ'ল। আমি নিবিচাৰো যে পৰৱৰ্ত্তী সময়ত এনেকুৱা কোনো ঘটনা সংঘটিত হওঁক। হিংসাক আমি প্রশ্রয় নিদিওঁ। গতিকে এই যি হিংসাত্মক ঘটনা সংঘটিত কৰা দুৰ্বৃত্ত সকলক কৰায়ত্ব কৰি প্ৰতিৰোধৰ ব্যৱস্থা গ্রহণ কৰিব লাগে। আমি নিবিচাৰো পৰৱৰ্ত্তী সময়ত আৰু এনেকুৱা ঘটনা হওক। ক'তো হ'ব নালাগে। হিংসাক আমি কেতিয়াও বিশ্বাস নকৰো, হিংসাক আমি প্রশ্রয় নিদিও। কিন্তু এই হিংসাত্মক ঘটনাবিলাক যিসকলে কৰি আছে, আৰু সেই দুৰ্বৃত্তসকলক কৰায়ত্ত কৰি প্ৰতিৰোধৰ ব্যৱস্থা কৰা নহয় তেতিয়া হ'লেতো আমাৰ ধৰ্মৰ ক্ষতি হ'ব। আপুনি সদনৰ অভিভাৱক। আমি একান্ত বাধ্য ছাত্ৰৰ দৰে আপোনাৰ পৰামৰ্শ পালন কৰাৰ কাৰণে চেষ্টা কৰো। এতিয়া যদি দ্বিতীয় পক্ষৰ পৰা কিবা বাধা আহে তেতিয়াতো শব্দবোৰ ডাঙৰ হ'ব। এই কথাটোৰে আপোনাৰ জৰিয়তে চৰকাৰক মই অনুৰোধ জনাব বিচাৰিছো। এইটো যাতে পুনৰাবৃত্তি নহয় আৰু এই ঘটনাবিলাকৰ যি দুৰ্বৃত্ত সেই দুৰ্বৃত্ত সকলক কৰায়ত্ত কৰি কেনেদৰে শাস্তিমূলক ব্যৱস্থা কৰিব পৰা যায় তাৰ এটা সুদুত্তৰ আমি চৰকাৰৰ পৰা বিচাৰিছো।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। ঠিক আছে। এতিয়া কথাখিনি ভালকৈ কৈছে। এইবিষয়টোত আকৌ যদি বাদানুবাদ হয় মই কিন্তু অসুখী হ'ম। কাৰণ কথাটো এইটো যে ভাৰতবৰ্ষত যিটো সহিষ্ণুতা আমাক সকলোকে লাগে পৰস্পৰক, সেই সহিষ্ণুতাটো মাজে মাজে আমি দেখিছো সকলোতে হৈছে। আজি যদি মজজিদত হৈছে, কাইলৈ কেতিয়াবা চাৰ্চত হৈছে, কেতিয়াবা নামঘৰত হৈছে এনেকুৱা হৈয়ে আছে। এইটো ভাল লক্ষণ নহয়। যিবিলাক আমি জনা শুনা মানুহ সেই বিলাকে সদায় গৰিহণা দিয়া উচিত আৰু ইয়াক নিৰ্মূল কৰিবৰ কাৰণে ব্যৱস্থা কৰা উচিত। চৰকাৰেও দোষী আৰু দুৰ্বৃত্তক কৰায়ত্ত কৰিবৰ কাৰণে সম্পূৰ্ণভাৱে চেষ্টা চলোৱা উচিত আৰু এইবিলাক নিশ্চিত ভাৱে মই ভাৱো যে, চৰকাৰে এইখিনিৰ ক্ষেত্ৰত কাম কৰিব। কাৰণ আমি ইয়াত সকলোৱে সকলোকে সন্মান কৰো। গতিকে এতিয়া বিষয়টো তেখেতে কৈছে উত্তৰটো আপুনি শুনাটো বেয়া নহয়। সেই বক্তব্যৰ ওপৰত নহয় কিবা যদি বেলেগ কথা আছে আপুনি কওঁক। মই কাৰণ allow কৰিছো বুলি কোৱাৰ কাৰণে।

**শ্রীপীযুষ হাজৰিকা (মাননীয় মন্ত্রী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, বেলেগ ক'ব লগা নাই। তেখেতে এটা কথা কৈছে যে উত্তেজনাৰ বশৱৰ্তী হৈ কোৱা বুলি। মই ভাবিছো যে এটা সম্প্ৰদায়ক পৰিকল্পিতভাৱে টাৰ্গেট কৰি আক্ৰমণৰ লক্ষ্য কৰা হৈছে। এইটো সদনৰ কাৰ্য্যক্ৰমণিকাৰ পৰা আঁতৰাই নিলে মই সুখী হ'ম আৰু এটা কথা কওঁ মোৰ সমষ্টিৰ ধৰমতুলৰ বিখ্যাত বিষ্ণু মন্দিৰত আজিৰ পৰা প্ৰায় এবছৰৰ আগত লণ্ড-ভণ্ড কৰি ডকাইতি কৰা হৈছিল। দোষীক কৰায়ত্ত কৰা

হৈছিল, তেতিয়া কিন্তু আমি সম্প্ৰদায়িক কথা বতৰা বিলাক বিধান সভা বা বাহিৰতো কোৱা নাছিলো। গতিকে তেখেতসকলেও যাতে এনেকুৱা ধৰণৰ কথা নকয়।

**মাননীয় অধ্যক্ষঃ** আমি সকলোৱে ধৈৰ্য্য ধৰিব লাগিব। কিন্তু মই আপোনালোকক কৈছো, কথাবিলাক বহলাব নাপায়। এইখন সদন হয়। আমি যিমান পাৰো কেনেকৈ আচল পইণ্টলৈ যাব পাৰো চাব লাগে।

**শ্ৰী পদ্ম হাজৰিকা (চতিয়া) ঃ** মাননীয় অধ্যক্ষ মহোদয়, তেখেতৰ বক্তব্যত আচলতে Point of order দি মই কথাটো কৈছিলো। মই কথাটো ক্লিয়াৰ কৰি দিব বিচাৰিছো যে তেখেতে যিখিনি কথা দাঙি ধৰিছে, এটা মজজিদক কোনোবাই পৰিকল্পিত ভাৱে আক্ৰমণ কৰাটো আমাৰ সদনে গৰিহণা দিব লাগে। আমাৰ চৰকাৰ বা আমি কোনেও এইটো চাপোৰ্ট নকৰো। এইখন সদনত ছাত্ৰ-ছাত্ৰী বা বিভিন্ন জনে আহি চাই আছে, সংবাদ মাধ্যমৰ মানুহ আছে। সাম্প্ৰদায়িক আক্ৰমণৰ যিটো কথা বতৰা এনেধৰণৰ কথা বতৰা আহিব নালাগে। এইখন শংকৰদেৱ আজান পীৰৰ দেশ। ইয়াৰ আগতেও মই চতিয়াত তেখেতক মই আপোনালোকক দৃষ্টি গোচৰ পৰিকল্পিতভাৱে আগৰ চৰকাৰৰ দিনত তেনেকে কোৱাণখন পুৰিছিল। সংবাদ মাধ্যমতো কথাটো ওলাইছিল। যেতিয়া আমি ৰাইজক জড়িত কৰি গোটেই কথাটো চালো যে, এটা দুষ্ট চক্ৰই সেই ঠাই ডোখৰত নিজৰ স্বাৰ্থ আদায় কৰিবৰ কাৰণে সেই কামটো কৰিছে। তেতিয়া আমি ৰাজহুৱাভাৱে যিটো ব্যৱস্থা ললো তাৰ পিছৰ পৰা কিন্তু তাত তেনেকুৱা সাম্প্ৰদায়িক উত্তেজনা বা মচজিদ বা ধৰ্মস্থানত তেনেকুৱা আক্ৰমণ নাই। আজি মন্দিৰত, নামঘৰত এটা সম্প্ৰদায়ৰ লোকে চুৰ কৰিছে, তাৰমানে কি যে এইটো সাম্প্ৰদায়িক বিষবাষ্প বিয়পাম নেকি? কেনোবা আহিছে, তেনেকৈ কথা ক'ব যে চুৰ, চুৰেই। চুৰ আমাৰ ধৰ্মতো আছে, বেলেগ ধৰ্মটো আছে। গতিকে ইয়াত তেনেকুৱা ধৰণৰ মন্তব্য দিব নালাগে বুলি আমি সজোৰে এই কথাবিলাক নিয়ন্ত্ৰণ কৰিছো। এইখন পবিত্ৰ সদনৰ পৰা যিটো মেচেজ যায়, এই মেচেজটোৱে কিন্তু গোটেই অসমখনতে অশান্ত কৰিব পাৰে। গতিকে এইটো কেতিয়াও আমাৰ চৰকাৰে, প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াইও চব কা চাথ, চব কা বিকাশ, চব কা বিশ্বাস, বিশ্বাসটো কাৰ লগত কৰিছে যে সাম্প্ৰদায়িক ভাৱে যিবিলাক কথা বতৰা চলি থাকে, বিজেপি চৰকাৰ আহোতে কৈছিল, গীৰ্জাত প্ৰাৰ্থনা কৰিব নোৱাৰিব, মজজিদত নামাজ পঢ়িব নোৱাৰিব কিন্তু তেনেকুৱা কথাটো হোৱা নাই আৰু তেনেকুৱা কথা আমি অসমীয়া যুৱক হিচাপে এইখন অসমত কেতিয়াও কামনা নকৰো। আমি বিচাৰিছো সাম্প্ৰদায়িক শান্তি, একেলগে আমি থাকো।

**শ্ৰী অশোক সিংঘল (ঢেঁকীয়াজুলী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যিটো ঘটনা ঘটিছে সঁচাকৈ মনত কষ্ট দিব লগা ঘটনা এটা ঘটিছে। ইয়াত কোনো দ্বিমত হ'ব নোৱোৰে। কিন্তু এই ঘটনাক যেনেকৈ ৰং সনাৰ চেষ্টা হৈছে এইটো ঠিক নহয়। দ্বিতীয় কথা, আজি মচজিদৰ ওপৰত আক্ৰমণ হৈছে, যোৱাকালি মন্দিৰৰ ওপৰত আক্ৰমণ হৈছিল তাৰ ওপৰত ক'ৰবাত গীৰ্জাৰ ওপৰত আক্ৰমণ হৈছিল, এই আক্ৰমণ হোৱাতো আমি যদি কওঁ যে, এটা ধৰ্মক টাৰ্গেট কৰা হৈছে, এটা সম্প্ৰদায়ক টাৰ্গেট কৰা হৈছে সেই টাৰ্গেটতো কোনে কৰি আছে। এই কথাটোৰ সমাজত বিভাজন আনো কিয়। সমাজ খনক যদি আমি একেলগ কৰিব নোৱাৰো বিভাজনটো কৰাৰ অধিকাৰটো আমাক কোনে দিলে। আল্লায়ো দিয়া নাই, ইশ্বৰেও দিয়া নাই। আপোনাৰ দ্বাৰা এই মেচেজ অসমৰ ৰাইজলৈ যাওঁক যে এই বিধান সভাই অসমত শান্তি বিচাৰিছে, অসমত প্ৰগতি বিচাৰিছে আৰু যিসকল ব্যক্তিয়ে এনেকুৱা টাৰ্গেট কথা কয়, উত্তেজনামূলক কথা কয় তাক বন্ধ কৰাৰ কাৰণে আপুনি এটা ব্যৱস্থা ল'ব।

**মাননীয় অধ্যক্ষঃ** আমি বিচাৰিছো সকলোৰে সাম্প্ৰদায়িক সম্প্ৰীতি, শান্তি আৰু কোনো ধৰ্মৰ মন্দিৰত ,কোনো ক্ষেত্ৰতে কোনেও যাতে এনেকুৱা কাম নকৰে যিটোৰ দ্বাৰা সেই সম্প্ৰদায়টোৰ অন্তৰত আঘাত লাগে। তেনেকুৱা কাম কোনো ধৰ্মৰ মন্দিৰত কৰিব নালাগে। এইটোৱে আমাৰ মেচেজ।

**ডাঃ নোমল মোমিন, বোকাজান ঃ** মাননীয় অধ্যক্ষ মহোদয়, কোনো ধৰ্মীয় অনুষ্ঠান জ্বলোৱাতো কোনেও নিবিচাৰে। কোনো ব্যক্তিক বা নিৰিহ ব্যক্তিক গুলিয়াই হত্যা কৰাটো কোনেও নিবিচাৰে আৰু এই উত্তেজনাটো ক'ত হয়? এটা বিশেষ সম্প্ৰদায়ৰ যুৱকক বি টি এ ডি ত গুলিয়াই হত্যা কৰিছে বুলি কৈছে। কিন্তু যোছেফ তপ্পৰ দৰে ব্যক্তিক গুলিয়াই হত্যা কৰা বুলি কৈছে। গতিকে দুই পক্ষৰ যদি দুটা মানুহৰ নাম কৈ দিয়ে, তেতিয়া উত্তেজনাটো কম হয়। এটা পক্ষক যদি কয়, অকল এইটো সম্প্ৰদায়ে কৰিছে, এনেকুৱা ধৰণৰ মন্তব্যতেই উত্তেজনা হয়।

**মাননীয় অধ্যক্ষঃ** উত্তেজনা আমি কমাবৰ কাৰণে যত্ন কৰা ভাল। শ্ৰী আমিনুল ইছলাম।

**শ্ৰী আমিনুল ইছলাম (ধিং)ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি ইয়াত যিখিনি আলোচনা কৰো উদ্দেশ্য এটাই হ'ব লাগে যে তেনেকেই সামাজিক ভাৱে সম্প্ৰীতি অক্ষুণ্ণ থাকে আৰু যাতে দুষ্ট চক্ৰই কোনো সুবিধা নাপায়। এই কামবিলাক যিজনে কৰে এটা চক্ৰ থাকে তেওঁলোকে সংঘাত বিচাৰে যে এনেকুৱা এটা কাম কৰিম যাতে এটা ধৰ্মীয় সংঘাত হৈ এটা অশান্ত পৰিৱেশ সৃষ্টি হয়। এইক্ষেত্ৰত অধ্যক্ষ মহোদয়, কোনো ধৰ্মৰ মানুহে বেলেগ ধৰ্মক হিংসা কৰে, এইটো নহয়। কেতিয়াবা এনেকুৱা ঘটনা অসমত দেখা পাইছো যে নিজৰ ধৰ্মৰ মানুহে নিজৰ ধৰ্মীয় অনুষ্ঠানত কিবা বস্তু পেলাই থৈ গ'ল, পিছত আৰক্ষীয়ে তদন্ত কৰি পাইছে, নিজৰ ধৰ্মৰ মানুহে কামটো কৰিছে যাতে বেলেগ ধৰ্মক সন্দেহ কৰি ইয়াত এটা সংঘাত হয়। মোৰ ধিং সমষ্টিতো এনেকুৱা হৈছিল। হৰি মন্দিৰত হৈছিল। পিছত আৰক্ষীৰ লগত সহযোগ কৰি পালো। গতিকে এই দুষ্ট চক্ৰ যিটো থাকে, ইহঁত কোনো ধৰ্ম বুলি বেলেগ ধমৰ্ক নহয় ইহঁতে বিচাৰিছে এটা অশান্তিহে। গতিকে এই সংঘাতটোক পৰিহাৰ কৰিবলৈ আমি সদনে পণ লব লাগিব যে আমি সেই দুষ্ট চক্ৰটোক, দুষ্ট চক্ৰ বুলি ভাবি আমি কেনেকৈ পৰিহাৰ কৰিব পাৰো। এইটোক যাতে ধৰ্মীয় মেৰুকৰণ কৰিব নালাগে। অধ্যক্ষ মহোদয়, আপুনি জানি ভাল পাব যে, দিল্লীত ইমান ঘটনা হোৱাৰ পিছতো তাত একাংশ মুছলমান মানুহে মন্দিৰ ৰক্ষা কৰিছিল, ঠায়ে ঠায়ে হিন্দু মানুহেও মছজিদ ৰক্ষা কৰিছিল। এই কথাবিলাক ভাৰতত বৈচিত্ৰৰ মাজত ঐক্য, এখন সুন্দৰ ভাৰতবৰ্ষ, এখন ফুলৰ বাগিছা।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ অসমৰ বিভিন্ন সম্প্ৰদায়ৰ মাজত এটা মিলা-প্ৰীতি আছে, এইটো আমি অস্বীকাৰ নকৰো। কিন্তু কথাটো হৈছে আমাৰ বিধায়ক ডাঙৰীয়াই যিটো কথা ক'লে যে, কোনোবা মছজিদ বা ধৰ্মীয় প্ৰতিষ্ঠান যিখিনি মানুহে কৈ থাকে দুষ্কৃতকাৰী, সেইখিনিৰ বিৰুদ্ধে কঠোৰ হ'ব লাগে। কিবা আইন প্ৰণয়ন কৰিব লাগে। এইটো লৈ আমি যাতে লেহেমীয়া একো নকৰো। কাৰণ কোনো দুষ্কৃতকাৰীয়ে যদি কিবা এনেকুৱা এটা কাম কৰে, তাৰ কোনো জাত-ধৰ্ম হ'ব নোৱাৰে। দুষ্কৃতকাৰীৰ কোনো জাত-ধৰ্ম নাই। এইটোৰ. ক্ষেত্ৰত চৰকাৰ কঠোৰ হওঁক। মন্দিৰ, মজজিদ এইবিলাক লৈ যিজনে এনেকুৱা কৰি থাকে, এইটোৰ ক্ষেত্ৰত কঠোৰ ব্যৱস্থা লওঁক, আইন প্ৰণয়ন কৰক, এইটোৰ কাৰণে যি কৰিব লাগে বিধায়ক হিচাপে আমাৰ দলৰ পৰা যি কৰিব লগা আছে আমি কৰিম।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। নুৰুল হুদা আপুনি যিখিনি কথা কৈছে আমি মানিছো যে সকলোৱে সাম্প্ৰতিক সম্প্ৰীতি অটুট ৰাখিব লাগে, দুষ্কৃতিকাৰীৰ ওপৰত কঠোৰৰ পৰা কঠোৰতম শাস্তি ল'ব

লাগে। প্ৰয়োজন হ'লে আইনও তাতকৈ কঠিন হ'ব লাগে। এই বিলাক কথা আমি বুজিছো, কিন্তু মই বিচাৰিছিলো যে এই আলোচনাটো এনেকৈয়ে হওঁক, মন্ত্ৰীয়েও তেনেকৈ উত্তৰ দিয়ক যাতে সেই কথাটোৰ পৰা আমাৰ এটা ভাল বাৰ্তা যায়। অসমখনত প্ৰৰোচনা যিয়ে নকৰক লাগিলে আমি ৰাজনীতি কৰা মানুহখিনিয়ে, আমি বিধায়ক সকলৰ পৰা এইটো যোৱা ভাল যে united, we are united আমি এনেকুৱা ধৰণৰ ঘটনা ক'তো হোৱাটো নিবিচাৰো। অসম চৰকাৰ এইটোত কঠোৰ হ'ব লাগে। আপুনি যদি কিবা ক'ব খুজিছে কওঁক।

**শ্ৰীনুৰুল হুদা (নুৰুল হুদা)** ঃ- অধ্যক্ষ মহোদয় মই এইটোৱে ক'ব বিচাৰিছো যে মোৰ বক্তব্যখিনি যেনেধৰণে লৈ যাব বিচৰা হৈছে, মই কি কৈছিলো এইটো পৰিকল্পিত নেকি? এইটো কিহৰ কাৰণে কৈছিলো ছাৰ, যিহেতু ৪টা ঘটনা হৈ গৈছে আৰু এইটো ৪ নং ৰ ঘটনা। ৪ নং ৰ ঘটনা হোৱাৰ কাৰণেহে মই কথাটো কৈছিলো। সেই মছজিদত আৰু ঘটনা হৈ গৈছিল, সেই সময়ত যদি তাক দমন কৰা হ'লহেতেন, আজি সেই ঘটনাটো পুনৰাবৃত্তি ন'হলহেতেন। সেই কাৰণে মই কৈছিলো এইটো পৰিকল্পিত নেকি, আৰু এই কথাটো কওঁতে বহুতে বহু ধৰণেৰে কৈছে। এইখন শঙ্কৰ আজানৰ দেশ। আমি অসমীয়া, ইয়াত আমি বিভিন্ন জাতি-জনগোষ্ঠীৰ মানুহ একেলগে এটা বন্ধুত্বপূৰ্ণ ভাৰত আমি বসবাস কৰি আছো। এতিয়া যদি কোনোৱে মন্দিৰত আক্ৰমণ কৰে সেইক্ষেত্ৰত ব্যৱস্থা লোৱাৰ কাৰণে আমি আগবাঢ়ি যাব লাগিব। গীৰ্জাত যদি কোনোবাই আক্ৰমণ কৰিবলৈ যায় সেই ক্ষেত্ৰটো আমি ব্যৱস্থা ল'ব লাগিব। আমি প্ৰতিটো ধৰ্মৰ প্ৰতিটো উপাসনা স্থলী সুৰক্ষিত কৰি ৰাখিব লাগিব। প্ৰতিটো জাতিক আমি সুৰক্ষিত কৰি ৰাখিব লাগিব, তাৰ কাৰণে এই চৰকাৰে সকলোকে নিৰাপত্তা দি ৰখাৰ কাৰনে চৰকাৰ, আৰু এইবিলাক চৰকাৰৰ দায়িত্ব আৰু কৰ্ত্তব্য। যদি চৰকাৰে এই দায়িত্ব আৰু কৰ্তব্যবোৰ নিষ্ঠাৰে পালন কৰে এইবিলাক ঘটনাৰ পুনৰাবৃত্তি নহ'ব, আৰু এই ঘটনা যাতে পুনৰাবৃত্তি নহয়, শান্তি-সম্প্ৰীতি অটুত থাকে আৰু এই ঘটনাবিলাকৰ যি দুষ্ট চক্ৰ এই দুষ্ট চক্ৰৰ তদন্ত কৰি, কৰায়ত্ব কৰি তাৰ ব্যৱস্থা ল'ব লাগে।

**মাননীয় অধ্যক্ষ** ঃ- ধন্যবাদ। দেৱব্ৰত শইকীয়া, আপুনি অলপ ক'ব বিচাৰিছিল, তাৰ পিছত মন্ত্ৰীয়ে উত্তৰ দিব।

**শ্ৰীদেৱব্ৰত শইকীয়া, বিৰোধী দলৰ দলপতি** ঃ- মাননীয় অধ্যক্ষ মহোদয়, যিটো কথা আজি আলোচনা হৈ আছে শূন্যকালিন ঘন্টাত, গুৰুত্বপূৰ্ণ যে আমাৰ ৰাজ্যখনত যিটো আমি গৰ্ব কৰো যে আমি সকলোৱে একেলগে আছো, সহনশীলতা এইটো লাহে লাহে যেন কমিব ধৰিছে। এই অনুভৱ এই কাৰণেই হৈছে যে আজি দুদিনমান আগতে বাতৰি কাকতত পঢ়িলো সেনগুপ্ত নামৰ জি চি কলেজৰ এজন প্ৰবক্তাক কিছুলোকে গৈ সুধিছে, তুমি কেনেকুৱা হিন্দু, তোমাৰ ঘৰত কোনো দেৱ-দেৱীৰ ফটো নাই। ফটো থাকিলেই যে হিন্দু হ'ব লাগিব এই কথা কেতিয়াও হ'ব নোৱাৰে। আমাৰ যিটো পৰম্পৰা আমি বিভিন্ন জনক উপাসনা কৰো। আমাৰ সহনশীলতাৰ ভাবটো যেন কমি গৈছে, এনেকুৱা এটা ভাব হৈছে। কি কৰিলে এইটো বৃদ্ধি কৰিব পাৰো, তাৰ কাৰণে চৰকাৰে যাতে কিছু পদক্ষেপ হাতত লয়। সেই কথাটো মই উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে। আমাৰ কাষতে থকা মেঘালয়ৰ পৰিস্থিতিটো এতিয়া অশান্ত হৈ আছে, আমি কেনেকৈ শান্তিৰ বাতাবৰণটো আনিব পাৰো সেইটোয়ে আমাৰ মূল উদ্দেশ্য হ'ব লাগে। মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী)** ঃ- মাননীয় অধ্যক্ষ মহোদয়, আজি শূন্যকালিন ঘন্টাত ৪-৩-২০২০ তাৰিখে আমাৰ 'অসমীয়া প্ৰতিদিন' কাকতত যিটো বিষয় উত্থাপন হৈছিল, আমাৰ মাননীয়

বিধায়ক নুৰুল হুদা ডাঙৰীয়াই সদনত দাঙি ধৰিছে আৰু এই কথাখিনি সদনত দাঙি ধৰাৰ আগতে এই সম্পৰ্কত চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিছে। অধ্যক্ষ ডাঙৰীয়া, মই এটা কথা কওঁ যে ভাৰতবৰ্ষৰ ভিতৰত অসমখন এটা উদাহৰণ। আমি সকলো ধৰ্মৰ, সকলো জাতিয়ে ইজনে সিজনৰ প্ৰতি সন্মান আৰু সহযোগিতাৰে আগবাঢ়ি থকা এখন অসম আৰু এইখন অসম এখন পবিত্ৰ আধ্যাত্মিক তীৰ্থ ভূমি শংকৰ মাধবদেৱৰ। কাৰণ ভাৰতবৰ্ষত বা পৃথিবীত এনেকুৱা নজিৰ নাই যে হাজোৰ হয়গ্ৰীব মাধৱদেৱৰ এটা টিলাৰ পৰা, হয়গ্ৰীব মাধৱদেৱৰ মন্দিৰৰ পৰা ভাহি আহে শংকৰ মাধবদেৱৰ বৰগীতৰ আৱাজ, আৰু একেটা টিলাৰ পৰাই ভাহি আহে আজানপীৰৰ জিকিৰ বা আজানপিৰৰ যি প্ৰয়াস। গতিকে এনেকুৱা সম্পৰ্ক মই ভাবো পৃথিবীৰ কোনো ৰাজ্যত নাই, অসম ৰাজ্যখনতে আছে আৰু এই সম্পৰ্কটো যদি আমি ৰক্ষা কৰিব লাগে, এইখন পবিত্ৰ আধ্যাত্মিক তীৰ্থভূমি অসম ৰাজ্যখনত। গতিকে আমাৰ ইয়াত যি সকল জনপ্ৰতিনিধি আছে তেখেত সকলৰ গুৰুত্ব যথেষ্ট ধৰণে আছে। এই কাৰণেই গুৰুত্ব আছে যে আমি সকলোৱে, শাসক দলৰে হওঁক, বিৰোধী দলৰে হওঁক, কোনোৱে এই কথাবিলাকৰ উত্তেজনাৰ বশৱৰ্তী হৈ আমি এই কথাবিলাক deal কৰিব নালাগে। আপুনি যিটো কথা কৈছে অধ্যক্ষ মহোদয়, সহনশীলতা আমাক লাগিব। কাৰণ ভাৰতীয় দৰ্শনত সহনশীলতা আছে, আৰু ধৰ্মটো এই সহনশীলতাৰ কথাটোও আছে। অধ্যক্ষ ডাঙৰীয়া, যিবিলাক দুষ্কৃতিকাৰী সেই বিলাক দুষ্কৃতিকাৰীয়েই। সি হিন্দুয়ে হওঁক, মুছলমানেই হওঁক, খ্ৰীষ্টানেই হওঁক, জৈনেই হওঁক, বুদ্ধিষ্টেই হওঁক দুষ্কৃতিকাৰী সদায় দুষ্কৃতিকাৰীয়েই। গতিকে এই দুষ্কৃতিকাৰী সকলক আমি segregate কৰিব লাগে। তেতিয়া হ'লে সমাজখন ভালকৈ আগবাঢ়ি যাবৰ কাৰনে আমি আমাৰ জনপ্ৰতিনিধি সকলে যৌথ প্ৰচেষ্টা ল'ব লাগে। সেই কাৰণে আমাৰ গুৰু মহাপুৰুষ শঙ্কৰদেৱে সকলো সম্প্ৰদায়ৰ পৰা শিষ্য লৈছিল। মুছলমানৰ পৰা শিষ্য আছিল চান্দখান তেনেকৈ নগাৰ পৰাও শিষ্য আছিল এচ চি ৰ পৰাও শিষ্য আছিল লগতে হিন্দুৰ পৰাও শিষ্য আছিল । গতিকে এখন বৃহত্তৰ অসমীয়া সমাজ গঢ়াৰ তেওঁৰ যিটো পৰিকল্পনা , এই পৰিকল্পনাটোৰ যিটো আদৰ্শ মহাপুৰুষ জনাই আমাক দি গ'ল, সেই আৰ্দশৰে আমি সকলোৱে একেলগে সমাজখন আগবঢ়াই লৈ যাব লাগিব। তাত আমাৰ যি সকল প্ৰতিনিধি আছে, আমাৰ সকলোৰে এটা কৰ্ত্তব্য আছে, এইটো ক্ষেত্ৰত । সেই কাৰনে দেখা গৈছে যুগে যুগে আমি দেখিছো, সকলো ধৰ্মই সহনশীলতাটো দেখুৱাই গৈছে। বিষ্ণুয়ে যেতিয়া ভগৱান কৃষ্ণৰ অৱতাৰ লৈ আহিছিল এজন ব্যাধৰ দ্বাৰা শৰবিদ্ধ হৈ তেওঁ মৃত্যু মুখত পৰিছিল। কিন্তু যেতিয়া ব্যাধজন তেওঁৰ ওচৰত গৈছিল তেতিয়া কৈছিল যে প্ৰভু মইতো আপুনি বুলি জনা নাছিলো, হৰিণা বুলি মই মাৰি দিলো। তেতিয়া তেওঁ কৈছিল নহয় নহয়, মোক তুমি আজিৰ দিনত শৰ মাৰিবই লাগিব। ভগৱান ৰামচন্দ্ৰ বিষ্ণুৰ অৱতাৰত যেতিয়া দ্বাপৰ যুগত আহিছিল, তেতিয়াও তেওঁৰ পত্নী সীতাক হৰণ কৰি লৈ গৈছিল। সহিষ্ণুতা তেওঁ দেখুৱাইছিল। যি জেচাচক আমি প্ৰেয়াৰ কৰো, খ্ৰীষ্টান ধৰ্মত সেই জেচাচকো ক্ৰুচবিদ্ধ কৰা হৈছে। কিন্তু তেওঁটো কোৱা নাই, যে মোক যি ক্ৰুচ বিদ্ধ কৰিছে, সিঁহতকো তোমালোকে পোতক লোৱা, এনেকৈতো কোৱা নাই। তেওঁ কৈছে যে Vengeance is Mine, said the Lord, বাইবেলত কৈছে। প্ৰতিশোধ মোক ল'ব দিয়া তোমালোকে ল'ব নালাগে। ঠিক তেনেদৰে ইছলাম ধৰ্মটো তেনেকৈ মোতকৈ আপোনালোকে ভালকৈ জানিব যে হজৰত মহম্মদে বহুত সমস্যাৰ তেওঁ সন্মুখীন হৈছিল, অধ্যক্ষ ডাঙৰীয়া সেই কাৰণে তেওঁ কোৱা নাই যে তোমালোকে পোতক লোৱা মোক যি সকলে অন্যায় কৰিছে। তেওঁ বিশ্ব শান্তিৰ কথা, ভাতৃত্বৰ কথা, ইজনে সিজনৰ প্ৰতি প্ৰেম, ধৰ্মৰ অৰ্থটোৱেই হ'ল প্ৰেম। ধৰ্ম মানে এইটো নহয় যে মই একেবাৰে দিন ৰাতি সেৱা কৰি থাকিম,

এইটো ধৰ্ম নহয়, ধৰ্মৰ অৰ্থ হৈছে প্ৰেম, ইজনে সিজনক ভাল পাব লাগিব। কাৰণ আমি পৰআত্মাৰ অংশ আত্মা ৰূপত আমাৰ অন্তৰত আছে, আমাৰ ভিতৰত আছে। আত্মা যেতিয়া আমাৰ শৰীৰৰ পৰা গুছি যাব তেতিয়া আমি ডেডবডি হৈ যাম। যিহেতু আত্মাটো আমাৰ ভিতৰত আছে, ইজনে সিজনক আমি ভগৱান স্বৰূপ হিচাবে গণ্য কৰিব লাগে। সেই কাৰণে বেদত কৈছে যে

"আত্মাত্বম গিৰিজামতি স্বহাস্বৰা প্ৰানহা শৰীৰম গৃহম।
ভূজাতে বিশ্বৰূপম দৰ্শনাং বিদ্যাতে ভৱ ৰচনাং ।।
নিদ্ৰা সমাহি স্থিতিহি সংসাৰক প্ৰদয়হ প্ৰদক্ষিণ বিধি স্বপ্ৰাণী।
সৰ্বাগ্ৰো কিয়ৎ কৰ্মকৰণং তৎ তৎ অখিলং সম্ভৰনম আৰাধনম"।।

মোৰ ভিতৰতে আছা তুমি। এই যে ভাত খাইছা, তোমাৰ কাৰণে খাইছো। খোজ কাঢ়িছো তোমাক ক'ৰবাত দেখা পাওঁ নেকি? এইযে মই শুই আছো, সমাধিত আছো যাতে তোমাৰ লগত কথা পাতিব পাৰো নেকি? মোৰ নিজৰ কাৰণে মই একো কৰা নাই। তাৰ মানে আমি ইজনে সিজনক যিহেতুকে পৰত্মাৰ অংশ ৰূপে আত্মা আমাৰ ভিতৰত আছে, প্ৰত্যেকজনেই ভগৱানৰ একোজন একোজন অন্যতম শ্ৰেষ্ঠ সৃষ্টি। ছয়গাওঁৰ বিধায়ক ৰেকিব উদ্দিন আহমেদক মই যেতিয়া দেখো তেওঁক তেতিয়া মই মুছলমান হিচাপে নেদেখো। মোৰ ভিতৰত যেনেকৈ পৰআত্মাৰ অংশ আত্মা আছে, তেওঁৰ ভিতৰতো পৰআত্মাৰ অংশ আত্মা আছে। তেওঁকো মই ভগৱান হিচাপেই দেখো। তেওঁক মই মুছলমান হিচাবেই নেদেখো। এইটো হ'ল আমাৰ দৰ্শন। গতিকে আমি কাকো হিন্দু, মুছলমান বা খ্ৰীষ্টান হিচাবে নেদেখো। এই যিখিনি মানুহ আছে, এই মানুহখিনিক যদি চেগৰিগেট কৰিব লাগে তেনেহ'লে আমি সকলোৰে মিলি কেৱল জনপ্ৰতিনিধি বুলিয়েই নহয় সাধাৰণ ৰাইজেও চেগৰিগেট কৰিব লাগিব। মাননীয় অধ্যক্ষ মহোদয়, আমি সকলোৰে একগোট হৈ যেতিয়া নিজকে হিন্দু, মুছলমান, খ্ৰীষ্টান বা বৌদ্ধিষ্ট বুলি নেদেখো, ভগবান ৰূপে গন্য কৰো, লাভ যিটো শব্দ সেই শব্দটোৰ যদি আঁচলতে গূঢ়াৰ্থত গৈ ভগবানৰ যিটো উদ্দেশ্য লাভ এই লাভটোৰ যদি আমি আমাৰ অন্তৰত প্ৰতিষ্ঠা কৰো তেতিয়া মই ভাৰো যে এইখিনি চেগৰিগেট হৈ যাব। মাননীয় অধ্যক্ষ মহোদয়, মই এটা সৰু কথা কৈ শেষ কৰিম।

"*এবাৰ গুৰু নানকে তেওঁৰ শিষ্য সকলক লৈ ধৰ্ম প্ৰচাৰ কৰিবলৈ গৈছিল। তেতিয়া গুৰু নানকে তেওঁৰ শিষ্য সকলক বেলেগ এখন গাৱঁলৈ গুৰুবাণী প্ৰচাৰৰ কাৰণে পঠিয়াই দিলে। গধূলি যেতিয়া শিষ্য সকল ঘূৰি আহিলে তেতিয়া গুৰু নানকে গুৰু বাণী প্ৰচাৰ কৰিলে নে নাই সুধিলে। তেতিয়া শিষ্য সকলে ক'লে যে সেইখন গাওঁৰ মানুহবিলাক দস্যুৰ দৰে। আমাক বহুত মাৰপিট কৰিলে আৰু আমাৰেই সৌভাগ্য যে আপোনাৰ আৰ্শীবাদত আমি আহি আপোনাৰ ওচৰ পাইছোহি। তেতিয়া গুৰু নানকে ক'লে যে ভগৱানে তেওঁলোকৰ মংগল কৰক, সেই অঞ্চলৰ সকলো লোকক সকলো দিশৰ পৰা ভগৱানে শক্তিশালী কৰক আৰু কল্যাণ কৰক। পিছদিনা তেওঁলোক অন্য এঠাইলৈ ধৰ্ম প্ৰচাৰ কৰিবলৈ গ'ল আৰু গধূলি ঘূৰি আহি যেতিয়া তেওঁলোকক অভিজ্ঞতাৰ বিষয়ে সুধিলে তেতিয়া শিষ্য সকলে ক'লে যে তেওঁলোকে আমাক ধুনীয়াকৈ সেৱা-শুশ্ৰুষা কৰিলে, কথা বিলাক বুজাই দিলে, আমাৰ কথাবিলাকো শুনিলে আৰু ক'লে যে আমি এনেকুৱা অমৃত বাণী শুনিবলৈ ভালপাওঁ গতিকে আকৌ আহিব। তেতিয়া গুৰু নানকে ক'লে যে ভগৱানে তাতে প্ৰলয়ৰ সৃষ্টি কৰক আৰু মানুহবিলাক স্কেটাৰ হৈ যাওঁক। কিছুদিন পিছত যেতিয়া গুৰু-শিষ্যৰ আলোচনা হ'ল তেতিয়া এজন শিষ্যই ক'লে প্ৰভু যিখন গাওঁলৈ আমি আপোনাৰ বাণী প্ৰচাৰ কৰিবলৈ যাওঁতে আমাক মাৰপিট কৰিলে আৰু আমি কিবাকৈ প্ৰাণৰক্ষা কৰি আহিলো তেতিয়া আপুনি ক'লে যে*

*ভগৱানে তেওঁলোকক মংগল কৰক আৰু সেই অঞ্চলটোৰ উন্নতি হওঁক। কিন্তু যিখন গাৱঁত আমাক সেৱা-শুশ্ৰুষা কৰিলে, আপ্যায়ণ কৰিলে সেই গাওঁখনত প্ৰলয়ৰ সৃষ্টি হওঁক আৰু স্কেটাৰ হৈ যাওঁক বুলি ক'লে। তেতিয়া গুৰু নানকে ক'লে যে যিখন গাৱঁৰ মানুহবিলাক দস্যুৰ দৰে সেইবিলাক মানুহক ভগৱানে ভালদৰে ৰাখক কাৰণ তেওঁলোক ভগৱানৰে সৃষ্টি। ভাল গাওঁখনৰ মানুহখিনিক এই কাৰণেই স্কেটাৰ হৈ যাওঁক বুলি কলো যিহেতু সেই মানুহখিনি ভাল। তাত যেতিয়া প্ৰলয় হৈ সেই মানুহখিনি স্কেটাৰৰ্ড হৈ যাব তেতিয়া যলৈকে তেওঁলোক যাব তাতে ভাল সমাজ এখন সৃষ্টি হ'ব। সেয়ে মই স্কেটাৰৰ্ড হৈ যাওঁক বুলি কৈছো আৰু যদি মই দস্যু বিলাকক স্কেটাৰৰ্ড হৈ যাওঁক বুলি কলো হয় তেওঁলোকে যতেই গ'ল হয় তাতেই দস্যু আৰম্ভ হ'ল হয়।"*

সেয়ে অধ্যক্ষ ডাঙৰীয়া, আমি এইবিলাকক চেগৰিগেট কৰিবলৈ হ'লে গুৰু নানকৰ থিয়ৰি মতে আগবাঢ়িব লাগিব। কিয়নো হিন্দু, মুছলমান, খ্ৰীষ্টান, বৌদ্ধিষ্ট যিয়ে নহওঁক দুৰ্বৃত্ত সদায় দুৰ্বৃত্তই। আজি মছজিদৰ ক্ষেত্ৰত যিটো ঘটনা ঘটিছে, সেই ঘটনাটোক অসম চৰকাৰে নিন্দা কৰিছো আৰু অসম বিধান সভাই ও এইটোক নিন্দা কৰাটো উচিত আৰু এনেকুৱা ঘটনা কেতিয়াওঁ ঘটিব নালাগে। এইক্ষেত্ৰত আপোনাৰ অধ্যক্ষতাত অসম বিধান সভাৰ প্ৰচিডিঙ্চত থাকিব লাগে যে আজিৰ যি ঘটনা ইয়াত উত্থাপন হৈছে সেইটো অসম বিধান সভাই নিন্দা কৰিছে। গতিকে হুদা ডাঙৰীয়া, আপুনি যেতিয়া কথা কৈছে তেতিয়া আপুনি এটা নেশ্যনেল দলৰ সদস্য হিচাবে কৈছে। সেয়ে যেতিয়া আপুনি কথা ক'ব Future Prosprective চাই কথাবিলাক ক'ব লাগে। আপুনি কোৱাৰ দৰে ধাৰাবাহিক ভাৱে এটা সম্প্ৰদায়ৰ ওপৰত অত্যাচাৰ চলি থকাটো সত্য নহয়। আপুনি তিনিজন মানুহৰ মৃত্যুৰ কথা কৈছে। তিনিজন যদি হিন্দু মৰিছে, তিনিজন যদি মুছলিম মৰিছে, আকৌ তেনেকৈ ২৫ জন হিন্দুও মৰিছে, খ্ৰীষ্টানও মৰিছে, শিখও মৰিছে। গতিকে অকল তিনিজনৰ কথাটো লৈ গোটেই বিষয়টো এটা সাম্প্ৰদায়িক দৃষ্টিভংগীলৈ যাব নালাগে। আমি এইটো কথা ভাৱিব লাগে যে যিটো কথা বেয়া, সেইটো বেয়া আৰু মই এটা কথা আজি স্পষ্টভাৱে মই দৃঢ়তাৰে, দায়িত্ব সহকাৰে বিধান সভাৰ মজিয়াত মই সজোৰে এটা কথা কওঁ যে মুখ্যমন্ত্ৰী শ্ৰী সৰ্ব্বানন্দ সোনোৱাল ডাঙৰীয়াৰ নেতৃত্বত এই চৰকাৰৰ দিনত অসমৰ প্ৰতিটো জনগোষ্ঠী, প্ৰতিটো ধৰ্ম, প্ৰতিটো গোষ্ঠীয়ে সমানে নিৰাপত্তা পাব। এইক্ষেত্ৰত কোনো দ্বিমত নাই। এই কথাটো মই দৃঢ়তাৰে, দায়িত্ব সহকাৰে মই মন্ত্ৰী হিচাপে বিধান সভাৰ মজিয়াত দাখিল কৰিলো। মাননীয় অধ্যক্ষ মহোদয়, মই আৰু এটা কথা ক'ব বিচাৰিছো যে বাজপেয়ী ডাঙৰীয়াৰ চৰকাৰ আহোতে ভাৰতবৰ্ষত কোনো কমিউনিয়েল ৰায়ট হোৱা নাই, পৰৱৰ্ত্তী সময়ত মোডী ডাঙৰীয়াৰ চৰকাৰ আহিলে কোনো কমিউনিয়েল ৰায়ট হোৱা নাই কিয়নো মোডীজীয়ে এটা ডাঙৰ ফিল'চফী ভাৰতবৰ্ষৰ মানুহক দিছে। "*সবকা সাথ, সবকা বিকাশ, সবকা বিশ্বাস*" সকলোকে বিশ্বাসত লৈ ভাৰতবৰ্ষৰ সমাজখন আগবাঢ়ি যাব। সেয়ে অধ্যক্ষ ডাঙৰীয়া, আমি কৈছো যে চৰকাৰে এনেকুৱা ধৰণৰ ঘটনা কেতিয়াওঁ ট'লাৰেট নকৰে। আমাৰ এখন প্ৰসিদ্ধ দেৱালয় 'উগ্ৰতাৰা দেৱালয়' ৰ মুৰ্ত্তি চুৰি হোৱা কথাটো সকলোৱে জানে। গোটেই ভাৰতবৰ্ষতেই প্ৰচাৰ হৈছে। যিকেইজনক চুৰিকাৰ্য্য সংঘটিত কৰাৰ কাৰণে গ্ৰেপ্তাৰ কৰিলে তেওঁলোক এজনো হিন্দু নহয়। গতিকে এইটো সাম্প্ৰদায়িক নহয়। যিয়ে চোৰ কৰিছে তেওঁ দুৰ্বৃত্ত। সেয়ে অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে এটা আপীল কৰিব বিচাৰিছো যে যিয়ে সমাজৰ আগত এটা বেয়া ভাৱৰ সৃষ্টি কৰিব বিচাৰে তেনেকুৱা ধৰণৰ সাম্প্ৰদায়িক কথা আমাৰ জনপ্ৰতিনিধিয়ে সংযত হৈ ক'লে ভাল যাতে সদন শেষ হোৱাৰ পিছত ভাল ৰিপ্লাই এটা বাহিৰলৈ যায়। অধ্যক্ষ মহোদয়, ৩ মাৰ্চ২০২০ তাৰিখৰ অসমীয়া প্ৰতিদিন কাকতত প্ৰকাশিত বাতৰি 'ৰাজ্যত অশান্তি

বিয়পোৱাৰ চক্ৰান্ত দুষ্ট চক্ৰ'ৰ মছজিদত নিশা দুবৃৰ্ত্তই অগ্নি সংযোগ কৰালৈ উতপ্ত বাক্সা শীৰ্ষক বাতৰিটোৰ চৰকাৰৰ দৃষ্টিগোচৰ আগতে হৈছে। এই বিষয়টো 'জিৰো আৱাৰ'ত নাহিলেও পুলিছে ততাতৈয়াকৈ inquary কৰিছে। এটা কথা আছে অধ্যক্ষ মহোদয়, পুলিছে যেতিয়া ধৰিব Source লগাইহে ধৰিব। পটকৈ মানুহবিলাক ধৰিব পাৰিলেতো ভালেই। গতিকে এইটো নহয় যে Police ৰ intention নাই ধৰাটো। Police য়ে চেষ্টা কৰিছে, Source লগাইছে।

যোৱা ইং ০২-০৩-২০২০ তাৰিখে ৰাতিপুৱা ৭ বজাত কোনো দুস্কৃতিকাৰীয়ে গোৱৰ্দ্ধনা থানাৰ অন্তৰ্গত কালপানী আঞ্চলিক জামে মজজিদৰ চৌহদত জুই জ্বলোৱা ঘটনা সংঘটিত কৰিছে বুলি জানিব পাৰি গোৱৰ্দ্ধনা থানাৰ ভাৰপ্ৰাপ্ত বিষয়াগৰাকীয়ে তৎক্ষনাত ঘটনাস্থলিত উপস্থিত হয় আৰু জানিব পাৰে যে যোৱা ১ মাৰ্চৰ ৰাতি সংঘটিত উক্ত ঘটনাত ১১ খন পবিত্ৰ কোৰান আৰু ৩ খন হাদিছৰ কিতাপ জ্বলি যায়। সেই মুহুৰ্ত্তত উক্ত মজজিদৰ ইমাম আলী হুচেইন ঘটনাস্থলীত উপস্থিত হয়। ঘটনা সংক্ৰান্তে জানিব পাৰি বাক্সা জিলা আৰক্ষী অধীক্ষক আৰু অতিৰিক্ত আৰক্ষী অধীক্ষকদ্বয়ে তৎকালে ঘটনাস্থলীত উপস্থিত হৈ সুৰক্ষা বাহিনী মোতায়ন কৰে। লগতে সকলো থানাৰ ভাৰপ্ৰাপ্ত বিষয়াসকলক সৰ্তক কৰি দিয়ে আৰু চি আৰ পি এফৰ দ্বাৰা তহল দিয়াৰ ব্যৱস্থা কৰিবলৈ নিৰ্দ্দেশ দিয়ে। ইয়াৰ পিচত ৭০০ মান ক্ষোভিত ৰাইজ উক্ত মজজিদৰ চৌহদত গোট খায় আৰু দুস্কৃতিকাৰীক তৎকালে গ্ৰেপ্তাৰ কৰিবলৈ দাবী জনায়। ইয়াৰ পিচত শালবাৰী মহকুমাৰ মহকুমাধিপতি আৰু আৰক্ষী অধীক্ষকে উপস্থিত ৰাইজক শান্তি - শৃংখলা বজাই ৰাখিবলৈ আহ্বান জনায় লগতে জ্যেষ্ঠ নাগৰিক, সমাজ কৰ্মী আৰু সকলো জনগোষ্ঠীৰে নেতাসকলৰ লগত আলোচনা কৰি পৰামৰ্শ লয়। মজজিদ সমিতিৰ সম্পাদক মঃইব্ৰাহিম আলীয়ে গোৱৰ্দ্ধনা থানাত ঘটনা সংক্ৰান্তত দাখিল কৰা এজাহাৰৰ ভিত্তিত গোৱৰ্দ্ধনা থানাত গোচৰ নং ৪৩/২০২০ ভাঃ দঃবিঃ আইনৰ ২৯৫/৪৩৫/৪৩৬ ধাৰাত ৰুজু কৰি তদন্ত ক্ষীপ্ৰগতিৰে আৰম্ভ কৰিছে। বৰ্ত্তমান তদন্ত চলি আছে। অধ্যক্ষ ডাঙৰীয়া আপোনাক জনাও যে পুলিছে এইক্ষেত্ৰত ব্যৱস্থা ল'ব। মই আপোনালোকক আশ্বস্থ কৰিছো। পুলিছে এনকোৱাৰি কৰি আছে- যে সেই মানুহখিনি কোন ? স্থানীয় মানুহ নে আন ঠাইৰ পৰা দুস্কৃতিকাৰী আহি এই কামটো কৰিছে কাৰন দুস্কৃতিকাৰী সমাজবিৰোধী- ইয়াত বিভিন্ন Design থাকিব পাৰে। কিন্তু অধ্যক্ষ মহোদয় ডাঙৰ কথাটো হ'ল এইখন পবিত্ৰ আধ্যাত্মিক ভূমি শংকৰ- মাধৱৰ। এতিয়া এই বিবৃতিৰ শেষত মই কওঁ যে, তাত যিখিনি 'কোৰান- হাদিছ' জ্বলিছে তাৰ স্থানীয় হিন্দু- খ্ৰীষ্টানসকলে সেইখিনি পবিত্ৰ গ্ৰন্থ দান কৰিছে। এইখিনি কথা মই আপোনালোকক জনালো। গতিকে এইটো এটা সদিচ্ছা দেখুৱাইছে যে তাত কোনো স্থানীয় জনসাধাৰণ জড়িত নাই। তাত কোনো দুস্কৃতিকাৰী জড়িত আছে।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ.... এতিয়া ৰূপজ্যোতি কুৰ্মী।

**শ্ৰীৰূপজ্যোতি কুৰ্মী ঃ** মাননীয় অধ্যক্ষ মহোদয়, 'জিৰো আৱাৰচ'ৰ অধীনত এটা গুৰুত্বপূৰ্ণ বিষয় এই পবিত্ৰ বিধান সভাত উত্থাপন কৰিবলৈ দিয়াৰ বাবে মই আপোনাক ধন্যবাদ জ্ঞাপন কৰিছো। বিষয়টো আছিল 'দৈনিক অগ্ৰদুত' কাকতত প্ৰকাশিত এটা বাতৰি 'মৰিয়ণী ত সেনাৰ বেশত আহি ডকাইতি', দুবৃৰ্ত্তৰ গুলিত এজন আহত, এজনক কৰায়ত্ব" । মৰিয়নীৰ এই ঘটনাটো কোৱাৰ আগতে 'প্ৰতিদিন' বাতৰি কাকতত আৰু এটা বাতৰি প্ৰকাশ পাইছিল। আজি এই বিষয়ে মই সদনক অৱগত কৰিব বিচাৰিছো। হাইলাকান্দি জিলাতো শূন্যলৈ গুলি চলাই ব্যাৱসায়ী ৰাজু মিশ্ৰক অপহৰণ কৰিলে। মৰিয়নীতো সেনাৰ পোছাকত আহি দুবৃৰ্ত্তই সঞ্জয় আগৰৱালা নামৰ এজন ব্যৱসায়ীৰ গৃহত প্ৰৱেশ কৰি যোৱাকালি সন্ধিয়া ৭-৮ মান বজাত গোটেই পৰিয়ালৰ লোকক এটা কোঠাত বন্ধ কৰি সোণৰ

আ-অলংকাৰকে ধৰি ৪০ - ৫০ লাখ টকা লুট কৰি লৈ পলাই চাবলৈ চেষ্টা চলায়। তেখেতৰ পৰিয়ালত মহিলাৰ সংখ্যা অধিক আছিল। পলায়ন কৰিবলৈ চেষ্টা যদিও চলাইছিল প্ৰথমে ৯.৩০ বজাত চমশ্বেৰ সিং নামৰ এজন লোকক মৰিয়নীৰ স্থানীয় ৰাইজে ধৰি বান্ধি পুলিছক গতাই দিয়ে। পিছলৈ মুক্তাৰ সিং নামৰ আন এজন লোকক মৰিয়নীৰ ৰাইজে ৰে'ল ষ্টেশ্যনৰ কাষত দেখা পায় আৰু সন্দেহ কৰি পুলিছক গতাই দিয়ে। একেদিনাই পুৱাৰ ভাগত মৰিয়নীৰ স্থানীয় ৰাইজে লাভ সিং নামৰ আন এজন সন্দেযুক্ত লোকক ধৰি পুলিছক গতাই দিয়ে। পিছলৈ গৈ পুলিচে গুৰমিত সিং নামৰ আন এজন গাড়ী চালকক গোলাঘাটৰ পৰা আটক কৰিবলৈ সক্ষম হয়। চমশ্বেৰ সিং, মুক্তাৰ সিং, লাভ সিং আৰু গুৰমিত সিং এই চাৰি ব্যক্তিক কৰায়ত্ব কৰিলে কিন্তু এজন ব্যক্তিক এতিয়ালৈ কৰায়ত্ব কৰিব পৰা নাই। সেনাৰ পোছাকত মৰিয়নীতো ডকাইতি হৈছে আৰু যোৰাকালি হাইলাকান্দিতো ডকাইতি হৈছে। ইয়াৰ লগতে মৰিয়ণীত এটা ডাঙৰ ঘটনা হ'ল- ব্যৱসায়ী সঞ্জয় আগৰৱালাৰ তাত কৰ্মৰত সঞ্জয় ৰায় নামৰ এজন কৰ্মচাৰীৰ বুকুত দুবৃৰ্ত্তৰ গুলি লাগে। তেখেত যোৰহাট মেডিকেল কলেজত চিকিৎসাধীন হৈ আছে। আজি অপাৰেশ্যন চলি আছে। তেওঁৰ চিকিৎসাৰ বাবে আমি চৰকাৰৰ ওচৰত দাবী জনাইছো। ইয়াৰ পৰা গম পোৱা গৈছে .অসমৰ বহু লোকৰ হাতত অবৈধ বন্দুক আছে। তাৰে এনেধৰনৰ ঘটনা সঘনাই ঘটি গৈ আছে। মৰিয়ণীৰ এই ডকাইটিৰ ঘটনাত জড়িত বহুতকে কৰায়ত্ব কৰিব পৰা নাই। আকৌ আমি দেখা পালো যে, কেইদিনমান আগতে ডিব্ৰুগড়ত এজন মাৰোৱাৰী সম্প্ৰদায়ৰ ব্যাৱসায়ীক গুলিয়াই থৈ যায়। ইয়াৰ লগতে গুৱাহাটীৰ হাতীগাও থানাৰ নিচেই কাষতে ৫০০ মিটাৰ দুৰত্বত আন এজন মাৰোৱাৰী সম্প্ৰদায়ৰ ব্যৱসায়ীক গুলিবিদ্ধ কৰি থৈ পলাই যায়। কেইদিনমান আগতে আমি দেখা পাইছো BTRত ইছলাম নামৰ এজন ব্যাক্তিক দুবৃৰ্ত্তই গুলিয়াই পলাই যায়। আকৌ জানুৱাৰী মাহৰ ৮ তাৰিখে এজন ইঞ্জিনিয়াৰক লাষ্ট গেট, গুৱাহাটীত হত্যা কৰি দুবৃৰ্ত্ত পলাই যায়। ইয়াৰ আগতে ডুমডুমাত জানুৱাৰী ৩০ তাৰিখে আজিৰ পৰা এমাহৰ আগতে এজন ATM Security Gaurd ক গুলিবিদ্ধ কৰি দুবৃৰ্ত্ত পলাই যায়। আমি যদি আন ধৰনে চাওঁ সেনাৰ পোছকতে হওঁক বা বাহিৰৰ পৰা অহাই হওঁক - আজি অসমৰ গাওঁ- চহৰৰ বহু মানুহৰ হাতত অবৈধ বন্দুক থকা কথাটো হত্যা কৰা, গুলিবিদ্ধ কৰাটোৱে এই কথা প্ৰমান কৰিছে। এইটো কাৰনে আমি চৰকাৰৰ পৰা ইয়াৰ এটা সদুত্তৰ বিচাৰিছো। আমি আশা কৰো ইয়াৰ এটা সদুত্তৰ পাম। আমি যদি চাওঁ ট্ৰেন- বাচেৰে Arms বাহিৰৰ পৰা নিশ্চয় আনিব নোৱাৰে। ট্ৰেনবিলাকত RPF-CRPF আগৰ তুলনাত যথেষ্ট গাঞ্জা-ড্ৰাগছ ইত্যাদি ধৰি আছে। আমি প্লেইন আৰু ট্ৰেইনক বাদ দি যদি চাওঁ ব্ৰহ্মপুত্ৰইদি যদি অহাৰ সম্ভৱনা থাকে ইয়াতো নিশ্চয় আমাৰ অসম পুলিচে ব্যৱস্থা কৰিব। মই যিহেতু মৰিয়ণীত থাকো আৰু মৰিয়ণীৰ লগত বহু বছৰৰ পৰা জড়িত কাৰণে কব বিচাৰো যে ডিমাপুৰৰ পৰা এটা সুযোগ থাকে য'ত ডিমাপুৰৰ পৰা ৰেলৰেৰ যোগেদি বিভিন্ন সামগ্ৰীৰ মাজত আজি মাছৰ মাজতে হওঁক বা বেলেগ অন্য সামগ্ৰীৰ মাজতে হওঁক বন্দুক আনি, ইতিমধ্যে সংবাদ মাধ্যমত আমি অৱগত হৈছো যিসকল দুৰ্বিত্তক পুলিছে ধৰিছিল তেওঁলোকে স্বীকাৰোক্তিত ম্যানমাৰৰ পৰা আদি কৰি ডিমাপুৰৰ যোগেদি বা মণিপুৰৰ যোগেদি ডিমাপুৰৰ পৰা তেওঁলোকে প্ৰৱেশ কৰিছিল। এ কে ৪৭ ৰ দৰে হাথিয়াৰ ব্যৱহাৰ কৰি আজি বিভিন্ন ধৰণৰ ঘটনা সংঘটিত কৰা আমি ইতিমধ্যে বাতৰি সমূহ পাই আহিছো। মোৰ এই বিষয়টো অনাৰ উদ্দেশ্যটো হ'ল যে ভাগ্য ভাল কাৰো মৃত্যু নহ'ল, সঞ্জয় ৰায় তেওঁক ক্ষতি পূৰণ দিয়াটো এটা দাবী। লগতে মই এই পবিত্ৰ বিধান সভাৰ সময় বেছিঁকৈ নলৈ এইটোৱে কব বিচাৰো অসম পুলিচক, অসম পুলিচ একাউন্টিবিলিটি

কমিচনৰ পৰা এটা ৰিপোৰ্ট আহিছে, সেই ৰিপোৰ্টত তেনেকৈ recommendation কৰাৰ ভিত্তিত এটা বিষয়ৰ মই প্ৰথমটো কব বিচাৰিছো। প্ৰথমটো আছিল The recommendation of the Commission No. 1 Constitution of District Accountability Authority : There it was said that the Commission in its Annual Reports submitted from time to time, since its inception had suggested to the Govt. to form District Police Accountability Authority in different districts of the State including BTAD and District Autonomous Councils but the suggestions are yet to be finally accepted. An early action on the suggestion will be highly beneficial to public as well as police. এইখিনিতে মই কব বিচাৰো যে অসম পুলিচক এই ঘটনাটোৰ পিছত মই দুই এজন জেষ্ঠ বিষয়াৰ লগত কথা পাতিছিলো। তেওঁলোকে কোৱা মতে পুলিচৰ সংখ্যা বৃদ্ধি কৰিব লাগে। চেকিং ৰ ব্যৱস্থা ঠায়ে ঠায়ে থাকিব লাগে আৰু এই সেনাৰ পোচাক বেলেগ মানুহে পিন্ধাটো একেবাৰে বন্ধ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। Identity Card proof লগত ৰাখিব লাগে, পুলিচ চেকিঙত চোৱামেলা ব্যৱস্থা গ্ৰহণ কৰিব লাগে। এইখিনি আমি চৰকাৰৰ ওচৰত দাবী জনাইছো। সময় নলয় এটাই স্পষ্টকৈ জানিব বিচাৰিছো এই আৰ্মচৰ যিটো মুকলি বেহাৰ দৰে চলি আছে আৰু মানুহে কৰবাত ফূৰ্ত্তিতে গুলি ফুটুৱাইছে, এনেকুৱা ঘটানাও আমি দেখা পাই আহিছো। এই ঘটনাবোৰ কেনেধৰণে ৰোধ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিছে আৰু কেতিয়ামানে এই ঘটনাবোৰ নোহোৱা কৰিব পাৰিব চৰকাৰে কি মেকানিজিম লৈছে আমাক এটা স্পষ্ট ছবি দাঙি ধৰিব লাগে। পুনৰ দোহাৰিছো সঞ্জয় ৰায়, যিজন ইতিমধ্যে আঘাট প্ৰাপ্ত হৈছে এই আঘাট প্ৰাপ্ত ব্যক্তি জনৰ চিকিৎসাৰ দায়িত্ব চৰকাৰে ল'ব লাগে। যিহেতু একেইবাৰে দুখীয়া পৰিয়ালৰ এজনে উপাৰ্জনকাৰী, পৰিয়ালৰ বাকী লোক সকল তেওঁৰ ওপৰতে নিৰ্ভৰশীল। সেইকাৰণে এই সঞ্জয় ৰায় লোক জনৰ যি চিকিৎসা চলি আছে তেওঁৰ দায়িত্ব চৰকাৰে ল'ব লাগে এইখিনিকে আহ্বান জনাই আৰু বন্দুক অসমত বন্ধ হ'বনে নহয় ইয়াৰ এটা প্ৰতিচ্ছবি দাঙি ধৰিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ৰূপজ্যোতি কুৰ্মী ডাঙৰীয়াই যিটো বিষয় উত্থাপন কৰিছে অগ্ৰদূত কাকতত ০৪-০৩-২০২০ তাৰিখে প্ৰকাশিত 'মৰিয়ণিত সেনাৰ বেশত আহি ডকাইতি' শীৰ্ষক বাতৰিটো চৰকাৰৰ দৃষ্টিগোচৰ হৈছে। এই সংক্ৰান্তে বিস্তৃত প্ৰতিবেদন তলত উল্লেখ কৰা হ'ল।

যোৱা ইং ০৩ মাৰ্চ তাৰিখে নিশা প্ৰায় ৮.৫০ বজাত সঞ্জয় আগৰৱালাৰ বাসগৃহৰ লগত সংলগ্ন গেলামাল দোকানত এটা অচিনাকী দুৰ্বৃত্তৰ দলে প্ৰৱেশ কৰে আৰু নিজকে সেনা বাহিনীৰ লোক বুলি দোকানত উপস্থিত থকা ব্যক্তি কেইজনক পৰিচয় দিয়ে, দুৰ্বৃত্তৰ দলটোৰ মাজত দুজন লোকে সেনাৰ পোচাকত আছিল, উক্ত দলটোৱে প্ৰায় ২/৩ লাখ টকা Cash box ৰ পৰা লুটি লৈ যায়। পিছত দুৰ্বৃত্তৰ দলে ঘৰৰ ভিতৰত প্ৰৱেশ কৰি সকলো ৰূমত টকা বিচাৰি পৰ্য্যাবেক্ষণ কৰে। কিন্তু এতিয়ালৈকে দুৰ্বৃত্তৰ দলে কিবা বস্তু নিলে নে নাই পৰিয়ালৰ লোকৰ পৰা জানিব পৰা হোৱা নাই। ঘটনাৰ সময়ত সঞ্জয় আগৰৱালাৰ দোকানত কাম কৰা ল'ৰা সঞ্জয় ৰায় নামৰ এজন কৰ্মচাৰী দুৰ্বৃত্তৰ গুলীত আঘাতপ্ৰাপ্ত হয়। ইতিমধ্যে আঘাতপ্ৰাপ্ত লোকজনক চিকিৎসাৰ বাবে JMCH আৰু পিছলৈ AMCH, Dibrugharh লৈ প্ৰেৰণ কৰা হৈছে। ঘটনা সন্দৰ্ভত মৰিয়ণি থানাত

গোচৰ নং ৮১/২০২০, ভাঃদঃবিঃ আইনৰ ৩৯৫/৩২৬/৩০৭ ধাৰা আৰু সংলগ্ন ধাৰাৰ ২৭ অস্ত্র আইন মৰ্মে এটা গোচৰ ৰুজু কৰা হৈছে আৰু বৰ্তমান তদন্ত অব্যাহত আছে। উক্ত ঘটনাৰ সন্দৰ্ভত ইতিমধ্যে তিনিজন ব্যক্তি ক্রমে - (১) ছামশেৰ সিং (Ex-Serviceman), (২) জগটাৰ সিং আৰু (৩) লৰজিৎ সিঙক কৰায়ত্ত কৰা হয়। ইয়াৰ উপৰি ঘটনাৰ পৰিকল্পনাত জড়িত নিম্নোক্ত দুজন ব্যক্তিকো ইতিমধ্যে কৰায়ত্ত কৰা হৈছে-

(১) দুষ্মন্ত কলিতা

(২) গুৰমিৎ সিং

কৰায়ত্ত কৰা দলটোৰ পৰা আৰক্ষীৰ দলে নিম্নোক্ত সামগ্ৰী সমূহ জব্দ কৰিবলৈ সক্ষম হয়-

(১) এটা হস্তনিৰ্মিত পিষ্টল

(২) দুটা ৩০৩ গুলী

(৩) নগদ ধন ৫৯,৫৭০.০০ টকা

(৪) তিনিখন কৃপাণ (তৰোৱাল)

(৫) দুটা মোবাইল ফোন

আৰক্ষীৰ শীৰ্ষ বিষয়াই ঘটনাৰ তদাৰক কৰি আছে।

গতিকে অধ্যক্ষ ডাঙৰীয়া, ঘটনাটো হোৱাৰ পিছতে আৰক্ষী এইটোত সক্ষম হৈছে আৰু তেওঁলোকক কৰায়ত্ত কৰিছে। গতিকে আৰক্ষীয়ে এইটো এটা ভাল কাম কৰিছে।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আৰক্ষীয়ে কৰায়ত্ত কৰিছে, ৰাইজৰ সহযোগত কৰায়ত্ত কৰিছে শব্দটো থাকিলে ভাল পাম।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, ৰাইজৰ সহযোগত কৰিছে।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী ঃ** কাৰণ মৰিয়ণি ৰাইজৰ সহযোগতহে কৰায়ত্ত কৰিছে, ডাইৰেক্ট পুলিছে ধৰা নাই। ৰাইজহে ধৰি পুলিচক গটাইছে।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** ঠিক আছে, কথাটো হ'ল যে যিকেইজন গিল্টী পাৰ্চন, যিকেইজনে ক্ৰাইম কৰিছে, ডকাইটি কৰিছে।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী ঃ** ৰাইজৰ সহযোগত কৰায়ত্ত কৰিছে শব্দটো থাকিলে ভাল পাম।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** ঠিক আছে, গতিকে তেওঁলোককটো পুলিছে ধৰিছে। ধৰাটো সত্য।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী ঃ** ৰাইজৰ সহযোগত।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। ৰাইজৰ কথাটো আপুনি কলে সেইটো ৰেকৰ্ড হৈ গৈছে। আপুনি কৈছে নহয়। এতিয়া নন্দিতা দাস।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী ঃ** মই কৈছো কিন্তু চৰকাৰে।

**মাননীয় অধ্যক্ষ ঃ** সেইটো কথাত কিয় লাগি আছে।

**শ্ৰীমতী নন্দিতা দাস ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই এটা কথা জনাব বিচাৰিছো যে মেঘালয়ত যিটো গণ্ডগোল হৈ আছে তাত ইষ্ট খাচী হিল্‌চত চেলা আউত পোষ্টত প্ৰায় ৬০ জনমান মানুহ তাত আবদ্ধ হৈ আছে। তেওঁলোক শ্ৰমিক মানুহ, তাত কাম কৰিব যায়। তেওঁলোকে ঘৰলৈ উভতি আহিব বিচাৰিছে, কিন্তু থানাৰ পৰা তেওঁলোকক আহিব দিয়া নাই। তেওঁলোকক কৈছে যে

তোমালোক পুনৰ কাম কৰা ঠাইলৈ যাব লাগিব, ঘৰলৈ উভতিব নোৱাৰা। এই ক্ষেত্ৰত চৰকাৰে তেওঁলোকক যাতে উভতাই আনিব পাৰে।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, আপুনি এখন আবেদন আজিয়ে দি দিয়ক।

**শ্ৰীশ্বেৰমান আলী আহমেদ ঃ** চাৰ, মোৰতাৰেও প্ৰায় ৫০০ শ্ৰমিক আছে।

**মাননীয় অধ্যক্ষ ঃ** আবেদনখন মোৰতাত দি দিয়ক I will refer it.

**ড°ৰফিকুল ইছলাম ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ বৰপেটাৰো চেৰাপুঞ্জী চেৰা আউটপোষ্টৰ।

**মাননীয় অধ্যক্ষ ঃ** আপোনালোকৰ যি আছে মোক লিখিত ভাৱে দি দিব। এতিয়া ৫৪ অশোকানন্দ সিংহাল আৰু আমিনুল ইছলাম। আপোনালোকৰ বিষয়টো একে কাৰণে মই লগ কৰি দিছো। প্ৰথমে অশোকানন্দ সিংহালে কওঁক তাৰ পিছত আমিনুল ইছলামে কব। একেইখিনি কথা ৰিপিট নকৰিব আৰু যিমান পাৰে চমু কৰিব।

**শ্ৰীঅশোক সিংহল ঃ** অধ্যক্ষ মহোদয়, বিষয়টো বহুত স্পৰ্শকাতৰ আৰু এই বিষয়টো লৈ বহুত দিনৰ পৰা মই কথা বিলাক কৈ আহিছো। বাতৰি কাকতটো কৈছো, বিধান সভাৰ মজিয়াতো মই কৈছিলো। সঁচাকৈ ক'ব গ'লে বিশ্বৰ ভিতৰত যিমান সভ্যতা আছে নদীৰ দুয়োপাৰে জন্ম লৈছে। একেদৰে মহাবাহুৰ দুয়োপাৰে ব্ৰহ্মপুত্ৰ ভেলী Civilizationৰ জন্ম হ'ল। ব্ৰহ্মপুত্ৰ নদী অসম আৰু অসমীয়া মানুহৰ আয়ুস ৰেখা। লগতে ব্ৰহ্মপুত্ৰৰ বিষয়ে যদি ক'ব যায় ব্ৰহ্মপুত্ৰ is the highest, one of the fastest and 4th largest river of the world. এনেকুৱা এটা নদী চীন দেশে ষৰযন্ত্ৰ কৰি বান্ধি দিব বিচাৰিছে। চীন দেশে ষড়যন্ত্ৰ কৰি দক্ষিণৰ পৰা উত্তৰ পাৰে লৈ যাব বিচাৰিছে আৰু এই গোটেই ষড়যন্ত্ৰৰ কাষত হ'ল যে উত্তৰ অঞ্চল যিটো আছে, উন্নত চীন তাত পানীৰ বহুত অভাৱ হৈ আছে। চীনত এই পানীৰ অভাৱ পুৰণ কৰাৰ বাবে ১৯৫৮ ত চীনত Politburo ই এটা প্ৰস্তাৱ লৈছিলে, প্ৰস্তাৱটো আছিল যে নৰ্থত বহুত পানী আছে আৰু নৰ্থৰ পৰা চাউথ্ ত পানী আনিব লাগে। এই প্ৰস্তাৱত কোৱা হৈছিলে - The Chairman Mao in october 1952 during an inspection tour of the Yellow River remarked, " There's a lot of water in the south, but not much in the north. If we could borrow some, then things would be OK". The comment gained force when Mao Dedong returned to the theme of diverting water from the Yangtze and Hanjiang rivers northwards at a Central Committee conference in Chengdu in March 1958. অধ্যক্ষ মহোদয়, ১৯৫৮ চনত চীনে সেই প্ৰস্তাৱ ল'লে আৰু ২০০০ চনত south to north water diversion project চীন দেশে আৰম্ভ কৰিলে। এই প্ৰকল্পৰ জৰিয়তে ২০০০ চনত যেতিয়া প্ৰকল্প আৰম্ভ হ'ল International media ত যেতিয়া কথাবোৰ ওলালে ভাৰত চৰকাৰে তেখেত সকলক External Minisrty ৰ দ্বাৰা যেতিয়া প্ৰশ্ন কৰা হ'ল চীনে মানি নল'লে। গ্ৰহণ নকৰিলে যে কিবা প্ৰকল্প চলি আছে । কিন্তু ২০১০ চনত তেখেত সকলে কলে যে হয় ৬ টা প্ৰকল্প আমি কৰি আছো। কিন্তু এই প্ৰকল্পই চীনৰ ব্ৰহ্মপুত্ৰ নৈ বৈ অহা ভাৰত আৰু বাংলাদেশক কোনো ধৰণে প্ৰভাৱ নকৰে। এইটো কথাতে আত্ম সন্তুষ্টি লৈ আমি চিন্তা কৰিলো যে চীনে আমাৰ অনিষ্ট নকৰিব হয়তো। মই নিজেই এটা সময়ত যাত্ৰত গৈছিলো। ২০০৩ চনত জাংমুত যেতিয়া মই আছিলো দেখিছিলো যে তাত ডাঙৰ ডাঙৰ কাম কৰি আছে। মোৰ যিজন guid আছিলে মই তেখেতক প্ৰশ্ন কৰিছিলো যে এইটো কি চলি আছে? মোক কৈছিল যে Gold mining হ'ব ইয়াত । মই

ভাবিছো যে হিমালয়ক তাৰাই অঞ্চলত gold আছে, তেখেত সকলে gold উলিয়াবৰ কাৰণে কাম কৰি আছে কিন্তু ২০১০ চনত চীন দেশে গ্ৰহণ কৰিলে যে জাংমুৰ ওপৰত তেখেত সকলে বান নিৰ্মাণ কৰি আছে । চীনে এই ৬ টা প্ৰকল্প কৰাই নহয় অধ্যক্ষ মহোদয়, চীনে বহুত প্ৰকল্প কৰিছে। প্ৰায় ৪০ টা প্ৰকল্প ব্ৰহ্মপুত্ৰ নদী আৰু ব্ৰহ্মপুত্ৰৰ উপনৈৰ ওপৰত কৰিছে । মই এটা study paper ওলাইছিলো তাত গোটেই খিনি আছে যে ব্ৰহ্মপুত্ৰৰ ওপৰত ক'ত ক'ত ডেম হৈ আছে, ক'ত ক'ত হাইড্ৰ পাৱাৰ প্ৰজেক্ট হৈ আছে গোটেই নামবোৰ দিয়া আছে। এই গোটেই প্ৰকল্পটো যদি সম্পূৰ্ণ হয় তেতিয়াহ'লে ব্ৰহ্মপুত্ৰত পানী নাথাকিব। এই গোটেই প্ৰকল্পটো সম্পূৰ্ণ হোৱাৰ পিছত যেতিয়া পানী নাথাকিব অসম মৰুভূমি হ'ব। মই বিচাৰিছো আজি বিধান সভাই প্ৰস্তাৱ লওঁক, ইয়াত ৰাজনীতিৰ কথা নহয়। ব্ৰহ্মপুত্ৰ যদি নাথাকে আমি কিন্তু জীয়াই থাকিব নোৱাৰিম। অহা প্ৰজন্মই আমাক প্ৰশ্ন কৰিব যে জানি বুজিও আমি শুই আছিলো কিয় ? আমি মাত মতা নাই কিয়? আৰু মই ভাবে ইয়াক লৈ আমি সকলোৱে সজাগ হোৱাটো উচিত। পানীৰ সম্পৰ্কে এটা ধাৰণা আমাৰ স্পষ্ট হোৱাটো উচিত যে ভাৰতবৰ্ষত মাটিৰ অনুপাতত পানী মাত্ৰ ৪ শতাংশ আছে আৰু এই category ক UN য়ে তিনিটা category ৰ danger zone ৰ ভিতৰত ৰাখিছে । তাৰ অৰ্থটো হ'ল by mid of this century, India will be a dry country. মই ভাবো পানীক লৈ সজাগ হোৱাৰ সময় আহি পৰি আছে । চীনে যিবিলাক প্ৰকল্প লৈ আছে এই প্ৰকল্পবোৰ ব্ৰহ্মপুত্ৰক ভয়াবহ অৱস্থাত ঠেলি দিব । চীনৰ সম্পৰ্কে এটা কথা জনা উচিত যে গোটেই বিশ্বত যিমান Dam নিৰ্মাণ হৈছে তাতকৈ বেছি চীন দেশে অকলে বেছি নিৰ্মাণ কৰিছে। তেখেত সকলে ব্ৰহ্মপুত্ৰৰ ওপৰত বহুত প্ৰকল্প কৰিব খুজিছে। তাৰ গোটেই খতিয়ান আছে। ছবি আছে আৰু এই বিলাক চাই মনতো বহুত কষ্ট পাও। ২০১০ চনতেই এই গোটেই কথাবোৰ ৰাইজৰ ওচৰত সংবাদ মাধ্যমৰ যোগেদি দাঙি ধৰিছিলো আৰু আজি আপোনাৰ মাধ্যমেৰে এই পবিত্ৰ সদনত দাঙি ধৰিব বিচাৰিছো । মাননীয় শ্ৰী তৰুণ গগৈ ডাঙৰীয়া যেতিয়া মুখ্যমন্ত্ৰী আছিল, তেতিয়া হিমন্ত বিশ্ব শৰ্মাই বৃহৎ নদীবান্ধকলৈ কথাবোৰ কৈছিল। এই কথাবোৰ যদি আমি স্মৰণ কৰো তেতিয়া আমাৰ মনত পৰে যে চীন দেশে ব্ৰহ্ম পুত্ৰৰ পানী ব্যৱহাৰ কৰি আছে কিন্তু আমি ব্যৱহাৰ কৰিব পৰা নাই আৰু যেতিয়ালৈকে ব্ৰহ্মপুত্ৰৰ পানীৰ ওপৰত আমাৰ অধিকাৰ নাথাকিব আৰু International Court ত যেতিয়া কথাবোৰ ক'ব যাম তেতিয়া আমাৰ এই কথাবোৰৰ কোনো গুৰুত্ব নাথাকিব । আমাৰ ইয়াত ব্ৰহ্মপুত্ৰৰ পানীবোৰ বৈ গৈ আছে । কিন্তু আমি পানীৰ সঠিক ব্যৱহাৰ কৰিব পৰা নাই । আমি হাইড্ৰ পাৱাৰ প্ৰজেক্ট কৰা নাই কিন্তু চীন দেশে কৰি আছে । পানীৰ ওপৰত যিটো অধিকাৰ সেইটো আমি প্ৰতিপন্ন কৰিব পৰা নাই । সেয়েহে মই ভাবো যে সদনে ইয়াৰ ওপৰত এটা ভাল আলোচনা কৰি এটা সঠিক ব্যৱস্থা গ্ৰহণ কৰিব লাগে। পানীৰ লগত যিহেতু বোকা ঘোলাপানী আহি আছে ইয়াৰ ওপৰত বহুত ক'ব লগীয়া নাই । কিয়নো এইটো স্পষ্ট হৈ পৰিছে যে খৰাং মাহত তাত যিটো নিৰ্মাণ কাৰ্য্য পানীৰ ভিতৰত চলি আছে তাৰ পৰা বোকা, চিমেন্ট আদিও আহে। লগতে নিৰ্মাণ কাৰ্য্যত ব্যৱহাৰ হোৱা বস্তুবোৰ পানীৰ লগত আহি আছে । চীন দেশ এনেকুৱা এখন দেশ য'ত ইন্টাৰনেটৰ ব্যৱস্থা নাই, মানুহে কথা ক'ব নোৱাৰে, বাহিৰৰ পৰা মানুহ যায় কিন্তু অনুসন্ধান কৰিব নোৱাৰে। কিন্তু মই বিচাৰিছো যে যদিহে অসম চৰকাৰে দল এটা পঠায় আৰু চীন দেশৰ লগত কথা পাতি এই ঠাইবোৰ পৰিদৰ্শন কৰিব পাৰে তেতিয়াহ'লে আমাৰ আশংকাবোৰ নিৰ্মূল কৰিব পৰা যাব । মাননীয় অধ্যক্ষ মহোদয়, পানী যদি নাথাকে কি যে ভয়াবহ পৰিস্থিতিৰ সৃষ্টি হ'ব, এই বিষয়ে আমি চিন্তা কৰাৰ অতি প্ৰয়োজন। পানী হয়তো এটা

সময়ত ভাৰত আৰু চীনৰ মাজত এটা সুৰক্ষাৰ বিষয় হ'ব । পানীক লৈ যিটো পৰিকল্পনা চীন দেশে কৰি আছে।The scarcity of water in this country and continent will be Hydro-bomb. আৰু এই গোটেই পৰিকল্পনা চীন দেশে একে দিনাই কৰা নাই । ১৯৫৮ ত politburo সিদ্ধান্ত লৈ এই কাম বোৰ আগবঢ়াইছে। বহুত বিলিয়িন ডলাৰৰ এই প্ৰকল্পবোৰ। চীন দেশে এইদৰে আগবাঢ়ি আছে। South-North ৰ যিটো water diversion ৰ প্ৰকল্প আৰু এই প্ৰকল্পটো চীন দেশে প্ৰায় ৬০ শতাংশৰ কাম সম্পূৰ্ণ কৰি পেলাইছে আৰু বাকী যি ৪০ শতাংশৰ কাম যিদিনা সম্পূৰ্ণ হ'ব সেইদিনাই আমাৰ এই ব্ৰহ্মপুত্ৰ নদীত পানী নাথাকিব আৰু এই মহাবাহু শুকায় যাব আৰু বাৰিষা যেতিয়া আহিব তেতিয়াহে আমি পানী পাম ফলত ব্ৰহ্মপুত্ৰ আৰু বৰাক ভেলী শুকায় মৰুভূমি হ'ব । গতিকে অধ্যক্ষ মহোদয়, ইয়াৰ ওপৰত ব্যৱস্থা ল'ব লাগে । চীন দেশে প্ৰায় ৪০ টা Dam আৰু Water reserve বনাইছে । ইয়াৰ প্ৰতিটো Dam আৰু Water reserve ওপৰত আৰু তাৰ পিছত diversion ৰ ওপৰত কাম চলি আছে । চীন দেশে riverine state বোৰক কোনো গুৰুত্ব নিদিয়ে আৰু কোনো ধৰণৰ Information Share নকৰে। প্ৰশ্ন কৰিলে কয় যে আমি কোনো ধৰণৰ কাম কৰা নাই যিবোৰ Water Project কৰি আছো আপোনালোকৰ তাত পানী যোৱাত কোনো বাধা নহ'ব । অধ্যক্ষ মহোদয়, ইয়াতে যদি আমি শান্তি লভি থাকো তেন্তে কথাটো ভাল নহ'ব । চীনে বহুত ডাঙৰ প্ৰকল্প বনাই আছে। Three gorges dam যিটো চীনে বনাইছিল মই ভাবো এইটো ২৫ হাজাৰ মেগাৱটৰ ডেম। বিশ্বৰ ভিতৰত আটাইতকৈ ডাঙৰ হাইড্ৰ'পাৱাৰ প্ৰজেক্ট আজিৰ দিনত চীনত আছে। এতিয়া গ্ৰেট ব্ৰেণ্ডৰ ওপৰত প্ৰায় ৪২ হাজাৰ মেগাৱট বিদ্যুৎ প্ৰকল্প চীন দেশে নিৰ্মাণ কৰি আছে। তাৰ তথ্য মোৰ হাতত আছে। উপাধ্যক্ষ মহোদয়ে যদি অনুমতি দিয়ে মই পঢ়ি দিব বিচাৰিছো।

**মাননীয় উপাধ্যক্ষ ঃ** সময় যিহেতুকে কম, পঢ়িব নালাগে।

**শ্ৰী অশোক সিংহল,বিধায়ক ঃ** ঠিক আছে, যদি আপুনি এইটো মই পঢ়ি দিয়া বুলি ধৰি লয়, তেতিয়া মই আপোনাৰ ওচৰত তথ্যখিনি দি দিম আৰু যদি প্ৰতিবেদনত এইখিনি অন্তৰ্ভুক্ত কৰে তেতিয়া মই ভাল পাম।

**মাননীয় উপাধ্যক্ষ ঃ** নিশ্চয় অন্তৰ্ভুক্ত কৰা হ'ব।

**শ্ৰী অশোক সিংহল,বিধায়ক ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, this issue is very sensative and this issue is associated with the livlehood, civilization and culture of Assam. I think everybody in this August House must stand up on this occasion. we much establish our right on the water second we must engage ourselves in a meaningful discussion with neighbouring country China through Central Government, Through Foreign Government and through Ministry and i think this House must take a resolution that it has to be protected at any cost. The Water wherein we have our rights the Brahmaputra river is not only a reiver, it is the lifeline. Our entire civilization has grown on the banks of Brahmaputra. I think I have made my points and House will take the decision. Thank you very much.

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় সদস্য আমিনুল ইছলাম।

**শ্ৰী আমিনুল ইছলাম (ধিং) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, বিষয়টো অতি গুৰুত্বপূৰ্ণ আৰু স্পৰ্শকাতৰ। ইতিমধ্যে আমাৰ এগৰাকী মাননীয় সদস্যই কিছুমান গুৰুত্বপূৰ্ণ কথা কৈছে। কথাখিনি মই পুনৰাবৃত্তি কৰিব বিচৰা নাই। এতিয়া সমস্যাটো হৈছে যে চিয়াং নদী যিটো চাংফু নামলৈ তিৰ্ব্বতৰ পৰা আহি প্ৰায় ২০০ কিলো মিটাৰ ক্ৰচ কৰিছে অৰুণাচলৰ মাজেৰে আৰু অসমত আহি ব্ৰহ্মপুত্ৰ নাম লৈছে পাচীঘাটৰ ওচৰত। কিন্তু ব্ৰহ্মপুত্ৰ মুল উৎস চিয়াং নদী তাতে যেতিয়া অস্বাভাৱিক বোকা আৰু ঘোলা পানী পল্যুশ্যন হৈ আহে আৰু এই ব্ৰহ্মপুত্ৰ নদীৰ মাজত প্ৰায় ২ হাজাৰ ৩ শ চৰ-চাপৰি আছে। এই চৰ-চাপৰি বিলাকত মানুহে বসবাস কৰে আৰু এই পানী ব্যৱহাৰ কৰে । ইতিধ্যে কোৱা হৈছে যে এইটো “ অসমীয়া জাতীয় জীৱনৰ আয়ুস ৰেখা”। এই ব্ৰহ্মপুত্ৰ নদীৰ লগত লাখ লাখ মানুহৰ লগতে বিশেষকৈ মাছমৰীয়া সকল প্ৰত্যক্ষভাৱে জড়িত। ইয়াৰ পানী কৃষি ক্ষেত্ৰতো ব্যৱহাৰ হৈ আহিছে। যিহেতু চৰ-চাপৰি অঞ্চলত টিউবৱেল নাই, তেওঁলোকে এই দূষিত পানীকে সেৱন কৰে। এইটো এটা মাৰাত্মক কথা। যোৱা ২০১৭ চনৰ ২৭ নৱেম্বৰত পূৱ চিয়াং জিলাৰ জনস্বাস্থ্য কাৰিকৰী বিভাগৰ অভিযন্তা গৰাকীৰ এটা ৰি’পৰ্ট আহিছিল আৰু সেইটো ইটানগৰস্থিত ষ্টেট ৱাটাৰ কোৱালিটি টেষ্টিং লেবেৰেটৰীলৈ প্ৰেৰণ কৰিছিল। তাৰ পৰা যিটো নমুনাৰ ৰিপ’ট আহিছিল তাৰ তথ্য মতে পল্যুশ্যনৰ ৰেটটো আহিছিল ৪৮২ এন টি ইউ (নাফেল’মেট্ৰিক টাৰ্বিডিটি ইউনিট)। তা ৰপিছত আকৌ পাচীঘাটৰ ওচৰৰ লেবৰেটৰীত টেষ্ট কৰোতে ৪২৫ এন টি ইউ পোৱা গৈছিল। যিটো নৰ্মেল ৰেঞ্জত ০ ৰ পৰা ৫ থাকিব লাগে এন টি ইউ সেইটো ৮০০ ৰ ওপৰ এন টি ইউ পোৱা গৈছিল। লক্ষণীয় যে কিমান বিষাক্ত পানী ইয়াৰ মাজেৰে আহি আছে। ২০১৭ চনতো চিয়াং নদীৰ সকলো মাছ মৰি উটি আহিছিল। এতিয়া আকৌ ঘোলা আৰু প্ৰদূষিত পানী আহি আছে। যাৰ ফলত এই ব্ৰহ্মপুত্ৰৰ বুকুত যি মাছ আছে , চৰ-চাপৰিৰ পোহনীয়া জীৱ-জন্তু আছে লগতে মানুহে ব্যৱহাৰ কৰা পানী আদিৰ ফলত সকলোলৈকে ভাবুকি আহি পৰিছে। গতিকে উপাধ্যক্ষ মহোদয়, বিষয়টো অতি স্পৰ্শকাতৰ। বহু গুৰুত্বপূৰ্ণ কথা মাননীয় সদস্য গৰাকীয়ে কৈছে। সদ্যহতে যিটো খবৰ পোৱা গৈছে চীনে এটা ভূগৰ্ভত ১০০০ কিলো মিটাৰ সুৰংগ তৈয়াৰ কৰি চিয়াং নদীৰ পানীখিনি ডাইভাৰ্ত কৰি তেওঁলোকে কেইখনমান চিটিৰ ওচৰেদি লৈ আহিব বিচাৰিছে। এই চিটি বিলাকৰ মাজেদি পানী যেতিয়া বৈ আহিব তেতিয়া এই চিটিবিলাকৰ প্ৰদূষিত পানীও তাত সংযোগ হ’ব।কিছুমান বিশেষজ্ঞই সন্দেহ কৰে যে তেওঁলোকে এই কাম পৰিকল্পিত ভাৱেই কৰিছে। চীন আমাৰ বন্ধু ৰাষ্ট্ৰ ও নহয়। তেনেস্থলত,তেওঁলোকে যদি পৰিকল্পিত ভাৱে পানী প্ৰদূষিত কৰি বিষাক্ত দ্ৰব্যও মিহলাই দিয়ে এই চিয়াং নদীৰ বুকুত তেতিয়াহ’লে এই নদী আমাৰ অসমৰ মাজেদি বাংলাদেশলৈ যাব। এইটো one kind of threat সেইকাৰণে আমাৰ অসমৰ জনসাধাৰণ যি সকলে ব্ৰহ্মপুত্ৰ নদী উপত্যকাত বসবাস কৰে তেওঁলোকৰ কাৰণে নিশয় এইটো এটা ভাবুকি। উপাধ্যক্ষ মহোদয়, আমি সকলোৱে গম পাওঁ যে চীনত আজি যি কৰ’ণা ভাইৰাচৰ আতংকত সমগ্ৰ বিশ্ববাসীও আতংকিত হৈ আছে। গতিকে যি ভৈয়ানক হাৰত এই প্ৰদূষিত পানী আহি আছে, ইয়াৰ ফলত অনাগত দিনত কি হ’ব এই কথাটো কিন্তু অতি স্পৰ্শকাতৰ।

কিছুদিন পূৰ্বে অৰণাচল প্ৰদেশৰ প্ৰাক্তন সাংসদ তথা বৰ্তমানৰ বিধায়ক নিনং ইৰিঙে এই কথাতো সন্দেহ প্ৰকাশ কৰি প্ৰধান মন্ত্ৰী মহোদয়লৈ এখন পত্ৰ প্ৰেৰণ কৰিছিল যে চীনে যিটো ১০০০ কিলো মিটাৰ দৈৰ্ঘৰ সুৰংগৰে পানী ডাইভাৰ্ট কৰিব বিচাৰিছে, তাৰ পিচত পৰিস্থিতি আৰু ভয়াবহ হ’ব পাৰে । কিন্তু চীনে কথাতো প্ৰথমে অস্বীকাৰ কৰিছে। বৰ্তমান এই কথাতো

লুকাই থকা নাই। আনকি  আনঃৰাষ্ট্ৰীয় সংবাদ মাধ্যমত আহিছে যে ১০০০ কিলো মিটাৰ দৈৰ্ঘৰ সুৰংগৰে পানীখিনি ডাইভাৰ্ট কৰিব বিচাৰিছে। গতিকে এই ক্ষেত্ৰত আমাৰ ৰাজ্য চৰকাৰক মই এইটো দাবী জনাম যে ৰাজ্য চৰকাৰে ভাৰত চৰকাৰৰ লগত বিষয়টো আলোচনা কৰিব লাগে। যিহেতু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত বিষয়টো নিস্পত্তি হ'ব লাগিব। আমাৰ অসম চৰকাৰে নিজা ববীয়াকৈ এই কাম কৰিব নোৱাৰে আৰু চীনে যদি তেওঁলোকৰ তথ্যবোৰ নিদিয়ে, বা তেওঁলোকে যদি সহযোগ নক ৰি কথাবোৰ গোপন কৰি  ৰাখিব বিচাৰে আৰু ভাৰতৰ বিৰুদ্ধে যদি তেওঁলোকৰ শত্ৰুভাৱাপন্ন মনো বৃত্তি আছে যে আমি এনেকৈ প্ৰদুষিত পানী এৰি দিম আৰু ব্ৰক্ষ্মপুত্ৰৰ মাজেৰে আহি ক্ষতি হ'লে ভাৰতৰে হ'ব। তেওঁলোকে আওপকিয়াকৈ হ'লেও প্ৰতিশোধ বা বিদ্বেষমুলক মনো বৃত্তি যদি লয়, তাৰ কাৰণে প্ৰয়োজন হ'লে ৰাষ্ট্ৰসংঘৰ হস্তক্ষেপ দাবী কৰি হ'লেও বা আন্তঃৰাষ্ট্ৰীয় চাপ সৃষ্টি কৰি হ'লেও বিষয়টো নিস্পতি কৰিব লাগে । যিহেতু এইখন এখন আন্তঃৰাষ্ট্ৰীয় নদী। ব্ৰহ্মপুত্ৰ এখন এখন দেশৰ মাজেৰে বৈ যোৱা  এখন দেশৰ নদী নহয়। গতিকে ইয়াত আন্তঃৰাষ্ট্ৰীয় কথাটো জড়িত হৈ আছে। গতিকে ৰাজ্যচৰকাৰে গুৰুত্বসহকাৰে বিষয়টো লৈ আলোচনাৰ মাজেৰে অতি সোনকালে নিস্পত্তি কৰিব বুলি মই আশা ৰাখি মোৰ বক্তব্য সামৰণি মাৰিছো।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া মন্ত্ৰী মহোদয়।

**শ্ৰী কেশৱ মহন্ত, মন্ত্ৰী ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আজি এটা গুৰুত্বপূৰ্ণ বিষয় আমাৰ সন্মানীয় বিধায়ক অশোক সিংহল দেৱ আৰু আমিনুল ইছলাম ডাঙৰীয়াই সদনৰ মিজিয়াত উৎথাপন কৰিছে। আৰু আপুনি অনুমতি দিয়াৰ বাবে মই ধন্যবাদ জ্ঞাপন কৰিছো। এতিয়া গোটেই বিষয়টোত মূলত দুটা কথা উৎথাপন হৈছে। এটা হৈছে বৰ্তমান যিটো বাতৰি লৈ ইয়াত বিষয়টো আনিছে, সেইটো হৈছে যোৱা ১৭ চনৰ  চেপ্তেম্বৰ মাহত এবাৰ খুউব ঘোলা পানী হৈছিল আৰু এতিয়া ফেব্ৰুৱাৰী মাহৰ ২০/২২ তাৰিখমানত ঘোলা পানী হৈছিল  আৰু এতিয়া ফ্ৰেব্ৰুৱাৰী মাহত **২০, ২২** তাৰিখ বা কেইদিনমান আগত ঘোলা পানী হৈছিল। এই বিষয়টো ইয়াত সেইধৰণে উত্থাপন কৰা হৈছে যদিও সন্মানীয় বিধায়ক সিংঘাল দেৱে কেইবাটাও গুৰুত্বপূৰ্ণ কথা ইয়াত উত্থাপন কৰিছে যিকেইটা খুব দীৰ্ঘম্যদী আৰু ভৱিষ্যৎৰ কাৰণে চিন্তা কৰিব লগীয়া বিষয়। এতিয়া  এই কথাটো হৈছে কি যেতিয়া **২০১৭** চনৰ ছেপ্তেম্বৰ মাহত পানী ঘোলা হৈছিল, তেতিয়া গোটেই বিষয়টো আমাৰ চৰকাৰৰ দৃষ্টিআকৰ্ষণ হৈছিল। আমাৰ এই ব্ৰহ্মপুত্ৰখন অৰুণাচলকে ধৰি ভাৰতবৰ্ষৰ ভিতৰত প্ৰায় **৯ শ** কিলোমিটাৰ ওচৰা ওচৰি পৰে আৰু বাকী **১৬ শ** কিলোমিটাৰ টিবত চীনদেশত পৰে। এতিয়া **১৬ শ** কিলোমিটাৰৰ যিটো এলেকা চীন দেশত আছে,  সেইটোৱে হৈছে এটা দীঘলীয়া এলেকা আৰু অৰুণাচল সোমোৱাৰ লগে লগে তাত অন্যান্য কিছু উপনদী জড়িত হৈ একে বাৰে নামনি অসমৰ ভুটানৰ পৰা অহা উপনদী সমূহৰ সৈতে সকলোৱে মিলি  ব্ৰহ্মপুত্ৰ  মিলি বঙ্গোপ সাগৰত পৰিছে বা এইটো বাংলাদেশ গৈ পাৰিছে। এতিয়া কথা হ'ল কি এই যিটো দীঘলীয়া বাটতোৰ **১৬ শ** কিলোমিটাৰত আমাৰ নিয়ন্ত্ৰণ (control) নাই। সেইটোৱে নহয়, সেই **১৬ শ** কিলোমিটাৰ হৈছে নদীৰ পানী অহা মুল গতি। গতিকে আমাৰ যিহেতু এই ক্ষেত্ৰত কোনো নিয়ন্ত্ৰণ নাই, চীনত এইখনক চাংফু বুলি কয়, অৰুণাচল সোমাৰ লগে লগে চিঙাং হ'ল, অসমত সোমাৱাৰ লগে লগে এইখন ব্ৰহ্মপুত্ৰ হ'ল। এই ব্ৰহ্মপুত্ৰক লৈ পেলাই গোটেই সভ্যতাতো হৈছে। এতিয়া কথাটো হ'ল কি যেতিয়া **২০১৭** চনৰ ছেপ্তেম্বৰ মাহত ঘোল পানীৰ ঘটনাটো হৈছিল, তেতিয়া মই আৰু আমাৰ বিষয়া সকল পাছিঘাট পাৰ হৈ টুটিঙলৈকে গৈছিলো। তাৰ পৰা পৰ্য্যায়ক্ৰমে ধেমাজী হওঁক, ডিব্ৰুগড় হওঁক সকলো ঠাইতে পানী তাৰ পৰা লৈছিলো, লৈ পানীবিলাক আমি পৰীক্ষা কৰিছিলো।

পানীবিলাক পৰীক্ষা কৰি গম পালো যে পানীত কোনো ধৰণৰ বিসাক্ত ব্যৱস্থা নাই, এইটো কেৱল ঘোলা পানী।

সেইসময়ত এটা অসুবিধা আছিল যে চীনদেশে ভাৰতবৰ্ষৰ লগত কোনো ধৰণৰ ইয়াৰ তথ্যৰ share কৰা নাছিল। কিন্তু সেইসময়ত আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই ভাৰতবৰ্ষৰ প্ৰধানমন্ত্ৰী ডাঙৰীয়াৰ লগত যোগাযোগ কৰিলে আৰু মই বিভাগীয় মন্ত্ৰী হিচাবে সেই সেইসময়ৰ Water Resource Minister গাডকাৰী ডাঙৰীয়া আছিলে। তাৰ পিছতে সুচমা স্বৰাজ ডাঙৰীয়ানি বৈদেশীক পৰিক্ৰমা মন্ত্ৰী আছিল, আমি দুয়োগৰাকীৰ লগত যোগাযোগ কৰিলো যে এই বিষয়টো ভাৰত চৰকাৰে চীনদেশৰ লগত আলোচনা কৰিব লাগে। আমাৰ এটা সৌভাগ্য কথাটো কি যে আমি ছেপ্তেম্বৰ মাহত এই কথাটো আলোচনা কৰাৰ পিছত চীনদেশৰ লগত ভাৰতবৰ্ষৰ বৈদেশীক পৰিক্ৰমা মন্ত্ৰীয়ে যোগাযোগ আৰম্ভ কৰিলে, যোগাযোগৰ সময়ছোৱাতে **২০১৭** চনৰ **১১** ডিচেম্বৰ তাৰিখে চীনদেশৰ বৈদেশীক মন্ত্ৰী ভাৰত ভ্ৰমণ কৰিবলৈ আহিছিল। এই বিষয়টো আমাৰ যোগাযোগ চলি থকাৰ সময়তে চীনদেশৰ বৈদেশীক মন্ত্ৰী ভাৰতলৈ অহাৰ কাৰণে আমাৰ ভাৰতবৰ্ষৰ বৈদেশীক পৰিক্ৰমা মন্ত্ৰী আৰু সেইসময়ত প্ৰধান মন্ত্ৰী ডাঙৰীয়াও তেওঁৰ লগত আলোচনা হৈছিল। আলোচনা হোৱাৰ পিছত এটা কথালৈ সিদ্ধান্তলৈ আহিল যে চীনদেশে আমাৰ লগত তথ্যৰ share কৰিব, মানে data বিলাক share কৰিব। স্বাধীনতাৰ পিছত যিটো আমি চীনদেশৰ পৰা সহযোগীতা পোৱা নাছিলো। প্ৰথম আমি সহযোগিতা পোৱাতো মাননীয় প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াৰ প্ৰচেষ্টাত এই কথাখিনি পালো আৰু চীনদেশে এই ক্ষেত্ৰত সন্মতি দিলে । সন্মতি দিয়াৰ পিছত ইয়াৰে তথ্যপাতিখিনি পাবলৈ সক্ষম হলো। আমি অসম চৰকাৰে পোনে পোনে নাপাওঁ, কিন্তু CWC (Central Water Commission) লৈ আহে, তেওঁলোকে পায় আৰু তেওঁলোকৰ পৰা যিখিনি দৰকাৰ আমি সংগ্ৰহ কৰিব পাৰো। এইবাৰ এই ফ্ৰেব্ৰুৱাৰী মাহত ঘোলা পানী তাৰ পৰা অহা আৰম্ভ কৰিলে। এই যিখিনি ঘোলা পানী আহিল, এই পানীখিনি **২০১৭** চনৰ ছেপ্তেম্বৰ মাহৰ নিচিনা নহয়, এইখিনি তাতকৈ কিছু কম। আমাৰ বিষয়াসকলে লগে লগে পাছিঘাট পাৰ হৈ টুটিঙত গৈ চাঙফুৰ পৰা পানী সংগ্ৰহ কৰিলে আৰু আমাৰ উজনি অসমৰ বাকী ঠাইতো পানী আমি সংগ্ৰহ কৰিলো। পানী সংগ্ৰহ কৰাৰ পিছত এই খিনি আমি labortary ত test কৰিলো। labortary ত test কৰাৰ পিছত এইটো কোৱা হৈছে যে within permissible limit ত ভিতৰতে যিটো মইলা (গেড) আদি নিৰীক্ষণ কৰা হৈছে, এই নিৰীক্ষণতো তাৰে ভিতৰতে আছে। ধৰিলওঁক ঘোলাৰ কথাটো কোৱা হৈছে এইটো আমাৰ permissible limit তো হৈছে **৫.১০**। এইটোৰ limit হ'ল **৫** ৰ পৰা **১০** ভিতৰত থাকিব লাগে। গতিকে এইটো permissible limit তৰ ভিতৰত আছে। ঠিক তেনেধৰণে ইয়াৰ আইৰণৰ ক্ষেত্ৰতো **.৩** ৰ পৰা **.১০** ভিতৰতে থাকিব লাগে, তাৰ ভিতৰতে আছে। ঠিক তেনেধৰণে ফ্লোৰাইড, পি এইচ, hardness এই গোটেইখিনি আমি চালো যে যিটো limit তৰ ভিতৰত ইয়াৰ কোনো অসুবিধা নাই সেই limit ৰ ভিতৰতে আছে, এই কথাখিনি গম পোৱা গৈছে।

আমি satellite ৰ যিখন ছবি, সেইখনৰে যেতিয়া নিৰক্ষণ কৰা হ'ল, গম পোৱা গ'ল যে তাত landslide হৈছে। landslide হৈ পেলাই এটা হ্ৰদ সৃষ্টি কৰাৰ নিচিনালৈকে যোৱা **২০১৭** চনত হৈছিলে। এতিয়াও landslide হৈছে। গতিকে তাত যিটো খহনীয়া হৈছে তাৰ পৰা এই পানীখিনি ঘোলা হোৱা বুলি সন্দেহ কৰা গৈছে। তাত যিহেতু অন্য কোনো বিসাক্ত বস্তু একো ওলোৱা নাই সেয়েহে পানীবিলাক ক্ষতিকাৰক বুলি ভৰা হোৱা নাই। আমি এইখিনি তথ্য

এনেধৰণে সদনৰ মজিয়াত দাঙি ধৰিছো। এই বিষয়তো আমি আগতে ইয়াৰ অন্ধকাৰত আছিলো কাৰণ চীনদেশে আমাৰ কোনো ধৰণৰ তথ্য দিয়া নাছিলে। এতিয়া আমাৰ মাননীয় প্ৰধানমন্ত্ৰীৰ প্ৰচেষ্টাত চীনদেশৰ লগত আলোচনা হোৱাৰ পিছত আমি তথ্য পাবলৈ সক্ষম হৈছো। গতিকে সাধাৰণ ভাৱে হলেও ইয়াৰ গুণাগুণতো বা ইয়াত কি হৈছে, কি হোৱা নাই এইখিনি কথা গম পাবলৈ আমি সক্ষম হৈছো।

আমাৰ মাননীয় সদস্য সিংঘল ডাঙৰীয়াই যিটো কথা কৈছে এই বিষয়টো অকনমান শুকীয়া যে চীনদেশে পানীৰ তথ্য দিয়া বিষয়টো আছিল। কিন্তু তাত project কৰা তথ্যৰ বিষয়টো অকনমান বেলেগ কথা হ'ব। গতিকে এই বিষয়টো মই নিশ্চয় মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ লগতো আলোচনা কৰিম আৰু এই বিষয়টো এটা গুৰুত্বপূৰ্ণ বিষয়। এই বিষয়টো কেনেধৰণে কেন্দ্ৰীয় চৰকাৰে এই ক্ষেত্ৰত সহায় কৰিব পাৰে আৰু তেখেতে চীনলৈ যোৱাৰ কথা কৈছে। চীনলৈ এতিয়া ক'ৰণা ভাইৰাচৰ কাৰণে কোনো মানুহ নাযায়। ১০০ কিলমিটাৰ মানতে তাৰ গুনাগুনটো নাইকীয়া হ'ব। সেইবিলাককো আমি খা-খবৰ ৰাখিছো। ইয়াত ক'লে ভাল নহয় কাৰণে মই কোৱা নাই। এতিয়া আমি আশা কৰিছো যে তেখেতে অনা বিষয়টো আমি গুৰুত্ব সহকাৰে লৈ ইয়াৰ পিছত এই ক্ষেত্ৰতো আমি কিবা এটা প্ৰক্ৰিয়াৰে আগবাঢ়িব লাগিব আৰু বাকী এই কথাৰে সদনক মই নিশ্চিত কৰিব বিচাৰিছো যে পানী যিটো ঘোলা হৈছে এই কেইদিনত এইটো কমি গ'ল, সেইটো নাইকীয়া হ'ল আৰু এই অৱস্থাতো তাত কোনো বিষাক্ত নাই। সেই পানী গ্ৰহণ কৰিব পৰা ব্যৱস্থা হৈছে। ইয়াৰ আগতে হয়তো মাছ মৰিছিল দুই এটা কিন্তু এইবাৰ কতো মাছ মৰা নাই। গতিকে আমি নিশ্চিন্তমনে এই পানী গ্ৰহণ কৰিব পৰা অৱস্থাত আছে। এইখিনিকে কৈ মই মোৰ বক্তব্য সামৰণি মাৰিলো।

**শ্ৰী অশোক সিংহাল, ঢেকীয়াজুলি ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই এইখিনিতে দুটা কথা ক'ব খুজিছো। মোৰ যিবিলাক submission আছিল, যিখিনি কথা মই ক'লো আৰু যিটো report মই আপোনাৰ জৰিয়তে সদনত ৰাখিলো তাত গোটেই Geo -tag কৰা আছে। ৪০ টা প্ৰকল্প কিতাপটো ২০১০ চনত published হৈছিল। ১০ বছৰ আগতে Geo -tag কৰা আছে। অসম চৰকাৰৰ, ভাৰত চৰকাৰৰ satellite আছে, এই satellite ৰ যোগেদি আপুনি সেই Geo -tag কৰা ঠাইবিলাকত প্ৰকল্প কৰা আছে বুলি আপুনি নিজে চাব পাৰে। এই কথাটো গুৰুত্ব সহকাৰে ল'ব লাগে কাৰণ ঘোলা আহিছে, চিমেণ্ট আহিছে সেইটো এদিনৰ কথাতেই শেষ হৈ গ'ল নাই বুলি ক'লে আমিও মানি ললো। নাই যদি ভাল কথা। প্ৰকল্পবোৰ যে চলি আছে আজি নকৰে ১০ বছৰ ২০ বছৰ পিছত ব্ৰহ্মপুত্ৰ নাথাকিব। ব্ৰহ্ম পুত্ৰত পানী নাথাকিব। চীনৰ দয়াত আমি পানী পাম। তেনেকুৱা এটা অৱস্থা হ'বলৈ গৈ আছে। মই তথ্যসহকাৰে দিছো, সাধুকথা কোৱা নাই। Geo -tag কৰি দিছো তাত ফটো আছে। যিমানবিলাক প্ৰকল্প চলি আছে বেছিভাগৰে ফটো আছে design লৈকে document আছে। চীন চৰকাৰে যিটো report নিজে বনাইছে, চীন চৰকাৰৰ মেপ আছে। এই গোটেই তথ্যপাতিৰ ওপৰত মই ভাৱো যে অসম চৰকাৰে এটা তদন্ত কৰিব লাগে, বিবেচনা কৰিব লাগে আৰু বিভাগীয় মন্ত্ৰী ডাঙৰীয়াৰ ওপৰত আমাৰ বিশ্বাস আছে যে তেখেতে এইটো এইটো কাম কৰিব পাৰিব। অসমৰ স্বাৰ্থৰ কাম। যিটো চৰকাৰ চলি আছে, মুখ্যমন্ত্ৰী ডাঙৰীয়াই যিটো স্থিতি লৈছে অসমৰ স্বাৰ্থত প্ৰত্যেকটো কাম তেখেতে কৰিব পাৰিব। কাৰণ বহুত বছৰে নোহোৱা কামবোৰো তেখেতে অসমৰ স্বাৰ্থত কৰিবলৈ আগবাঢ়িছে আৰু মই ভাৱো যে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ মন্ত্ৰী সভাত মন্ত্ৰী হৈ থকা আমাৰ কেশৱ মহন্ত

ডাঙৰীয়াও ইয়াত অসমৰ স্পৰ্শকাতৰ এটা বিষয় next generation উত্তৰ দিব পৰা এটা বিষয়, এইটো তেখেতে গুৰুত্ব সহকাৰে লৈ Committee Appoint কৰিব, এই Assurance টো তেখেতে দিব লাগে সদনক।

**শ্ৰী কেশৱ মহন্ত, মন্ত্ৰী ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই তেখেতৰ এই বিষয়টোৰ ওপৰত দিবলৈ যাওঁতে কৈছো যে বিষয় দুটা। এটা হৈছে ঘোলা পানীৰ ওপৰত আৰু এটা তেখেতে উত্থাপন কৰা বিষয়টো। মই এই কাৰণেই কৈছো যে, মই ইয়াৰ ওপৰত উত্তৰটো দিব পাৰিলোহেঁতেন সকলোখিনি উত্তৰ দিব নোৱাৰিলেও। কিন্তু সেইটোত উত্তৰ দিবলৈ চেষ্টা কৰা নাই কাৰণ সেইটো International Subject.এইটো আমি ইয়াৰ পৰা ঢুকি পোৱা বিষয় নহয়, মই সেইকাৰণে কলো যে মই মাননীয় মুখ্যমন্ত্ৰীৰ লগত আলোচনা কৰিম আৰু আগৰ যেনেকৈ ঘোলাপানীৰ ক্ষেত্ৰত মুখ্যমন্ত্ৰীয়ে Initiative লোৱাৰ পাছত, Prime Minister য়ে Initiative লোৱাৰ পাছত আমি তাৰ পৰা সমিধান পালো। এতিয়াও তেখেতৰো সহযোগীতা তাত থাকিব। আমি বিচাৰিম আৰু তেখেতৰ সহযোগীতত আমি আগবাঢ়িম।

**শ্ৰী অশোক সিংহাল, ঢেকীয়াজুলি ঃ** ঠিক আছে।

**উপাধ্যক্ষ মহোদয় ঃ** কাৰ্য্যসূচী নং তিনি, ৩০১, মাননীয় সদস্য ৰমেন্দ্ৰ নাৰায়ন কলিতা।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ন কলিতা, পূৱ গুৱাহাটী ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্ৰক্ৰিয়াৰ কাৰ্য্যৰ প্ৰচালনাৰ নিয়মাৱলী ৩০১ নং নিয়মৰ অধীনত মই বিশেষ প্ৰসঙ্গ এটা উত্থাপন কৰিব বিচাৰিছো আৰু এই বিশেষ প্ৰসঙ্গটো "অসমীয়া প্ৰতিদিন" বাতৰি কাকতত প্ৰকাশ পাইছিল আৰু সেই বিষয়টো হৈছে স্বহীদ নিৰ্যাতিত পৰিয়ালৰ উপযুক্ত লোকক শীঘ্ৰে নিযুক্তি দিয়াৰ দাৱী। মাননীয় উপাধ্যক্ষ মহোদয়, এইটো সদৌ অসম স্বহীদ অসম নিৰ্যাতিত পৰিয়াল পৰিষদৰ পৰা এই দাৱীটো উদ্ভাষিত হেছিল। আমি সকলোৱে জানো যে ৬ বছৰীয়া জাতীয় অস্তিস্ব ৰক্ষা আন্দোলনৰ পৰিসমাপ্তিত অসম চুক্তি হৈছিল আৰু সেই চুক্তি অনুযায়ী ইতিমধ্যে পৰ্য্যায়ক্ৰমে কাম আৰম্ভ হৈ আছে। বিশেষভাৱে ৬ বছৰীয়া যি গণ আন্দোলন হৈছিল সেই আন্দোলনত ৮৫৫ জন স্বহীদ হৈছিল আৰু অসংখ্য লোক সেই সময়ত নিৰ্যাতিত হৈছিল। এতিয়া প্ৰশ্নটো হৈছে যে বৰ্তমানৰ চৰকাৰে বিশেষকৈ স্বহীদ আৰু নিৰ্যাতিত পৰিয়ালৰ ক্ষেত্ৰত বিশেষ পদক্ষেপো গ্ৰহণ কৰিছে। কিন্তু মই পোৱা তথ্য অনুযায়ী নিযুক্তিৰ ক্ষেত্ৰত যি ধৰণে পদক্ষেপ ল'ব লাগিছিল তেনেধৰণে হয়তো পদক্ষেপ লোৱা নাই আৰু ইতিমধ্যে আমাৰ যি সকল স্বহীদ হ'ল ৮৫৫জন স্বহীদৰ পৰিয়ালক আমাৰ ৰাজ্য চৰকাৰে এককালীন ৫ লাখকৈ সাহাৰ্য্য আগবঢ়াইছে আৰু যি সকল নিৰ্যাতিত পৰিয়াল আছে সেই পৰিয়াল সকলক ২ লাখ কৈ টকা তেওঁলোকক দিছে। কিন্তু কিছুমান এনে নিৰ্যাতিত পৰিয়াল আছে যি পৰিয়ালে এই পইচাটো এতিয়ালৈকে পোৱা নাই বুলি জানিব পৰা হৈছে। গতিকে মাননীয় উপাধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিচাৰিছো যে যিসকল নিৰ্যাতিত পৰিয়ালে এতিয়ালৈকে এই ২ লাখ টকা পোৱা নাই এই সকলক যাতে এই পইচাটো পোৱাৰ ব্যৱস্থাটো অতি সোনকালে কৰি দিয়ে। ঠিক তেনেকৈ বিশেষভাৱে আমাৰ চৰকাৰি যিখিনি বিভাগ আছে এই বিভাগ সমূহত কিছু সংখ্যক লোকক চাকৰি দিছে, কিছু সংখ্যক লোকক দিয়া নাই। অগপ চৰকাৰৰ দিনতো দিছিল আৰু বৰ্তমান চৰকাৰৰ দিনতো প্ৰায় ৫ জনক Water Resource Department ত নিযুক্তি দিছে। কিন্তু জানিব পৰা মতে স্বহীদ আৰু নিৰ্যাতিত পৰিয়াল সমূহৰ ভিতৰত ৩১০ জনে ২১ টা বিভাগত আবেদন কৰিছে। গতিকে মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিচাৰিছো যে এই ৩১০

জনে যি বিভিন্ন বিভাগত আবেদন কৰিছে তেওঁলোকৰ ক্ষেত্ৰতো সহানুভূতিৰে বিবেচনা কৰি আমাৰ স্বহীদ আৰু নিৰ্যাতিত পৰিয়াল হিচাপে তেখেত সকলকো নিযুক্তি দিয়াৰ ব্যৱস্থা কৰিব লাগে আৰু সেইবিলাকক নিযুক্তি দিয়াৰ পিছত বাকী যি সংখ্যক থাকিব সেইখিনিকো পৰৱৰ্তী কালত নিযুক্তি দিয়াৰ ব্যৱস্থা কৰি এই সমস্যাটো স্থায়ীভাৱে সমাধান কৰাৰ ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰিব লাগে আৰু যদি সম্ভৱ হয়, তেনেহলে যিসকল স্বহীদ আৰু নিৰ্যাতিত পৰিয়াল আছে সেইসকলক Enginnering College, Medical College তেনেধৰণত কিছু অংশ সংৰক্ষণ কৰি তেওঁলোকক তাতে উচ্চশিক্ষাৰ ব্যৱস্থা কৰিব পাৰি নেকি এই কথাটো বিবেচনা কৰিবৰ কাৰণে অনুৰোধ জনাইছো আৰু এটা সুখবৰ মই ধন্যবাদো জ্ঞাপন কৰিছো যে যিসকল অস্তিত্ব ৰক্ষাৰ আন্দোলনত স্বহীদ হ'ল সেইসকলৰ স্মৃতি ৰক্ষাৰ বাবে আৰু আমাৰ আন্দোলনৰ ইতিহাসটো যাতে আমি সজীৱ কৰি ৰাখিব পাৰো যাতে ইতিহাসটো অৱগত হ'ব পাৰে। নতুন প্ৰজন্মই যাতে অনুপ্ৰেৰণা লাভ কৰিব পাৰে তাৰ বাবে ইতিমধ্যে বৰা গাওঁত প্ৰায় ১০০ বিঘা মাটি স্বহীদ ক্ষেত্ৰ আৰু উদ্যান এখন নিৰ্মাণৰ ক্ষেত্ৰত ইতিমধ্যে বৰাগাঁৱত প্ৰায় ১০০ বিঘা মাটিত শ্বহীদ ক্ষেত্ৰ আৰু উদ্যান নিৰ্মাণৰ বাবে আৱন্টন হৈছে। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে তাত ইতিমধ্যে আধাৰশিলা স্থাপন কৰিছে আৰু তাৰ কাম আৰম্ভও হৈছে। মই আশা ৰাখিছো, যিখন শ্বহীদ ক্ষেত্ৰ আৰু উদ্যান নিৰ্মাণৰ প্ৰচেষ্টা হাতত লোৱা হৈছে, তাৰ কাম নিৰ্দিষ্ট সময়ৰ ভিতৰত শেষ কৰি দেশ, ৰাজ্য আৰু ৰাইজক উছৰ্গা কৰিব পাৰিম । গতিকে, উপাধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত বিশেষ ব্যৱস্থা গ্ৰহণ কৰিবৰ বাবে মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক আহ্বান জনাইছো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষঃ** মন্ত্ৰী ডাঙৰীয়া।

**মাননীয় শ্ৰী কমলাক্ষ দে'পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ)ঃ** উপাধ্যক্ষ মহোদয়, এটা কথা ক'ব বিচাৰিছো যে যোৱা বছৰ বাজেটত announce কৰা হৈছিল যে বৰাকত শ্বহীদ স্মাৰক নিৰ্মাণ কৰিব, কিন্তু এইটো এতিয়ালৈকে কাৰ্যকৰী হোৱা নাই। ইয়াৰ লগতে আৰু এটা অনুৰোধ আছিল যে বঙালী ভাষা আন্দোলনৰ বাবে যিখিনি মানুহ শ্বহীদ হৈছিল সেই মানুহখিনিৰ পৰিয়ালক যাতে আৰ্থিক সাহাৰ্য্য দিব পাৰি তাৰ বাবে বৰ্তমানৰ চৰকাৰে যাতে চিন্তা-চৰ্চা কৰে কিয়নো তেওঁলোকে এই ক্ষেত্ৰত চিন্তা-চৰ্চা কৰিব বুলি আমাক আগতে আশ্বাস দিছিল। গতিকে, এই ক্ষেত্ৰত পদক্ষেপ ল'বৰ বাবে মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মাননীয় মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদিঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ সন্মানীয় সদস্য ৰমেন্দ্ৰ নাৰায়ণ কলিতাই দাঙি ধৰা ১১-০২-২০২০ তাৰিখে অসমীয়া প্ৰতিদিন কাকতত প্ৰকাশিত - " শ্বহীদ নিৰ্যাতিত পৰিয়ালৰ উপযুক্ত লোকক শীঘ্ৰে নিযুক্তিৰ দাবী"- শীৰ্ষক বাতৰিটো চৰকাৰৰ দৃষ্টিগোচৰ হৈছে।

উপাধ্যক্ষ মহোদয়, অসম চুক্তি স্বাক্ষৰিত হোৱাৰ ৩৪ বছৰ পিছত প্ৰথমবাৰৰ বাবে তেখেতে আনন্দ পোৱা বুলি কৈছে কাৰণ সেই সময়ত তেখেতৰ লগতে প্ৰদীপ হাজৰিকা, প্ৰফুল্ল কুমাৰ মহন্ত ডাঙৰীয়াও আন্দোলনকাৰী আছিল। গতিকে এই আন্দোলনত শ্বহীদ নিৰ্যাতিত পৰিয়াল বা এই চুক্তি ৰূপায়ণৰ ক্ষেত্ৰত চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিছে। ইতিমধ্যে এন.আৰ.চি.ৰ কাম সম্পূৰ্ণ হৈছে আৰু Clause-VI Committee য়েও ইয়াৰ ৰিপ'ৰ্ট দাখিল কৰিছে। অসম চুক্তিৰ ৭ নং দফাৰ অন্তৰ্ভুক্ত বিষয় সমূহৰ ক্ষেত্ৰত ভাৰত চৰকাৰে অসম চুক্তিৰ আধাৰতে স্থাপিত হোৱা নুমলীগড় ৰিফাইনেৰীত এইবাৰ **২২,৫০০** কোটি টকা বিনিয়োগ কৰিছে। আনহাতে, অসম চুক্তিৰ আধাৰত স্থাপিত হোৱা বি.চি.পি.এল আজি অলপ দিন ধৰি লোকচানত চলি আছে ।গতিকে এই বি.চি.পি.এল

যাতে survive কৰি থাকিব পাৰে, যাতে ই লাভলৈ আহিব পাৰে তাৰ বাবে ভাৰত চৰকাৰে ১৫ বছৰৰ কাৰণে তাত subsidy ৰ provision কৰি Clause-VII ৰ অধীনত প্ৰায় ৪৬০০ কোটি টকাৰ অনুমোদন আগবঢ়াইছে। ইয়াৰোপৰি, ৭নং দফাৰ অধীনৰ অন্যান্য উন্নয়নমূলক কাম ইতিমধ্যে আৰম্ভ হৈছে। সেয়েহে, অসম বিধান সভাৰ মজিয়াৰপৰাই মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক ধন্যবাদ জ্ঞাপন কৰিছো কাৰণ তেখেতে অসম চুক্তিৰ ৰূপায়ণৰ ক্ষেত্ৰত অগ্ৰাধিকাৰ দিছে আৰু যিসকল লোকে আমাৰ ভৱিষ্যতৰ বাবে তেওঁলোকৰ জীৱন উছৰ্গা কৰি মৃত্যুক আঁকোৱালি লৈছিল সেই শ্বহীদ সকলৰ স্মৃতি যুগমীয়া কৰি ৰখাৰ বাবে শ্বহীদ স্মাৰকৰ আধাৰশিলা স্থাপন কৰি কাম আৰম্ভ কৰিছে। গতিকে, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ এই প্ৰয়াসক আমি শলাগ ল'ব লাগিব।

১৯৮৫ চনত প্ৰফুল্ল কুমাৰ মহন্ত ডাঙৰীয়াৰ নেতৃত্বত অসমত অ.গ.প. চৰকাৰ গঠন হৈছিল আৰু সেই সময়ত মই আৰু ৰমেন্দ্ৰ নাৰায়ণ কলিতা ডাঙৰীয়া মন্ত্ৰী আছিলো। সেই সময়ত আমি শ্বহীদ পৰিয়ালৰ প্ৰায় ৫২৩ গৰাকী ব্যক্তিক APS(PA) Rules, 1999 ৰ অধীনত নিযুক্তি দিছিলো আৰু কিছুমান লোকক হয়তো নিযুক্তি দিব পৰা নাছিলো কাৰণ সেই সময়ত তেওঁলোক চাকৰিৰ কাৰণে উপযুক্ত নাছিল।

( মাননীয় অধ্যক্ষই পুনৰ আসন গ্ৰহণ কৰে।)

গতিকে অসম চুক্তি আখৰে আখৰে ৰূপায়ণ তথা শ্বহীদ নিৰ্যাতিত পৰিয়ালৰ সদস্যক নিযুক্তিৰ ক্ষেত্ৰত চৰকাৰ দায়বদ্ধ আৰু এই ক্ষেত্ৰত কেতিয়াও ত্ৰুটি নকৰে। কলিতা ডাঙৰীয়াই জানে যে, অসম চুক্তি ৰূপায়ণ বিভাগ আগতে মুখ্যমন্ত্ৰীৰ হাতত কেতিয়াও নাছিল। ই অন্যান্য মন্ত্ৰীৰ হাততে থাকে। কিন্তু, এইবাৰ অসম চুক্তি ৰূপায়ণ বিভাগটো মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে নিজৰ হাততে ৰাখিছে । অসম চুক্তি ৰূপায়ণ বিভাগৰ কাৰ্যালয় আগতে অসম সচিবালয়ৰ দুটা ৰুমত আছিল কিন্তু এতিয়া তাক উন্নীত কৰি তাৰ কাৰ্যালয় খানাপাৰালৈ স্থানান্তৰ কৰা হৈছে। লগতে, শ্বহীদসকলৰ আন্দোলনৰ বিভিন্ন স্মৃতি তাত সংৰক্ষণ কৰা হৈছে। শ্বহীদ পাৰ্কখন নিৰ্মাণ হোৱাৰ লগে লগে বিস্তৃত ভাৱে সকলো কাম হ'ব।

'শ্বহীদ নিৰ্যাতিত পৰিয়ালৰ উপযুক্ত লোকক শীঘ্ৰেই নিযুক্তিৰ দাবী'- বিগত ইং ১১-০২-২০২০ তাৰিখে উক্ত শিৰোনামাৰে অসমীয়া প্ৰতিদিন কাকতৰ জৰিয়তে প্ৰকাশিত বাতৰিটো চৰকাৰৰ দৃষ্টিগোচৰ হৈছে। বৰ্তমানৰ চৰকাৰে কাৰ্যভাৰ লোৱাৰ ঠিক পিছতেই যি ১০০ দিনীয়া কাৰ্যসূচী ঘোষণা কৰিছিল, উক্ত কাৰ্যসূচীৰ ভিতৰত শ্বহীদ নিৰ্যাতিত পৰিয়ালৰ ৩১৫ জনক নিযুক্তি দিয়াৰ প্ৰতিশ্ৰুতি প্ৰদানৰ বিষয়টো অন্তৰ্ভুক্ত নাছিল। শ্বহীদ খৰ্গেশ্বৰ তালুকদাৰৰ ভাতৃৰ নেতৃত্বত এখন শ্বহীদ নিৰ্যাতিত সমিতি আছে। পৰৱৰ্তী সময়ছোৱাত কোনো এগৰাকী ব্যক্তিয়ে আন এখন সমিতি গঠন কৰিছিল, যিগৰাকী শ্বহীদ পৰিয়ালৰ ব্যক্তি নাছিল। এই ব্যক্তিজনেই এই কথাখিনি উত্থাপন কৰিছিল। অধ্যক্ষ মহোদয়, ১০০ দিনীয়া কাৰ্যসূচীৰ ভিতৰত এই কথাখিনি থকা বুলি ভুলকৈ প্ৰকাশিত হৈছে। অসম চুক্তি ৰূপায়ণ বিভাগ শ্বহীদ তথা নিৰ্যাতিত পৰিয়ালৰ সদস্য নিযুক্তি দিয়াৰ লগত জড়িত নহয়। APS (PA) Rules, 1999 ৰ Rule 6 অনুযায়ী উক্ত APS(PA) Rules, 1999 ৰ অধীনত বিভিন্ন প্ৰশাসনীয় বিভাগে দিয়া নিযুক্তিৰ খতিয়ান লগে লগে অসম চুক্তি ৰূপায়ণ বিভাগক অৱগত কৰিব লাগে। বাতৰিত উল্লেখ কৰাৰ দৰে জলসম্পদ বিভাগে যদি উক্ত বিধিৰ অধীনত ৫ জনক নিযুক্তি দিছে সেই বিষয়ে জলসম্পদ বিভাগে অসম চুক্তি ৰূপায়ণ বিভাগক জনোৱা নাই। Unofficially কথাখিনি জানিব পাৰিলেও officially communicate হোৱা নাই।

মাননীয় অধ্যক্ষ মহোদয়, APS (PA) Rules, 1999 খন Personnel (B) বিভাগে প্ৰস্তুত কৰিছিল আৰু সংশ্লিষ্ট বিভাগে উক্ত বিধিৰ আধাৰত নিযুক্তি দিব পাৰে। যিহেতুকে মাননীয় ভাৰতৰ উচ্চতম ন্যায়ালয়ে বিভিন্ন গোচৰৰ ভিত্তিত দিয়া হুকুম অনুযায়ী অনুকম্পামূলক নিযুক্তিৰ ক্ষেত্ৰত কিছু বাধা আৰোপ কৰিছে আৰু তাৰ ভিত্তিত APS (PA) Rules, 1999 ৰ দৰে নীতিবোৰ ৰদ কৰাৰ বাবে নিৰ্দ্দেশনা জাৰি কৰিছে। তাৰ মানে চুপ্ৰিম কোৰ্টে এটা নিৰ্দেশনা দিছে যে আমি আগতে যেনেকৈ নিযুক্তি দিছিলো, এতিয়া তেনেকৈ দিয়া নহ'ব আৰু অসম চৰকাৰৰ ন্যায়িক বিভাগে APS (PA) Rules, 1999 ৰদ কৰাৰ বাবে পৰামৰ্শ আগবঢ়াইছে-সেয়েহে কৰ্মচাৰী (খ) বিভাগে এক নতুন নীতিৰ খচৰা প্ৰস্তুত কৰি আছে। গতিকে অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে জনাই থলো যে Personnel (B) Department এ এটা Rule Frame কৰিছে। যাতে শ্বহীদ সকলৰ বাবে এইটো এটা Provision কৰা যায়। গতিকে আপুনি আজি যিটো উদ্দেশ্য লৈ বিষয়টো আনিলে তাৰ উত্তৰ নিশ্চয় পালে। মাননীয় অধ্যক্ষ মহোদয়, কৰ্মচাৰী (খ) বিভাগে প্ৰস্তুত কৰি থকা নতুন নীতিৰ ওপৰত অসম চুক্তি ৰূপায়ণ বিভাগৰ পৰা ইতিমধ্যে মতামত আৰু পৰামৰ্শ বিচাৰিছে আৰু অসম চুক্তি ৰূপায়ণ বিভাগে উক্ত নতুন নীতি গ্ৰহণৰ ক্ষেত্ৰত যাৱতীয় পৰামৰ্শ আগবঢ়াইছে। সংশ্লিষ্ট জিলা উপায়ুক্ত সকলৰ পৰা পোৱা তথ্য ভিত্তিত এতিয়ালৈকে ৮০৫ জন অসম আন্দোলনৰ পৰিয়ালক ৫ লাখ টকা আৰ্থিক অনুদান আগবঢ়াইছে। বাকী থকা সকলক আমি আগবঢ়াব পৰা নাই। কাৰণ আমাৰ এখন শ্বহীদ ন্যাস কমিটী আছে যাৰ বিষয়ে মাননীয় সদস্য ৰমেন্দ্ৰ নাৰায়ণ কলিতা ডাঙৰীয়াই জানে যে এই শ্বহীদ ন্যাসে যি ৰিপোৰ্ট দিব তাৰ ওপৰত DC ৰ পৰা এটা ৰিপোৰ্ট আহিব লাগে। সেই কাৰণে বাকী কেইজনক টকা দিব পৰা নাই। কাৰণ DC ৰ পৰা ৰিপোৰ্ট অহা নাই। কিন্তু আমাৰ অসম চুক্তি ৰূপায়ণ বিভাগৰ তৰফৰ পৰা DC সকলক এই ক্ষেত্ৰত যাৱতীয় নিৰ্দেশনা দিয়া আছে যে যিসকলে এই ৫ লাখ টকা পোৱা নাই তেওঁলোকক দিয়াৰ ব্যৱস্থা কৰিব লাগে আৰু ৰিপোৰ্ট পঠিয়াব লাগে। ইতিমধ্যে ৮০৫ জন অসম আন্দোলনৰ পৰিয়ালক ৫ লাখ টকা আৰ্থিক অনুদান আগবঢ়াইছে। বাকী সকলক সংশ্লিষ্ট জিলা উপায়ুক্ত সকলৰ পৰা প্ৰয়োজনীয় যাৱতীয় তথ্য পালে অনুদান আগবঢ়োৱা হ'ব। এই খিনি যি কোনো সময়তে দিব পৰা যাব। ইয়াত কোনো প্ৰশ্ন নাই। ইয়াৰ উপৰিও অসম আন্দোলনৰ গুলীবিদ্ধ সকলৰ ভিতৰত এতিয়ালৈকে ২৬৮ জন ব্যক্তি/ব্যক্তিৰ পৰিয়ালক ২ লাখ কৈ টকা আগবঢ়োৱা হৈছে আৰু বৰ্তমান ২৬ জন গুলীবিদ্ধ ব্যক্তিক ২ লাখ কৈ টকা দিয়াৰ বাবে আৰ্থিক অনুমোদন দিয়া হৈছে। বাকী গুলীবিদ্ধ সকলক সংশ্লিষ্ট জিলা উপায়ুক্তৰ পৰা প্ৰয়োজনীয় যাৱতীয় তথ্য পালে অনুদান আগবঢ়োৱা হ'ব। বাকী নিৰ্য্যাতিত লোক সকলক সাহাৰ্য্য আগবঢ়োৱাৰ ক্ষেত্ৰত বৰ্তমানে আলোচনা পৰ্য্যালোচনা চলি আছে। মই আপোনাক ইতিমধ্যে ক'লো যে আমাৰ APS (PA) যি খন Rules সেই খন আচলতে Personnel (B) বিভাগে প্ৰস্তুত ক ৰি আছে। গতিকে এই ৰুল খন কেবিনেটত পাচ হৈ যোৱাৰ লগে লগে মই ভাৱো যিটো প্ৰশ্নৰ আপুনি অৱতাৰণা কৰিছে সেই প্ৰশ্নটোৰ অৱসান ঘটিব আৰু শ্বহীদ পৰিয়াল সকল নিশ্চয় উপকৃত হ'ব। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** আজি সদনৰ বিশেষ কাৰ্য্যসূচী নাই। মই এটা কথা মাননীয় সদস্য ৰাজেদ আলি চৌধুৰী ডাঙৰীয়াক সুধিব বিচাৰিছো যে যিহেতু আমাৰ বাজেট খন অহা ০৭-০৩-২০২০ তাৰিখ শুক্ৰবাৰে আছে আৰু শুক্ৰবাৰে সদন ১১.৩০ বজাত শেষ হ'ব আৰু পুনৰ ৩ বজাত আৰম্ভ হ'ব। কিন্তু যিহেতু বাজেট ভাষণ দীঘলীয়া হয়, সেয়েহে ৩.০০ বজাৰ পৰিৱৰ্তে ২.০০ বজালৈ আনিব পৰা যায় নেকি?

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি ঃ** মাননীয় অধ্যক্ষ মহোদয়, যদি বাজেট দুই বজাৰ পৰা কৰে, তেনে ক্ষেত্ৰত কিন্তু আমাৰ বিত্ত বিভাগে জানে যে ৩.০০ বজাতহে বাজেট আছে।

**মাননীয় অধ্যক্ষ ঃ** মই এটা বিশেষ information পালো। যাৰ ওপৰত ভিত্তি কৰি মই এই কথাটো কৈছো। যদি বিৰোধী দলে কোনো আপত্তি নকৰে। মই এই বিষয়ে অহা কালিহে ঘোষণা কৰিম।

**এতিয়া সদন কাইলৈ ৰাতিপুৱা ৯.৩০ বজালৈ স্থগিত ৰখা হ'ল।**